# দ্বিতীয় অধ্যায়

# কোচ-ৰাজবংশী সাধুকথাৰ সামগ্ৰিক আলোচনা

## ২.১ কোচ-ৰাজবংশী জনগোষ্ঠীৰ পৰিচয় ঃ

অবিভক্ত গোৱালপাৰা জিলাৰ কোচ-ৰাজবংশীসকল দক্ষিণ-পূব এছিয়াৰ অন্যতম প্ৰধান নৃ-গোষ্ঠী কোচৰ অন্তৰ্গত। পঞ্চম শতিকাৰ কোচ নৃপতি শঙ্কুল কোচৰ পৰা আৰম্ভ কৰি চতুৰ্দশ শতিকাৰ খেনবংশীয় কোচ ৰজা নীলধ্বজ, চক্ৰধ্বজ, ষোড়শ শতিকাৰ বিশ্বসিংহৰ ৰাজত্বৰ দৰে ঐতিহ্যমণ্ডিত ইতিহাস থকা কোচসকল পিছলৈ আৰ্যকৰণৰ তীব্ৰ সাংস্কৃতিক বলয়ত নিজৰ তীব্বত-বৰ্মী ভাষা, সংস্কৃতি পৰিত্যাগ কৰাৰ সমান্তৰালভাৱে লাহে লাহে আৰ্য সাংস্কৃতিক গ্ৰহণৰ লগতে প্ৰচলিত আৰ্যমূলৰ ভাষাক আকোঁৱালি লোৱা পৰিলক্ষিত হয়। একেদৰে দেশ বিভাজন, আধুনিক স্বাধীন ৰাষ্ট্ৰ গঠনৰ পৰিপ্ৰেক্ষিতত কোচসকল ৰাজনৈতিক আৰু ভৌগোলিকভাৱে বিছিন্ন হৈ পৰিল। এনেবোৰ কাৰণতে কোচসকল আজিৰ তাৰিখত বিভিন্ন ঠাইত বিভিন্ন নামেৰে পৰিচিত। উত্তৰবঙ্গৰ কোচসকলে নিজকে ক্ষত্ৰিয় ৰাজবংশী বুলি পৰিচয় দিয়ে, ঠিকে একেদৰে অসমৰ অবিভক্ত গোৱালপাৰা জিলাৰ কোচসকলে নিজকে কোচ-ৰাজবংশী বুলি পৰিচয় দি গৌৰৱ অনুভৱ কৰা প্ৰৱণতা দেখা যায়। গতিকে এনেবোৰ দিশৰ প্ৰতি লক্ষ্য কৰিয়ে কোচ-ৰাজবংশীসকলৰ পৰিচয় সন্দৰ্ভত আলোচনা কৰাৰ আগতে নৃ-গোষ্ঠীয় কোচসকলৰ পৰিচয় দাঙি ধৰাতো প্ৰাসংগিক হ'ব।

'কোচসকল এটি সু-প্ৰাচীন জনগোষ্ঠী আৰু স্বকীয় সভ্যতা আৰু সমাজ ব্যৱস্থাৰে পুৰিপুষ্ট। আৰ্যসকলৰ আগমনৰ আগৰপৰাই এওঁলোক ভাৰত উপ-মহাদেশখনত বিৰাজমান তথা ভাৰত উপ-মহাদেশখনৰ লগতে ভূটান আৰু নেপালৰো মূল অধিবাসী। স্বকীয় শাসন ব্যৱস্থা, নিকিনি ব্যৱস্থা, পৰম্পৰাগত চিকিৎসা ব্যৱস্থা, বাস্তু জ্ঞান, অভিযান্ত্ৰিক জ্ঞান তথা জ্যোতিৰ্বিদ্যাৰে কোচ সমাজখন টনকিয়াল।'[১] যোগিনী তন্ত্ৰত কোচসকলক 'কুবাচ' বুলি কোৱা হৈছে।[২] অৰ্থাৎ বেয়া ভাষা কোৱা বৰ্বৰ জাত। ঔপনিৱেশিক লিখকসকলৰ গ্ৰন্থসমূহত কোচসকলৰ বংশ নিৰ্ণয়ত কিছু অস্পষ্টতা দেখা যায়। পিছে তাৰ কাৰণো নোহোৱা নহয়। 'জৰ্জ কেম্পবেল-এ কোচসকলক নেগ্ৰিটো ফৈদৰ বুলি অনুমান কৰিছে। একেদৰে বিভাৰ্লি, ডেন্টন আৰু ৰিজলি-এ কোচসকলক দ্ৰাবিড়ীয়ান বুলি কৈছে।'[৩] এইক্ষেত্ৰত ৰিজলি-এ তেওঁৰ গ্ৰন্থ "The Tribes and Castes of Bangal" ত কৈছে- 'কোচ, কোচ-মাগুাই, ৰাজবংশী, পলিয়া, দেশী আদি উত্তৰ-পূব আৰু পূব বংগৰ এক বৃহৎ দ্ৰাবিড় জনজাতি, যাৰ মাজত মংগোলীয় তেজৰ কিছু মিশ্ৰণ সন্দেহ কৰাৰ ভিত্তি আছে।'[৪] ইয়াৰ বিপৰীতে ই.এ. গেইটে "History of Assam" ত স্পষ্টকৈ লিখিছে যে 'অৰশ্যে

ইয়াত কোনো সন্দেহ নাই যে প্ৰকৃত কোচসকল মঙ্গোলীয় ফৈদৰ আছিল। যাৰ মেচ আৰু গাৰোৰ লগত নিকটতম সম্পৰ্ক আছিল আৰু জলপাইগুৰী, কোচ বিহাৰ আৰু গোৱালপাৰা (অবিভক্ত) জিলাত যিসকলে নিজকে ৰাজবংশী বুলি পৰিচয় দিয়ে তেওঁলোক বিশুদ্ধ কোচ। যিয়ে এক নিৰ্দিষ্ট মঙ্গোলীয় শাৰীৰিক বৈশিষ্ট বা যাৰ এক মিশ্ৰিত প্ৰজনন ঘটিছিল; য'ত মঙ্গোলীয় উপাদান প্ৰবল ৰূপত স্পষ্ট।'[৫] কিন্তু ৰিজলি, বিভাৰ্লি, ডেন্টনৰ দৰে ব্যক্তিয়ে কোচসকলক দ্ৰাবিড়ীয়ান ফৈদৰ বুলি কোৱা বিষয়টোত শিবেন্দ্ৰ নাৰায়ণ কোচে তেওঁৰ 'কোচ জনগোষ্ঠীৰ অতীত সন্ধানত এটি খোজ' গ্ৰন্থখনত পৰ্যালোচনা কৰি কৈছে যে ভাৰতবৰ্ষত বৈজ্ঞানিক পদ্ধতিৰে জাতি বা বংশ নিৰ্ণয় কৰাতো বহু পলমকৈ অৰ্থাৎ ঊনবিংশ শতিকাৰ শেষৰফালেহে আৰম্ভ হয়। যেতিয়ালৈকে ভাৰতবৰ্ষত বিজ্ঞানসন্মতভাৱে জাত বা বংশ নিৰ্ণয় আৰম্ভ হৈছিল তেতিয়ালৈকে কোচসকলে নিজৰ আদিম ৰূপ, ভাষা, সংস্কৃতিৰপৰা বহুদূৰ আঁতৰি আহিছিল আৰু হিন্দু ধৰ্ম গ্ৰহণেৰে বিভিন্ন নামত পৰিচয় লাভ কৰিছিল।[৬]

বৰ্তমান কোচসকল ভাৰতবৰ্ষৰ মেঘালয়, অসম, পশ্চিমবংগ আৰু বিহাৰৰ আদিম অধিবাসী হিচাপে স্বীকৃত। শেহতীয়াকৈ কোচসকলৰ ইতিহাস তথা ঐতিহ্য সন্দৰ্ভত বিজ্ঞানসন্মতভাৱে আলোচনা কৰা দেখা গ'ল অৰূপজ্যোতি দাসৰ 'কামতেশ্বৰ বিশ্বসিংহ আৰু কোচৰ শেষ অভ্যুত্থান' গ্ৰন্থখনৰ মাজত। দাসে গ্ৰন্থখনত কোচসকলৰ সমাজ ব্যৱস্থাৰ কথা আলোকপাত কৰিবলৈ গৈ তলৰ কথাখিনি বিশেষভাৱে দাঙি ধৰিছে-- 'কোচ সমাজখন মূলতঃ আঠটা ভাগত বিভক্ত। এই আঠটা ভাগ হ'ল, চাপ্ৰা বা দশগাএগ্ৰা, মাৰগান, বানাই, তিনটেকীয়া, ৱানাং, হাড়গীয়া, সাতপৰীয়া আৰু শংকৰ। ইয়াৰ ভিতৰত চাপ্ৰা, মাৰগান, তিনটেকীয়া, ৱানাং আৰু হাড়গীয়াসকলে কোচসকলৰ তীব্বতবৰ্মী কোচ ভাষা কয়। আনহাতে সাতপৰীয়া, বানাই আৰু শংকৰীসকলে কামতাপুৰী(কোচদেশীয়) ভাষাৰে আঞ্চলিক ৰূপ ব্যৱহাৰ কৰে। বানাই সকলৰ ভাষাটো আৰু হাজং সকলৰ ভাষাটোৰ যথেষ্ট মিল আছে। শংকৰী কোচসকলৰ কিছু সংখ্যকক হালোৱা গাৰো কোচ বুলিও কোৱা হয়। এওঁলোক একাংশই গাৰো সকলৰ দৰে মাৰাক, চাংমা আদি উপাধি লেখে যদিও খ্ৰীষ্টান ধৰ্মও গ্ৰহণ কৰা নাই। তথা সামাজিকভাবে মন্দিৰতো নাযায়। পৰম্পৰাগতভাৱে ঘৰতে পূজা পাতল কৰে।'[৭] ঠিক একেদৰে আৰ.জি. লাথামৰ "Ethnology of India" গ্ৰন্থখনতো কোচৰ সমাজ ব্যৱস্থাৰ বিষয়ে কিছু আলোচনা কৰা দেখা যায়। তেওঁ উল্লেখ কৰিছে যে অপৰিৱৰ্তিত আদিম কোচসকল অৰণ্যত বসবাস কৰে আৰু বিভিন্ন সুঁজলিৰ সহায়ত মাটি চহাই খেতি-বাতি কৰে। কোচসকলৰ অন্যতম দেৱতা ঋসি আৰু তাৰ ঘৈণীয়েক জোগ'ক আগ নবঢ়োৱাকৈ কোনো পোহনীয়া জন্তুক নাখায়। তেওঁলোকে মৃত পিতৃ-মাতৃ, সূৰ্য, চন্দ্ৰ, তৰা, নদ-নদী, পাহাৰ আৰু

অৰণ্যৰ দেৱতাসকলৰ বাবে বলি উৎসৰ্গা কৰে। এওঁলোকৰ পুৰোহিত জনক 'Deoshi'[৮] (দেওসী) বুলি জনা যায়। কিন্তু লাথামে উল্লেখ কৰা ‘দেওসী’ শব্দটো পিছলৈ দেউৰী লৈ পৰিৱৰ্তন হোৱা দেখা গ’ল, কিয়নো কোচ-ৰাজবংশী সমাজত এতিয়াও ‘দেউৰী’ৰ স্থান আৰু প্ৰাসংগিকতা পৰিলক্ষিত হয়। মৃত ব্যক্তিক দুই দিনলৈ ঘৰতে ৰাখি শোক প্ৰকাশ কৰাৰ পিছত নদীৰ কাষত দাহ কৰা হয়। সমান্তৰালভাৱে এটা গাহৰিও উৎসৰ্গা কৰা হৈছিল। বিবাহৰ ক্ষেত্ৰত বহু বিবাহ নিষিদ্ধ, অন্যথা জৰিমনা ভৰিব লাগে। কোচ ডেকা-গাভৰুৱে পচন্দ অনুযায়ী প্ৰেমিক বা প্ৰেমিকাক বিবাহ কৰাত সামাজিক নিষিদ্ধতা নাই।

কোচ নৃপতি বিশ্বসিংহই বিশু নামৰ ঠাইত বিশ্বসিংহ হোৱাৰপৰাই দৰাচলতে আদিম কোচসকলৰ হিন্দুকৰণ বা আৰ্যকৰণ প্ৰক্ৰিয়া আৰম্ভ হোৱা বুলি ক’ব পাৰি। আৰ্যকৰণৰ ধাৰণাটো সাধাৰণতে তেওঁলোকৰ দৃষ্টিত নিম্নজাতৰ লোক সকলে আৰ্যসকলৰ ৰীতি-নীতি গ্ৰহণ কৰি নিজকে উচ্চ বৰ্ণত উত্তৰণ ঘটোৱা। কোচসকলৰ মাজত এনে প্ৰৱণতা বিভিন্ন সময় আৰু প্ৰেক্ষাপটত হোৱা পৰিলক্ষিত হয়। ‘বিজিনী ৰাজবংশত উল্লেখ আছে- এই সময়তেই বিশুৱে তন্ত্ৰ আদিৰপৰা নিজকে শিৱবংশী বুলি অৱগত হৈ নিজৰ বংশধৰসকলক কোচ শব্দৰ পৰিৱৰ্তে নাৰায়ণ পদবী প্ৰদান কৰিলে আৰু অন্যান্য কোচ জাতিসকলেও এই সুযোগ পাই ৰাজবংশী বুলি পৰিচয় প্ৰদান কৰিবলৈ ধৰে।’[৯] ঠিক সমান্তৰালভাৱে ‘ৰংপুৰেৰ ইতিহাস’ গ্ৰন্থখনতো উল্লেখ আছে যে বিশুয়ে কোচ উপজাতীয় নাম পৰিত্যাগ কৰি নিজৰ জাতিক ৰাজবংশী বুলি অভিহিত কৰি নিজে মহাৰাজ বিশ্বসিংহ নাম ধাৰণ কৰে। এই অনুযায়ী পাহাৰী অধিবাসীসকলেও নিজৰ উপজাতীয় উপাধি পৰিত্যাগ কৰি ৰাজবংশী উপাধি গ্ৰহণ কৰে তথা হিন্দু ধৰ্মত দীক্ষিত হয়।’[১০] সময় সাপেক্ষে অন্য জনগোষ্ঠীৰ লোকৰো যে কোচ জাতি লৈ আগমন ঘটিছিল এই বিষয় বিভিন্নজনে বিভিন্ন মন্তব্য প্ৰদান কৰা দেখা যায়। এই ক্ষেত্ৰত অৰূপজ্যোতি দাসে উল্লেখ কৰিছে যে কোচলৈ অন্য জনগোষ্ঠীৰ আগমন এই দিশটোৰ মূল প্ৰেক্ষাপটটো আছিল শংকৰদেৱৰ একশৰণ নাম ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰ আৰু কোচ ৰাজপৃষ্ঠপোষকতা আৰু শাসন ব্যৱস্থা। তেওঁৰ মতে নৰনাৰায়ণ, চিলাৰায়ৰ সময়ছোৱাত শংকৰদেৱক ৰাজপৃষ্ঠপোষকতা দিয়া হৈছিল আৰু একশৰণ নামধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেৰে আন আন জনজাতিসকলক কোচৰ লগত সংপৃক্ত কৰা হৈছিল। যাৰ ফলত ৰাজ পৃষ্ঠপোষকসকলৰ ৰাষ্ট্ৰ পৰিচালনা কৰা সুবিধাজনক হৈ উঠিল।[১১] অতি গুৰুত্বপূৰ্ণ দিশটো হৈছে যে কোচ নৃপতিসকলে নৃ-গোষ্ঠীয় কোচ ভাষাৰ ব্যৱহাৰ নকৰি সকলোৱে বুজিব পৰাকৈ ৰাজপণ্ডিতসকলক ‘দেশী’ ভাষাত কাব্য চৰ্চা কৰিবলৈ দিয়া বিষয়টো। ‘দেশ’ ভাষা অৰ্থাৎ সংশ্লিষ্ট দেশখনৰ ভাষা, সেই সময়ত দেশ আছিল ‘কামতাপুৰ’, গতিকে ভাষা ‘কামতাপুৰী ভাষা’ আৰু এই ভাষা নৰনাৰায়ণৰ ৰাজ সভাতে

চৰ্চা বা বিকাশ লাভ কৰিছিল।

ৰজা ঘৰৰ হিন্দুকৰণৰ বহু বছৰ পিছতো কিন্তু উচ্চ বৰ্ণ হিন্দু সমাজে কোচ-ৰাজবংশীসকলক স্বীকৃতি দিয়া পৰিলক্ষিত নহ'ল বা তেতিয়াও দুৰ্গম অঞ্চলত বসবাস কৰি থকা প্ৰকৃত কোচসকলক ৰাজবংশীকৰণৰ প্ৰক্ৰিয়াই স্পৰ্শ কৰিব পৰা নাছিল। গতিকে সমাজত যেতিয়া উচ্চবৰ্ণ হিন্দুৰদ্বাৰা সততে বৈষম্যমূলক ব্যৱহাৰৰ সন্মুখীন হ'ল, তাৰ পৰিপ্ৰেক্ষিতৰ পিছৰ পৰ্যায়ত উত্তৰবংগ, ৰংপুৰ (বৰ্তমান বাংলাদেশৰ অন্তৰ্গত) আৰু পশ্চিম অসমৰ কিছু অঞ্চল ক্ষত্ৰিয় আন্দোলনৰদ্বাৰা বহু কোচ-ৰাজবংশী জনসাধাৰণে উচ্চবৰ্ণ হিন্দুৰ কুলত উপবিষ্ট হোৱাৰ প্ৰৱণতা দেখা পোৱা যায়। ক্ষত্ৰিয় আন্দোলনৰ অন্যতম ব্যৱস্থাপক আছিল পঞ্চানন বৰ্মা। এনে ক্ষত্ৰিয় আন্দোলনৰ মূল প্ৰেক্ষাপটৰে আছিল সামাজিক মৰ্যাদা। বঙালী উচ্চ বৰ্ণৰ হিন্দুয়ে সততে জনজাতীয় কোচ-ৰাজবংশীসকলক নীচ জাতৰ বুলি সামাজিকভাৱে হেয় প্ৰতিপন্ন কৰি আহিছিল। গতিকে ইয়াৰপৰা পৰিত্ৰাণ পোৱাৰ বাবে পঞ্চানন বৰ্মাই কুৰি শতিকাৰ প্ৰথম ভাগত ক্ষত্ৰিয় আন্দোলনৰ গুৰি ধৰে। পঞ্চানন বৰ্মাৰ সমান্তৰালভাৱে ক্ষত্ৰিয় আন্দোলনত নগেন্দ্ৰ নাৰায়ণ ৰায়, প্ৰেমহাৰি বৰ্মা, উপেন্দ্ৰনাথ বৰ্মন ইত্যাদি অন্যতম ব্যক্তি আছিল। এই আন্দোলনৰ মূল লক্ষ্যটোয়ে আছিল নীচ জাত বুলি গণ্য কৰা কোচসকলক উচ্চ বৰ্ণ হিন্দুত উপবিষ্ট কৰি সামাজিকভাৱে সমমৰ্যাদা প্ৰদান কৰা। সেই সূত্ৰে 'বাংলা মাঘ মাহ, ১৩১৯ (ইংৰাজী ১৯১২) চনত জলপাইগুৰী জিলাৰ দেবীগঞ্জ নামৰ ঠাইত, কৰতোৱা নদীৰ পাৰত মিথিলা, কামৰূপ আৰু নবদ্বীপৰ পণ্ডিতসকলে হিন্দু ধৰ্মৰ নীতি নিয়ম অনুসৰি হাজাৰ হাজাৰ ৰাজবংশীক পবিত্ৰ উপবীত প্ৰদানেৰে উচ্চ বৰ্ণ হিন্দুত তোলে। এই মহা আয়োজন তিনিদিনলৈ চলিছিল।'[১২]

এনে উপবীত গ্ৰহণৰ পিছতে কোচসকল ৰাজবংশী ক্ষত্ৰিয় ৰূপত পৰিচয় দিবলৈ ধৰে আৰু এই আন্দোলনে লাহে লাহে অভিক্ত গোৱালপাৰা জিলাতো প্ৰৱেশ কৰে। ধৰ্ম আৰু জাতৰ পৰিৱৰ্তনৰ সমান্তৰালভাৱে ভাষিক আৰু সাংস্কৃতিক দৃষ্টিকোণৰপৰাও বিপুল পৰিৱৰ্তনৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল। উদাহৰণ স্বৰূপে ক্ষত্ৰিয় আন্দোলনৰ ফলতে জলপাইগুৰি, কোচবিহাৰ, ৰংপুৰ, দিনাজপুৰ, গোৱালপাৰা আৰু পূৰ্ণিয়া জিলাৰ কোচসকলে নিজৰ উপাধিৰ ক্ষেত্ৰত সিংহ, বৰ্মন, বৰ্মা আদি লিখিবলৈ নিজৰ নিজৰ জিলা প্ৰসাশনৰ ওচৰত আবেদন দাখিল কৰে। এইটো উল্লেখ কৰিব লাগিব যে এনে ক্ষত্ৰিয় আন্দোলনৰ ফলত কোচৰ মাজত শিক্ষা আৰু সামাজিক সংস্কৰণৰ ক্ষেত্ৰত কিছু সফলতা লাভ কৰিছিল। গতিকে ক্ষত্ৰিয়কৰণ আন্দোলনৰ বিষয়টো সেই সময়ছোৱাত প্ৰাসংগিক আছিল যদিও থলগিৰি, নৃ-গোষ্ঠীয় জাতি এটাই নিজৰ স্বকীয়তা হেৰুৱাই পেলোৱাতো অতি দুৰ্ভাগ্যজনক।

এইদৰে আলোচনা কৰিলে দেখা যায় যে ৰংপুৰৰপৰা অবিভক্ত গোৱালপাৰা জিলা পৰ্যন্ত বসবাস কৰা কোচসকলৰ বেছি সংখ্যকে নিজকে পিছলৈ ৰাজবংশী ক্ষত্ৰিয় বা কোচ-ৰাজবংশী বুলি পৰিচয় দিয়া হ'ল। কিন্তু মন কৰিবলগীয়া বিষয়টো হৈছে যে ৰাজবংশী বুলি পৰিচয় দিয়া সকলো ব্যক্তিয়ে কিন্তু প্ৰকৃত কোচ নহয়। ইয়াৰ যুক্তিযুক্ততাত আমি চাৰু চন্দ্ৰ সান্যালৰ 'The Rajbonsis of Noth Bengal' গ্ৰন্থখনত উল্লেখিত কথাখিনি দাঙি ধৰিব পাৰোঁ— 'লোকপিয়লৰ গণনাৰ সময়ছোৱাত পশ্চিমবঙ্গৰ জিলাবোৰত থকা অনেক অন্যান্য সম্প্ৰদায়ৰ লোকক মূলৰ পৰা ফালৰি কাটি আনি ৰাজবংশী হিচাপে তালিকাভুক্ত কৰা হৈছিল। সিহঁতৰ কিছুমান হ'ল— জালিয়া, কৈৱৰ্ত, তীয়ৰ, নমসূদ্ৰ, বাণী, মালো, বৰুৱামগ, ধীমাল, পোভ, ৰাভা, গাৰো, পলীয়া, দেশী, কোচ, মেচ আৰু কান্তাইসকল।'[১৩] ইয়াৰ দ্বাৰা ৰাজবংশী পৰিচয়টো এটা সংমিশ্ৰিত ৰূপ যেনহে লাগে। এনেধৰণৰ আলোচনাৰপৰা এইটো স্পষ্ট যে সময় আৰু বিভিন্ন প্ৰেক্ষাপটত প্ৰাচীন নৃ-গোষ্ঠীয় কোচৰ অধিক সংখ্যকে ধৰ্ম, সামাজিক, ৰাজনৈতিক কাৰণতে নিজৰ আদিম সাংস্কৃতিক অৱস্থা পৰিহাৰ কৰি কোচ-ৰাজবংশী বা ৰাজবংশী ক্ষত্ৰিয়লৈ পৰিৱৰ্তিত হৈছে। এই গোটেই বিষয়টো শতিকাজোৰা এটা প্ৰক্ৰিয়াৰ মাজেৰে আগবাঢ়োতে কোচ-ৰাজবংশী জনগোষ্ঠীটোয়ে বহুখিনি হেৰুৱালে আৰু বহুখিনি নতুন সংযোজনৰ মাজেৰে স্বকীয় ভাষিক আৰু সাংস্কৃতিক বলয়ৰ নিৰ্মাণ কৰিছে। হিন্দু ধৰ্ম গ্ৰহণৰ লগতে আৰ্য সংস্কৃতি আৰু ভাষাৰ প্ৰভাৱে কিছু নতুন সাংস্কৃতিক স্তূপৰ গঠন কৰিলে। সমান্তৰালভাৱে নৃ-গোষ্ঠীয় আদিম বৈশিষ্টসমূহো বহন কৰা পৰিলক্ষিত হ'ল। যাৰ সামগ্ৰীক অধ্যয়নে হয়তো কোচ-ৰাজবংশী জাতিটোৰ ৰাজনৈতিক মৰ্যাদা আৰু আত্মপ্ৰতিষ্ঠাৰ ক্ষেত্ৰত পূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। সমান্তৰালভাৱে প্ৰান্তীয়কৰণৰ চিন্তা পৰিহাৰ কৰি বুদ্ধিজীৱীসকলক এই জনগোষ্ঠীটোৰ বিষয়ে নতুন দৃষ্টিভংগীৰে চিন্তা সমল যোগাব।

## ২.২ কোচ-ৰাজবংশী লোক সাহিত্য —

কোচ-ৰাজবংশী লোক সাহিত্যৰ পথাৰখন এক বিস্তৃত পৰিসৰৰ। 'কোনো এটা জাতিৰ অতীত জীৱনৰ বিষয়ে অভিজ্ঞতা লাভ কৰিবলৈ হ'লে সেই জাতিৰ ধৰ্ম-নীতি, আচাৰ-ব্যৱহাৰ, আনন্দ-উৎসৱ, লোক-বিশ্বাস আদিৰ লগতে আৰু এটি বিষয় জনাটো প্ৰয়োজনীয়, সেয়া হ'ল জাতিটোৰ আদিম যুগৰেপৰা মুখে মুখে চলি অহা গীত-পদ, ফকৰা-যোজনা, সাঁথৰ, মালিতা (ballad) সাধুকথা, ইতিকথা (legends) আদি— যিবোৰক এক আষাৰে কোৱা হয় লোক সাহিত্য বা জন সাহিত্য (folk-literature) বুলি।'[১৪] কোচ-ৰাজবংশী লোক সাহিত্যৰ বিস্তৃত পৰিসৰৰ প্ৰতি লক্ষ্য কৰি ইয়াৰ এক শৃংখলাবদ্ধ আলোচনাৰ অবিহনে বিষয়টোৰ গভীৰতালৈ

সোমোৱা অসম্ভৱ। ইতিমধ্যে উল্লেখ কৰি আহিছো যে বিভিন্ন সময়ৰ বিভিন্ন প্ৰেক্ষাপটৰ মাজেৰে আগবাঢ়ি আহোঁতে কোচ-ৰাজবংশী জনগোষ্ঠীটোয়ে নিজৰ আদিম অৱস্থা আৰু সাংস্কৃতিক পৰিভাষা কিছু বিযোজন কৰি, পৰিৱৰ্তিত প্ৰক্ৰিয়াৰ মাজেৰে এক নব্য সাংস্কৃতিক বলয়ৰ নিৰ্মাণ কৰিছে। 'ৰাজবংশী' অৰ্থাৎ ৰজাৰ বংশ এই অভিধাটোৱে কেৱল কোচসকলকে আকৰ্ষিত কৰা নাছিল, তাৰ সমান্তৰালভাৱে চুবুৰীয়া জনগোষ্ঠীসমূহো তাৰদ্বাৰা আকৰ্ষিত হৈছিল আৰু পৰিৱৰ্তনৰ প্ৰক্ৰিয়াটোত অংশগ্ৰহণ কৰিছিল। এই সংক্ৰান্তত দ্বিজেন্দ্ৰ নাথ ভকতে 'অসমৰ কোচ-ৰাজবংশী জনজাতি' গ্ৰন্থখনত এনেদৰে উল্লেখ কৰিছে— 'পণ্ডিতসকলৰ মতে কামৰূপৰ ৰজা কুমাৰ ভাস্কৰবৰ্মনৰপৰা সংস্কৃতায়ন প্ৰক্ৰিয়া আৰম্ভ হ'লেও বৈষ্ণৱ আৰু পৰৱৰ্তী ক্ষত্ৰিয় আন্দোলনে সমাজখনত বহু পৰিৱৰ্তন আনি দিয়ে। যাৰ বাবে ইয়াৰ মূল কথা ক'বলৈ যাওঁতে বহুতো অসুবিধাত পৰিবলগীয়া হয়। সময়ৰ মেৰ পাকত পৰি ৰাজবংশী বা সদৌ কোচ-ৰাজবংশী সমাজখনে মিশ্ৰণ হৈ পৰে বিভিন্ন মঙ্গোলীয়-অমঙ্গোলীয় লোকৰ লগত, যাৰ চিন এতিয়াও জলজল পটপটকৈ পৰিস্ফুট হৈ আছে।'[১৫] এই মিশ্ৰণৰ পৰিঘটনাটোয়ে কোচ-ৰাজবংশী লোক সাহিত্যত নতুন পৰিকাঠামো নিৰ্মাণ কৰিছে। মনকৰিবলগীয়া বিষয়টো এয়া যে অবিভক্ত গোৱালপাৰা জিলাৰ লোক সাহিত্যৰ সমলসমূহ কেৱল কোচ-ৰাজবংশী জনগোষ্ঠীৰ মাজতে সীমাবদ্ধ নহয় সমান্তৰালভাৱে এই ভৌগোলিক পৰিসৰত বসবাস কৰি থকা নাথ, কলিতা, সূত্ৰধৰ, ব্ৰাহ্মণ, কায়স্থ, শীল ইত্যাদিৰ মাজতো সমানে প্ৰচলিত।

অসমৰ কোচ-ৰাজবংশীসকল হৈছে কৃষি প্ৰধান জনগোষ্ঠী। অতীতৰপৰা ভৌগোলিক পৰিৱেশ আৰু বিভিন্ন পাৰিপাৰ্শ্বিক পৰিস্থিতিৰ মাজেৰে আহৰণ কৰা সঞ্চিত অভিজ্ঞতাই আত্মপ্ৰকাশ কৰিছে লোক সাহিত্যৰ মাজেদি। লোকগীতৰপৰা সাধুকথা পৰ্যন্ত , এই জনগোষ্ঠীৰ সাংস্কৃতিক বৰঘৰখন বিশাল আকাৰৰ। কোচ-ৰাজবংশী লোকসাহিত্যৰ অধ্যয়নৰদ্বাৰা এই জনগোষ্ঠীটোৰ নৃ-গোষ্ঠীয় পৰিচয়ৰ সমান্তৰালভাৱে হিন্দু ধৰ্মৰ গ্ৰহণ আৰু তাৰ পৰৱৰ্তী পৰ্যায়ত সাংস্কৃতিক পৰিভাষাসমূহে যে পৰিৱৰ্তনৰ বাট বুলিছে সেয়া স্পষ্ট কৰিব পাৰি। আন আন জনগোষ্ঠীৰ লোক সাহিত্যৰ দৰেই কোচ-ৰাজবংশী লোক সাহিত্যই এই জনগোষ্ঠীটোক সামাজিক ৰীতি-নীতি, উৎসৱ-পাৰ্বণ, প্ৰেম, বিৰহ, প্ৰাকৃতিক পৰিৱেশৰ নান্দনিক প্ৰকাশ, প্ৰকৃতি মানুহৰ সম্পৰ্কক সুন্দৰ ৰূপত দাঙি ধৰিছে। তদুপৰি এক নিৰ্দিষ্ট জৈৱ-আঞ্চলিক পৰিসীমাৰ মাজত নদ-নদী, পাহাৰ-পৰ্বত, হাবি-বন আৰু মানুহৰ সহাৱস্থানৰ সুখ-দুখ, হৰ্ষ-বিষাদ, আনন্দ-উল্লাস ইত্যাদিক সামৰি কোচ-ৰাজবংশী লোক সাহিত্যই এক স্বকীয় সত্তা পৰিগ্ৰহণ কৰিছে। এতিয়ালৈকে কোচ-ৰাজবংশী লোক সাহিত্যৰ ক্ষেত্ৰত যথেষ্টখিনি সংগ্ৰহ আৰু আলোচনা হৈছে। কিন্তু বিস্তৃত পৰিসৰৰ এই মেটমৰা লোক সাহিত্যৰ ভঁৰালটো এক শৃংখলাবদ্ধভাৱে শ্ৰেণীবিভাজন কৰা পৰিলক্ষিত নহ'ল। ঠিক

একেদৰে মালিতাসমূহৰ সংগ্ৰহ আৰু চৰ্চাও প্ৰাথমিক অৱস্থাতে আছে। এতিয়ালৈকে পোৱা তথ্য, অধ্যয়ন আৰু লোক সাহিত্যৰ আন্তৰ্জাতিক বিভাজনৰ[১৬] প্ৰতি লক্ষ্য কৰি কোচ-ৰাজবংশী লোক সাহিত্যক প্ৰধানতঃ চাৰিটা ভাগত ভাগ কৰিব পাৰি— লোকগীত, ফকৰা-যোজনা আৰু সাঁথৰ, মন্ত্ৰ সাহিত্য আৰু সাধুকথা।

## ২.২.১ লোকগীত ঃ—

কোচ-ৰাজবংশী লোকগীতক তিনিটা প্ৰধান ভাগত ভাগ কৰিব পাৰি— (ক) অনুষ্ঠানমূলক লোকগীত (খ) কৰ্ম বিষয়ক (গ) বিবিধ বিষয়ক। এই বিভাজনৰ কিছু আলোচনা উদাহৰণৰ সৈতে তলত আগবঢ়োৱা হ'ল—

**(ক) অনুষ্ঠানমূলক লোকগীত**— যিবোৰ গীত কোনো উৎসৱ পাৰ্বণ বা অনুষ্ঠানত গোৱা হয় তেনে গীতসমূহেই হৈছে অনুষ্ঠানমূলক লোকগীত। কোচ-ৰাজবংশী অনুষ্ঠানমূলক লোকগীত প্ৰধানতঃ দুই প্ৰকাৰৰ- ভক্তি নিৰপেক্ষ আৰু ভক্তি প্ৰধান। ভক্তি নিৰপেক্ষ গীতসমূহৰ ভিতৰত বিষুৱাৰ গীত, অৰি'মাগা গীত, নামাতি গান, ধুৱানীৰ গান, কুশানগান ইত্যাদিক সামৰিব পাৰি। আনহাতে ভক্তি প্ৰধান গীত সমূহৰ ভিতৰত কাৰ্তিকা পূজা, সোনাৰায় পূজা, কড়া-কড়ি পূজা, সাইটল পূজা, সুবচনী পূজা, যকা-পূজা, বুঢ়া-বুঢ়ী পূজা ইত্যাদিক সামৰি ল'ব পাৰি। তলত কিছু এনে উৎসৱৰ গীতৰ আলোচনা দাঙি ধৰা হ'ল—

• **বিষুৱাৰ গীত**— কোচ-ৰাজবংশীসকলৰ বিষুৱা উৎসৱত গোৱা গীতসমূহেই হৈছে বিষুৱাৰ গীত। এই উৎসৱ হৈছে কৃষিজীৱী কোচ-ৰাজবংশী জনগোষ্ঠীৰ প্ৰধান উৎসৱ। মূলতঃ চ'ত আৰু ব'হাগ মাহৰ সংক্ৰান্তিত এই উৎসৱ উদ্‌যাপন কৰা হয়। এই উৎসৱ নানা নীতি- নিয়মেৰে সাত দিন ধৰি পালন কৰা হয়। সেইবাবে বহুতে ইয়াক সাত বিষুৱা বুলিও কয়। 'বিষুৱা' শব্দটো বহুতৰ মতে বিষুৱ ৰেখা বা মহাবিষুৱ সংক্ৰান্তিৰপৰা আহিছে। ঠিক একেদৰে সৰহ সংখ্যকৰ মতে 'বিষ' শব্দৰ লগত 'উৱা' প্ৰত্যয় লগ হৈ 'বিষুৱা' শব্দৰ সৃষ্টি হৈছে। যিয়ে নহওক সাত দিন ধৰি চলা এই উৎসৱত কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে বিভিন্ন খেল-ধেমালি, মাছ ধৰা, চিকাৰ কৰা, পূৰ্ব-পুৰুষক স্মৰণ কৰা, লোক দেৱতাসমূহৰ পূজাৰ লগতে স্বাস্থ্যসন্মত আৰু আধ্যাত্মিক কচৰৎ কৰা পৰিলক্ষিত হয়। পিঠা-পনাকে আদি কৰি মহিলাসকলে প্ৰস্তুত কৰা বিবিধ ধৰণৰ খাদ্য সম্ভাৰ এই উৎসৱত দেখা যায়। সমান্তৰালভাৱে এনে উৎসৱত কিছুমান গীতো গোৱা হয়। তাৰে একাংশ তলত দাঙি ধৰা হ'ল—

লাউ খা বাইগন খা

বছৰে বছৰে বাঢ়ি যা।
বাপো বৰো, মাও বৰো
তুই হহইছ
মোটা তাজো।

গৰুক গা ধুৱাং মুইৰে
হিলৈ-গিলৈ কৰিয়া
পাৰাৰ চেংৰীগিলা চায়ৰে
মোক ৰাখাল বুলিয়া।
পুণ্ডি দিয়া গৰুক ডাঙাং মুইৰে
ধুব পালি তুলিয়া।[১৭]

• **নামাতি গান** — নামাতি গীতসমূহ হৈছে মূলতঃ কোচ-ৰাজবংশীসকলৰ বিয়াত গোৱা গীত। এই গীত সাধাৰণতে বিবাহিতা আৰু আদহীয়া মহিলাসকলে গোৱাৰ নিয়ম। দল গঠনত পাঁচজন সদস্য থাকিব লাগিব, যাক পাঁচ বৈৰাতী বুলি কোৱা হয়। দলৰ মূল গায়কজনক গীদালী বুলি কোৱা হয় আৰু ইয়াৰ প্ৰধান সহকাৰীজনী দাইনাপালি আৰু বাকীবোৰ সদস্য। এই গীত গোৱাৰ সময়ত কোনো বাদ্য যন্ত্ৰ ব্যৱহাৰ কৰা নহয়। কিছুমানৰ মতে এই গীতৰ গায়িকাসকলে বিয়াৰ দৰা-কইনাকে আদি কৰি আত্মীয় স্ব-জনক নামধৰি মতাৰ কাৰণে এনে গীতক নামাতি গান বুলি কোৱা হয়। এনে গীতত প্ৰধানতঃ দৰা-কইনাক গা ধোৱা, তেল চড়োৱা, ৰভাতলীত কইনা উলিয়াই দিয়া, আখৈ চটিওৱা, দৰা-কইনাৰ কড়ি খেলা ইত্যাদিৰ উপৰিও দৰা কইনা উভয়ে উভয়ৰ সহিতে জোকোৱা বা ৰং ধেমালি কৰা পৰিলক্ষিত হয়। এনে গীতৰ এটা উদাহৰণ দাঙি ধৰা হ'ল—

নাকান্দিস নাকান্দিস কইনা
ওচৰতে ঘৰ।
দিন্নে দেখা বৰ।।
বাপে কৈছিল নেদং নেদং।
মায়ে খাইসে মনে
হাওয়া খাওয়াৰ আলে-ছালে

আইছিল ঘনে ঘনে।[১৮]

**• অ'ৰি মাগা গীত**— কোচ-ৰাজবংশীসকলৰ এক অন্যতম লোক উৎসৱ হৈছে 'অ'ৰি'। আঘোণ মাহৰ পূৰ্ণিমা তিথিত গাঁওৰ সমনীয়াসকলে সন্ধিয়াৰ সময়ত লগ হৈ ঘৰে ঘৰে গীত গাই মাগি ফুৰে। কঙাল কাতি মাহৰ বিদায় আৰু এই সময়ছোৱাত মহৰ উৎপাত নিৰ্মূল কৰাৰ কাৰণে এনে গীতসমূহ ঘৰে ঘৰে পৰিৱেশন কৰা হয়। অ'ৰিৰ গীত গাই মাগি ফুৰাৰ বাবে এনে গীতক অ'ৰি মাগা গীত বোলা হয়। এনে গীতৰ একাংশ তলত দাঙি ধৰা হ'ল—

অ'ৰি অ'ৰি ছাগল বান্ধা ধৰি
হায় ম'শো তেলেলেও
বাৰ বাতি জ্বলে দেয়
চৈতান গাছেৰ প'য়টা
ম'শো মাৰিলুং ছয়টা[১৯]

অনুষ্ঠানমূলক ভক্তি নিৰপেক্ষ গীতসমূহৰ দৰে ভক্তিমূলক লোকগীতসমূহেও অতীতৰেপৰা কোচ ৰাজবংশী লোকসকলৰ মাজত এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। মূলতঃ পূজা পাৰ্বণকেন্দ্ৰিক গীতসমূহকে ভক্তিমূলক লোকগীতৰ মাজত সামৰিব পাৰি। কোচ-ৰাজবংশী জনগোষ্ঠীৰ মাজত সন্তান কামনা কৰি, শস্য বৃদ্ধি আৰু পশু ধন ৰক্ষাৰ্থে কিছুমান লোকদেৱতাক পূজা কৰাৰ পৰম্পৰা পূৰ্বৰে পৰাই চলি আহিছে। এই লোকদেৱতাসমূহক পূজা বা উপাসনা কৰাৰ সময়ছোৱাত কিছুমান গীত পৰিৱেশন কৰা হয়। এনে গীতসমূহকে অনুষ্ঠানমূলক ভক্তি প্ৰধান গীত বুলি কোৱা হয়। কেতিয়াবা এনে গীতসমূহৰ মাজেদি একোটা আখ্যান বা কাহিনী বৰ্ণনা কৰা থাকে। এনে আখ্যান প্ৰধান গীতসমূহ কেচ্চাবন্দী গীত বুলিও জনাজাত। তলত এনে কিছু পূজা পাৰ্বণকেন্দ্ৰিক লোক উৎসৱৰ লগতে গীতসমূহ দাঙি ধৰা হ'ল—

**• কাৰ্তিকা পূজা**— কোচ-ৰাজবংশী জনগোষ্ঠীৰ লোকসকলে এই উৎসৱ মূলতঃ সন্তান কামনা আৰু শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে পালন কৰি আহিছে। এই পূজা মহিলাকেন্দ্ৰিক আৰু পুৰুষ বৰ্জিত। কাতি মাহৰ সংক্ৰান্তিৰ দিনা এই পূজা কৰা হয়। কিন্তু আঘোণ মাহতো এই পূজা কৰা মাজে সময়ে পৰিলক্ষিত হয়। কাৰ্তিকা পূজা মূলতঃ দুটা পৰ্যায়ত ভাগ কৰিব পাৰি— প্ৰথম ভাগত শিৱ-চণ্ডীৰ মিলন, সহবাস আৰু কাৰ্তিকৰ জন্ম আৰু দ্বিতীয় ভাগ কৃষি কৰ্ম বিষয়ক। প্ৰথম ভাগৰ গীতখিনিৰ একাংশ তলত দিয়া ধৰণৰ[২০]—

'স্নান— হাটু পানীত নামিল চণ্ডী হাটু কইল্লো শুধ।
কমোড় পানীত নামিল চণ্ডী কমোৰ কইল্লো শুধ।
হিয়া পানীত নামিল চণ্ডী দিল পঞ্চ ডুব।
শৃংঙ্গাৰ — চণ্ডীৰ মাও বুঢ়া শিৱেৰ মন্দিৰ সোন্দাইল।
সোন্দেয়া শিবেৰ সাথে পাণ-তাম্বুল খাইল।।
হাসিতে খেলিতে ৰাতি পোয়া গেইল।
ঐ ডুবে ঐ স্নানে কার্ত্তিক গর্ভ হহই।
কার্তিকৰ জন্ম—আট মাস হৈল চণ্ডী চলিতে নাপাৰে।
নয় মাস হহইল ছেলে ওলট পালট কৰে।
দশ মাস দশ দিনে ছেলে ভূমিত পৰিল।'

দ্বিতীয় পর্যায়ত মূলতঃ কৃষিকর্ম দিশটো ৰূপায়ন কৰা হয়। যিহেতু এই পূজাত পুৰুষৰ প্ৰৱেশ নিষেধ গতিকে মহিলা এগৰাকীয়ে মূৰত 'ফালি' অৰ্থাৎ পাগুৰি মাৰি হাতত নাঙল-যুঁৱলি লৈ দুগৰাকী নাৰীক প্ৰতীকাত্মক ৰূপত আঠু কঢ়াই হাল জোৰে। ঠিক সেই সময়তে বাঘ ওলায় আৰু হালৰ গৰুযোৰ লৈ যায়। বাঘ দেখি চাৰিওফালে হুৱা-দুৱা লাগে আৰু উপস্থিত ৰাইজে হাতত লাঠি-জোং লৈ বাঘ খেদি গৰুহাল উদ্ধাৰ কৰে আৰু পুনৰ হাল বোৱা, ধান ৰোৱা, ধান কটা, মৰণা-মৰা, ভঁৰালত ধান ৰখা ইত্যাদি বিষয়সমূহ প্ৰতীকাত্মক ৰূপত ৰূপায়ন কৰা হয়। এনে অনুষ্ঠানত নৃত্য-গীত, সংলাপ, অভিনয় ইত্যাদিৰ সমাহাৰ ঘটালৈ লক্ষ্য কৰি ইয়াক লোক-নাট্যৰ গণ্ডীতো সামৰিব পাৰি। দ্বিতীয় পর্যায়ত গোৱা গীতৰ একাংশ তলত দাঙি ধৰা হ'ল[২১]—

সামাৰ বেটা মামাৰে
গৰু নিয়া গেইল বাঘেৰে
নিয়া গেইলতা নিয়া গেইল
আগা হালেৰে গৰু ৰে...।।

• **সোণাৰায় পূজাৰ গীত**— কৃষিজীৱি কোচ-ৰাজবংশীসকলৰ এক অন্যতম প্ৰধান লোক উৎসৱ হ'ল সোণাৰায় পূজা। আদিম কোচসকল সাধাৰণতে হাবি-জংঘলত বসবাস কৰিছিল; য'ত অন্যান্য শংকাৰ লগতে বাঘে পশুধনৰ বিশেষ অনিষ্ট সাধন কৰিছিল। গতিকে এনে বিপদৰপৰা হাত সাৰিবলৈ সামূহিকভাৱে বাঘ পূজা কৰা হৈছিল। এনে বাঘ পূজাৰপৰাই সোণাৰায় পূজাৰ উৎপত্তি। তলত এনে গীতৰ একাংশ দাঙি ধৰা হ'ল—

হামাৰ দেশত ভাই বাঘেৰ বড় কাম।
ধানবাড়ী নাযায় হামাৰ কামলা কিষ্যান।
কামালা কিষ্যান যদি যায় ধান বাড়ী।
বুড়া বাঘ পিট্টি দাবৰে আনে বাড়ী
কাৰ বাড়ীৰ হালুৰা যদি পোঞাতে জোৰে হাল।
বাঘেৰ গোন্ধে গৰু পালায় ভাঙ্গিয়া জোয়াল।।
নাঙ্গল ভাঙ্গিল জোঙ্গাল ভাঙিল আৰ ভাঙিল ইস।
দুই ভিতি গৰু পালায় হালুয়ায় নাপায় দিশ।।[২২]

• **সুবচনী পূজাৰ গীত**— সুবচনী পূজা হৈছে কোনো কাম আৰম্ভ কৰাৰ আগতে কৰা এক মাংঙ্গলিক কাৰ্য। এই পূজা ধুবুৰী অঞ্চলৰ কোচ-ৰাজবংশীসকলৰ মাজত অধিক প্ৰচলিত। এই পূজা হৈছে নাৰীকেন্দ্ৰিক। বিশেষভাৱে শনিবাৰ নতুবা মঙ্গলবাৰ দিনা ৰাতিপুৱাৰ ভাগত এই পূজা কৰা হয়। এই পূজাত বিশেষভাৱে কিছুমান গীত পৰিৱেশন কৰাৰ সমান্তৰালভাৱে কেচ্চা(সাধুকথা) কোৱাৰ নিয়ম। গীত বা কেচ্চা এটাৰ শেষত ঢাকুৱাৰ ঢাক বজোৱা আৰু উপস্থিত তিৰোতাসকলে উৰুলি দিয়া এই পূজাত অন্যতম নিয়ম। এনে অনুষ্ঠানত পৰিৱেশন কৰা গীতৰ একাংশ এনে ধৰণৰ—

গুয়াৰে গুয়া সুবচনী গুয়া
আৰো মদন কামেৰ নাড়ু
খাও গুয়া সই দেও আৰো মেলানি।
আতপ চাউল কাঁচাগুয়া কদলিৰো ফল
পুৰাণে শুনিয়াছি বিদিত ভূবন।[২৩]

• **মদন কামদেৱ গীত**— কোচ-ৰাজবংশীসকলৰ মাজত প্ৰচলিত আন এক লোক অনুষ্ঠান হ'ল মদন কামদেৱৰ পূজা। এই লোক অনুষ্ঠানত গোৱা গীতবোৰে হৈছে মদন কামদেৱৰ গীত। এই লোক অনুষ্ঠানটো পালন কৰা হয় উৰ্বৰতা আৰু প্ৰজননৰ কাৰণে। নিঃসন্তান দম্পতীয়ে সন্তান কামনা কৰি এনে অনুষ্ঠানত সেৱা আগবঢ়ায়। নিৰ্বাচিত বাঁহ এডালক সৃজন, পূজন কৰাৰ লগতে পুৰুষৰ লিংগক প্ৰতীকাত্মক ৰূপত এনে লোক উৎসৱত প্ৰজননৰ ধাৰণাটো ৰূপায়ন কৰা হয়।

মদন কামদেৱৰ পূজা কৰোঁতে পৰ্ব অনুসৰি কিছুমান গীত পৰিৱেশন কৰা হয়। তেনে গীতৰ কিছু অংশ এনেধৰণৰ—

আগাল খান ফেলালু বাঁশেৰ আগালি বুলিয়া,
গুৰুৱা খান ফেলালু মই গুৰুৱা বুলিয়া।।
(আৰ) মধ্যখান নিলুং বাঁশেৰ, মদন-কাম বুঁলিয়া
উজান থাকি আইল মেছ্নী হাতে লোহাৰ খাৰু।
সেই মেছ্নী তৈয়াৰ কৰিলে মদন-কামেৰ নাৰু।।[২৪]

এইদৰে পৰ্যালোচনা কৰিলে দেখা যায় কোচ-ৰাজবংশীসকলৰ অনুষ্ঠানমূলক লোকগীতসমূহে বিশেষভাৱে অতীত পৰম্পৰা, ৰীতি-নীতি, প্ৰকৃতিৰ উৰ্বৰতা, প্ৰজনন ইত্যাদি বিষয়সমূহ প্ৰতিনিধিত্ব কৰে। 'নামাতি গান'ত পাৰম্পৰিক সামাজিক মিলনৰ সকলো নিৰ্ধাৰিত আচাৰ নীতি, পৰ্বসমূহ সামৰি লোৱা যিদৰে দেখা যায়, ঠিক অনুৰূপভাৱে 'বিষুৱাৰ গীত' সমূহত মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্ক, সহাৱস্থানৰ লগতে আধ্যাত্মিক আৰু স্বাস্থ্যসন্মত বিধিৰ অনুশীলনৰ কথা অৱগত কৰায়। সমান্তৰালভাৱে জড়িত হৈ আছে লোক বিশ্বাসসমূহ। কাৰ্তিকা উৎসৱৰ গীতসমূহত পৃথিৱীৰ উৰ্বৰতা লগতে মানুহ আৰু শস্যৰ প্ৰজননৰ কথা আলোকপাত কৰা দেখা যায়। বিৱৰ্তনৰ পৰিঘটনাসমূহত প্ৰজনন আৰু তাৰ বিকাশে এক অন্য ভূমিকা পালন কৰি আহিছে। গতিকে এনে গীতসমূহত যিদৰে জনসমষ্টি একোটাৰ উদ্দেশ্য আৰু মনোৰঞ্জৰ কথাসমূহ জড়িত হৈ থাকে, ঠিক একেধৰণে সৃষ্টিমূলক কাৰণসমূহৰো বাৰ্তা বাহক বুলি কব পাৰোঁ। অতি তাৎপৰ্যপূৰ্ণ কথাটো হৈছে যে সোণাৰায় পূজাৰ গীতৰ লগতে এনে আন কিছু পূজাৰ গীতসমূহে কোচ-ৰাজবংশী জনগোষ্ঠীৰ আদিম নৃ-গোষ্ঠীয় সত্তাক আজিৰ পৰ্যায়ত অক্ষুন্ন ৰখা পৰিলক্ষিত হয়। কড়া-কড়ি পূজা, সাইটল পূজা, যকা পূজাসমূহতো সন্তান বিচাৰি নিঃসন্তান দম্পতীয়ে কৰা পূজা, মাঙ্গলিক কাৰ্য আদিক লৈ গীত আৰু কেচ্চা কোৱাৰ প্ৰচলন আছে।

**(খ) কৰ্ম বিষয়ক**— কৰ্ম বিষয়ক লোকগীতসমূহৰ ক্ষেত্ৰটো কোচ-ৰাজবংশী জনগোষ্ঠী যথেষ্ট চহকী। মূলতঃ কাম কৰাৰ সময়ত শ্ৰম লাঘৱ আৰু মনোৰঞ্জনৰ কাৰণে এনেধৰণৰ গীত গোৱাৰ প্ৰথা অতীতৰপৰাই চলি আহিছে। কোচ-ৰাজবংশীসকল প্ৰধানতঃ কৃষিজীৱি। কৃষি কৰ্মৰ লগত জড়িত থকা আৰু তাৰ লগতে ঘৰুৱা কাম বন ইত্যাদিক সামৰি বহুতো কৰ্ম বিষয়ক গীত কোচ-

ৰাজবংশীসকলৰ মাজত প্ৰচলিত হৈ আছে। বিশেষকৈ নিন্দালি গান (নিচুকনী গীত), খেলাৰ গান, ঘৰ, চোতালসাৰা গীত, ৰান্ধা-বঢ়াৰ গীত, ধানবানা গীত ইত্যাদি অন্যতম। বিভিন্ন জাতি জনগোষ্ঠীৰ দৰে কোচ-ৰাজবংশী জনগোষ্ঠীৰ মাজতো শিশুক টোপনি নিয়াবৰ কাৰণে নিন্দালি বা নিচুকনী গীত গোৱা হয়—

আয় নিন যায় নিন
বংশী পাৰা দিয়া
আমাৰ মাইঞ (বা বাপৈ) নিন যায়
কেতা ঘোমৰ দিয়া।[২৫]

একেদৰে শিশুৰ পৰম্পৰাগত আদিম খেলৰ সৈতে বিভিন্ন গীত কোচ-ৰাজবংশীসকলৰ মাজত প্ৰচলিত আছে। শাৰীৰিক কাম বা কচৰৎ আৰু মনোৰঞ্জনৰ কাৰণে খেলাৰ সময়ত গীতবোৰ গোৱাৰ কাৰণে এনে গীতকো কৰ্ম বিষয়ক গীতত অৰ্ন্তভূক্ত কৰা হৈছে। পৰম্পৰাগত খেলসমূহৰ ভিতৰত আমোল-ডিমল, কইনা থোৱা, ৰসকস খেল, ইচা বিচা খেল, কাণা মাছি খেল, ঝৰিত নাচা গীত, আগাডুম বাগাডুম খেল ইত্যাদিক সামৰি লব পাৰি। এই খেলসমূহ খেলোঁতে বিভিন্ন ধৰণৰ গীত গোৱা হয়। তাৰে কিছু গীত দাঙি ধৰা হ'ল—

কইনা থোৱা খেলৰ গীত—

উলু উলু মাদাৰেৰ ফুল
কইনাৰ বাৰী কতদূৰ
ছাতা ধৰো টানিয়া
ছাতাৰ উপৰা গামছা
তিনো বইনীৰ তামসা।[২৬]

ৰসকস খেলৰ গীত—

ৰস কস সিংৰা
বুল বুলি মস্তব।[২৭]

ইচা বিচা খেলৰ গীত—

ইচা বিচা চান চিকা

চানেৰ গোৰে গোৰ
আইলত ৰাতি সঙ্গ সাথি
গুবৰি বৰো চোৰ।[২৮]

সমান্তৰালভাৱে কৃষিজীৱি কোচ-ৰাজবংশীসকলৰ মাজত দৈনন্দিন কাম বন কৰোঁতে বিভিন্ন গীত গোৱা পৰিলক্ষিত হয়। ৰন্ধা-বঢ়া কৰাৰ সময়ত কোচ-ৰাজবংশী মহিলা এগৰাকীয়ে গোৱা একাংশ গীত এনেধৰণৰ—

অ' মোৰ ভাউজীয়ে কয়
অ' মোৰ ননদে কয়
মই ৰান্ধোন জানংনা।
কচু শাক পাক কৰিয়া দিছং
তাত নাইদং আদা হায়...ৰে।
তাৰ জন্যে মাৰিলে
ছটো ঠাকুৰেৰ দাদাৰে।[২৯]

**(গ) বিবিধ বিষয়ৰ গীত** — কোচ-ৰাজবংশী লোকগীতৰ বিবিধ বিষয়ক গীতৰ ভিতৰত দেহাবিচাৰৰ গীত, নয়নাশ্বৰীৰ গীত, বাৰমাহী গীত ইত্যাদি বহু গীতক সামৰিব পাৰি। দেহবিচাৰ গীতসমূহত মূলতঃ পাৰ্থিৱ জীৱ-জগত, জীৱনৰ হা-হুতাশ ইত্যাদি বিষয়সমূহ প্ৰতীকাত্মকভাৱে দাঙি ধৰাৰ লগতে পৰমাত্মাৰ লগত মিলনৰ বাসনা স্পষ্ট। 'বগা কান্দে' তেনে এক দেহবিচাৰৰ গীতৰ কিছু অংশ তলত দিয়া হ'ল—

ফান্দতে পৰিয়া বগা কান্দেৰে।।
ফান্দ পাৰায় ফান্দি ভাই পুঠি মাছ দিয়া।
মাছেৰ লোভে আসিয়া বগা, পৰে উৰাও দিয়া।।
ফান্দতে পৰিয়া বগা কৰে টানা টুনা।[৩০]

বাৰমাহী গীতবোৰত সাধাৰণতে বণিজলৈ যোৱা স্বামীৰ অনুপস্থিতিত বছৰৰ বাৰটা মাহত প্ৰেম-বিহ্বল পত্নীয়ে বিভিন্ন প্ৰাকৃতিক পৰিৱেশৰ মাজত অকলে থাকি কিদৰে স্বামীৰ অভাৱ অনুভৱ কৰে তাক এনে গীতসমূহৰ মাজত প্ৰকাশ পোৱা দেখা যায়। কোচ-ৰাজবংশী লোকগীতসমূহত

এনে গীতবোৰে বিশেষ স্থান দখল কৰি আছে। তেনে এটি গীত তলত দাঙি ধৰা হ'ল—

আজি বাণিজ্যে নাযাইস মোৰ সাধুৰে।
বৈশাগ জেষ্ঠ মাসে ঝৰ পাথৰ তুফান আইসে।
প্ৰাণ সাধু আমি আৰ আৰ কতই ৰব পন্থেৰ দিকে চায়া।
আষাঢ়-শ্ৰাৱণ মাসে পানী পৰে মধুৰ ৰসে।
প্ৰাণ সাধু আমি কতই ৰব চাঞ্চালা মাথায় দিয়া।।
ভাদৰ আশিন মাসে তুমি গেলেন পৰবাসে।
প্ৰাণ সাধু আমি কত ৰব আৰ পৰাৰ মুখ চায়া।।
সাধু যদি কৰ পৰবাস পৰাক নাকৰিস আশ।
প্ৰাণ সাধু তুমি আপোন হস্তে ৰান্ধিয়া খাবেন ভাত।।[৩১]

বিবিধ বিষয়ক গীতৰ ভিতৰত অন্যতম হৈছে 'ভাৱাইয়া' গীতসমূহ। কোচ-ৰাজবংশীসকলৰ মাজত প্ৰচলিত ভাৱাইয়া গীত হ'ল মূলতঃ প্ৰেম বিৰহৰ গীত। এই প্ৰেম আৰু বিৰহ কিন্তু ডেকা-গাভৰুৰ মাজৰ নহয়, বিবাহিতা নাৰী আৰু পুৰুষৰ হে মিলনৰ দুৰ্বাৰ ইচ্ছাক প্ৰতিফলিত কৰিছে। নামৰ ক্ষেত্ৰত বহুতে ভাওয়াইয়া, ভাওইয়া, ভাৱাইয়া বুলি কয়। 'শিৱানন্দ শৰ্মাই ভাওয়াইয়াৰ ঠাইত এনে গীতৰ নাম ভাৱাইয়া বুলি ক'লে হে বেছি অৰ্থপূৰ্ণ হ'ব বুলি দোহাৰিছে। তেওঁৰ মত অনুসৰি 'ভাওয়াইয়া' নামটোৱে গীতৰ অৰ্থৰ বিসংগতিহে কৰিব। কাৰণ এনে গীতত ভাও নহয়, ভাৱৰ অৰ্থাৎ ভাৱানুভূতিৰহে প্ৰতিফলন ঘটে।'[৩২] এনে গীতৰ জনপ্ৰিয়তা কেৱল অসমতে সীমাৱদ্ধ নহয়, সমান্তৰালভাৱে ভাৰতবৰ্ষৰ বিহাৰ, উত্তৰ বংগ, মেঘালয়ৰ লগতে নেপাল, বাংলাদেশ ইত্যাদি ঠাইতো সমানে জনপ্ৰিয়। এনে গীতৰ সম্পৰ্কত দ্বিজেন্দ্ৰ নাথ ভকতে কৈছে— 'যি গীতে প্ৰাণৰ আবেগ, আকাংক্ষা, হৰ্ষ-বিষাদ আদিক শ্ৰোতালৈ অপেক্ষা নকৰি অকল প্ৰকৃতিৰ ওচৰত আত্মসমৰ্পণ কৰি স্বৰ্তঃস্ফুৰ্তভাৱে ফুটাই তোলে তাকে কোৱা হয় ভাওয়াইয়া গান।'[৩৩] দৰাচলতে কোচ-ৰাজবংশী লোকগীতৰ প্ৰেম বিৰহৰ এই গীতসমূহক দুটা ভাগত বিভক্ত— ভাৱাইয়া আৰু চট্‌কা। বীৰেন্দ্ৰনাথ দত্ত-এ ভাৱাইয়া গীতৰ সংক্ৰান্তত কৈছে—"ভাৱাইয়া গীতৰ মূল ৰস কৰুণ আৰু এইবোৰৰ সৰহ ভাগতে প্ৰতিফলিত হৈছে বিবাহিতা নাৰীৰ অপূৰ্ণ কামনা, বাঞ্ছিত জনৰ সংগ লাভৰ অদম্য বাসনা, কিছুমানত আছে স্বামীৰ প্ৰতি স্ত্ৰীৰ আসক্তিৰ প্ৰতিফলন আৰু আন কিছুমানত ব্যক্ত হৈছে পুৰুষসংগ লাভৰ বাবে মদন-পীড়িতা, অবিবাহিতা বা অকাল বিধৱা যুৱতী নাৰীৰ অন্তৰৰ আকূতি। বহু গীতত

আকৌ দেওৰা-ভাউজী অৰ্থাৎ দেওৰেক-নবৌয়েকৰ মাজত সহজ অথবা গুপ্ত আসক্তিজনিত অনুৰাগ জীৱন্ত হৈ উঠিছে।"[৩৪] ভাৱাইয়া গীতসমূহৰ ভিতৰত মাহুত, গাড়ীয়াল, বাইষাল, মাইষাল, কালাৰ গান সাধুৰ গান ইত্যাদিক সামৰিব পাৰি। গীতসমূহৰ নামৰ পৰা এইটো স্পষ্ট যে স্বতঃস্ফূৰ্তভাৱে এই গীতসমূহ সাধাৰণ খাঁটি খোৱা জনতাৰপৰা উঠি আহিছে। অধিকাংশ গীততে নাৰীৰ প্ৰাধান্য মনকৰিবলগীয়া। যৌৱনপ্ৰাপ্ত নাৰী, বিবাহিতা, অবিবাহিতা আৰু বিধৱা মহিলাৰ মনৰ অভিব্যক্তি ব্যঞ্জিত হৈ উঠিছে পুৰুষ চৰিত্ৰক কেন্দ্ৰ কৰি। একেদৰে নৈপৰীয়া কঁহুৱা ফুল, চৰণীয়া পথাৰ, মৈষালৰ বাথান, মাহুতৰ হাতী, অৰণ্য ইত্যাদি প্ৰসঙ্গসমূহো ভাৱাইয়া গীতত সজীৱ হৈ উঠিছে। লগতে সামন্তবাদী সমাজ ব্যৱস্থা এখনৰো চিত্ৰ আমি এনে গীতসমূহৰ মাজত পাওঁ। দেখা যায় ন বিবাহিতা কন্যাক বিয়া পাতি অনাৰ পিছদিনাই জমিদাৰৰ নিৰ্দেশত হাতী ধৰিবলৈ মাহুতে হাবিলৈ আৰু মৈষালে বাথানলৈ উভতি যাব লগা হয়। জীৱিকাৰ তাড়না আৰু নিৰ্দেশৰ তাগিদাত মাহুত আৰু মাইষাল ন বিবাহিতা পত্নীক ঘৰত থৈ কৰ্তব্যলৈ যায়। এনে প্ৰেক্ষাপটত ন বিবাহিতা নাৰীৰ মানসিক স্থিতি মাহুতৰ গীতত বৰ্ণিত হৈছে এইদৰে—

আৰে দান্তাল হাতীৰ মাহুতৰে
দেশেৰ মাহুত চলিয়া যায়;
নাৰীৰ মন মোৰ পুৰিয়া ৰয়ৰে।
মাও চাৰলং বাপ চাৰলং, চাৰলং ভবেৰ বাৰী,
গোৱালপাৰা চাৰিয়ে আসলং ৰে, সখি অল্প বয়সেৰ নাৰী।।
চম্পা ফুলেৰ ডালে ডালে কাজোল ভোমোৰা উৰে,
যি নাৰীৰ পুৰুষ নাইৰে, তাৰ ৰূপে কি কাম কৰে।।[৩৫]

ঠিক একেদৰে মৈষালৰ গীততো আমি পাওঁ—

অ' মৈষাল অ'
তোমাৰাহা মৈষাল চাকৰিতে যাইচান
মোৰ জ্বলিছে হিয়া,
আৰ কত কাল ৰুইবৰে যৈবন
আঞ্চলে বাঁধিয়াহা মৈষাল অ'।[৩৬]

লগতে 'ভাৱাইয়া' গীতৰ মাজেদি কোচ-ৰাজবংশী জনগোষ্ঠীৰ অতীতৰ সামাজিক স্থিতি,

অৰ্থনৈতিক অৱস্থা ইত্যাদিৰ কথাও উমান পাব পাৰি। এই ক্ষেত্ৰত শিৱানন্দ শৰ্মাৰ মন্তব্য মনকৰিবলগীয়া— "এই গীতে এনে এখন সমাজৰ ইংগিত দিয়ে যি সমাজত আৰ্যসংস্কৃতিৰ প্ৰভাৱ অতি ক্ষীণ আছিল যেন লাগে। সেই সমাজত মনে-চিতে মিলাজনৰ লগত অবাধ মিলনৰ সামাজিক বন্ধন বৰ শিথিল আছিল যেন অনুমান হয়।"[৩৭] লগতে তেওঁ উক্ত সমাজ ব্যৱস্থাৰ ঐতিহাসিক সমাজতাত্ত্বিক অধ্যয়নৰ পোষকতা কৰিছিল।

**২.২.২ ফকৰা-যোজনা আৰু সাঁথৰ** —

লোক সাহিত্যৰ এক অন্যতম ভাগ হৈছে ফকৰা-যোজনা বা প্ৰবাদ প্ৰবচনসমূহ। এইবোৰ হৈছে অতীতৰ অভিজ্ঞতাৰ সঞ্চিত ৰূপ। সমাজ ব্যৱস্থা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ৰাজনীতি, অৰ্থনীতি, কৃষি কাৰ্যৰ লগতে গৃহস্থৰ জীৱনৰ বিভিন্ন দিশৰ দিহা পৰামৰ্শ এনে ফকৰা-যোজনা বা প্ৰবাদ প্ৰবচনসমূহত লুকাই থকা দেখা যায়। ফকৰা যোজনা বা প্ৰবাদ প্ৰবচনসমূহক তলত দিয়া বৈশিষ্ট্যসমূহৰ মাজত পাওঁ[৩৮]—

(ক) ফকৰা-যোজনা বা প্ৰবাদ প্ৰবচনসমূহ একোটাকৈ সংক্ষিপ্ত কিন্তু পূৰ্ণাঙ্গ বাক্য।

(খ) এইবোৰৰ উদ্ভৱত লোকৰ অভিজ্ঞতা জড়িত হৈ থাকে।

(গ) বাচ্যাৰ্থ নহয় ব্যঞ্জনাই হ'ল এনে প্ৰবাদ প্ৰবচনৰ মূল অৰ্থ।

(ঘ) এইবোৰৰ স্বাধীন সত্তা আছে কিন্তু স্বাধীনভাৱে প্ৰয়োগ নহয়। প্ৰবাদসমূহে বক্তব্যক, তীক্ষ্ণ যুক্তিক সবল আৰু প্ৰকাশক অৰ্থবহ কৰি তোলে।

(চ) এইবোৰৰ মূল হৈছে ঐতিহ্য সম্পন্ন। ঐতিহ্যৰপৰা ৰস আহৰণ কৰি প্ৰবাদ অৰ্থপূৰ্ণ হৈ উঠে আৰু ভাষাৰ মাজত প্ৰবাহমান থাকি তাক প্ৰাণৱন্ত কৰি তোলে।

কোচ-ৰাজবংশী লোক সাহিত্যও ফকৰা-যোজনা বা প্ৰবাদ প্ৰবচনৰদ্বাৰা বিশেষভাৱে সমৃদ্ধ। মনকৰিবলগীয়া কথাটো হৈছে কোচবিহাৰকেন্দ্ৰিক আঞ্চলিক ভাষাৰ বহুল প্ৰয়োগে এই প্ৰবাদ প্ৰবচনসমূহক এক ভিন্ন সুৰীয়া মাদকতা প্ৰদান কৰিছে। কোচ-ৰাজবংশীসকলৰ কিছু ফঁকৰা যোজনা বা প্ৰবাদ প্ৰবচন দাঙি ধৰা হ'ল[৩৯]—

ক. অধিক ঢাঙা নাহইস বাতাসে হেলায়
অধিক খাটা নাহইস বেঙে নাদোয়ে।

খ. অভাবে স্বভাব নষ্ট, কুল নষ্ট ভোজনে;
চেঙেৰীৰ টানে চেঙৰা নষ্ট, বুঢ়া নষ্ট চোবনে।

গ. আটো জাগা ঘনো ভাসুৰ

পাক পাৰে মামা শশুৰ।।

ঘ. আদা নাখায় সটি খায়

সটিৰ গোন্ধে মৰি যায়।।

ঙ. এচা নেন্দে পেঁচা নেন্দে

স্বৰ্গে নেন্দে তাৰা।

নিজে হৈল ভাকুৰা গালি

ভাতাৰক কয় টেৰা।

সাঁথৰসমূহক কোচ-ৰাজবংশী মানুহে 'শ্লোক-ছিলকা' বুলি কয়। 'যি বাক্যৰ দ্বাৰা এটি মাত্ৰ ভাৰ ৰূপকৰ সহায়ত প্ৰশ্ন আকাৰে প্ৰকাশ কৰা হয় তাকে সাঁথৰ বোলে। গঠন ভঙ্গীৰ ফালৰপৰা সাঁথৰ আৰু প্ৰবাদৰ মাজত বিশেষ কোনো পাৰ্থক্য নাই, উভয়ে সংক্ষিপ্ত, পদ্যৰদ্ধ সৰস ৰচনা আৰু দুয়োৰে অৰ্থ প্ৰত্যেক্ষভাৱে প্ৰকাশ নহয়। দুয়োটায়ে কেৱল মাত্ৰ গৌণভাৱে প্ৰকাশ পায়। সাঁথৰৰ এটি গোপনীয় অৰ্থ থাকে তাক বুদ্ধিৰ সহায়ত বুজি ল'ব লাগে।'[৪০] কোচ-ৰাজবংশী সাঁথৰৰ উদাহৰণ - (ক) আলি আলি যায় মাথা দাঙি চায়। উত্তৰ- বেজি[৪১]

(খ) আকাশ হাতে পইল, চেপটা নাগি ৰইল। উত্তৰ- গোবৰ[৪২]

### ২.২.৩ মন্ত্ৰ সাহিত্য

আদিম মানুহৰ মাজত জীয়াই থকাৰ বাবে চিকাৰ সংগ্ৰহৰ অনিবাৰ্য অনুভাবনা আৰু একেলগে আত্মৰক্ষাৰ দুৰ্দমনীয় তাগিদাত উদ্ভৱ হয় মন্ত্ৰৰ। দুৰ্লঙ্ঘ্য সমূদ্ৰ-পৰ্বত-মৰু, হিংস্ৰ জন্তু জানোয়াৰ, বহু বৈচিত্ৰময় প্ৰকৃতিৰ কোমল আৰু ভয়াল প্ৰতিমূৰ্তি, দেৱ-দানৱ-ভূত প্ৰেত প্ৰভূতি নৈসৰ্গিক, শক্তিসমূহ নানা ধৰণৰ ৰোগ ব্যাধি মৃত্যু আদিৰ মাজেদি জীয়াই থকাৰ অন্যতম আহিলা হিচাপে আৱিস্কাৰ হৈছে মন্ত্ৰৰ। মন্ত্ৰৰ প্ৰচলন কেতিয়াৰ পৰা আৰম্ভ হৈছিল তাক সঠিক কৈ কোৱা টান। অকল মুক্তি বা মোক্ষ লাভৰ বাবে নহয়, অসহায় মানুহে তেওঁলোকৰ নিত্য নৈমিত্তিক জীৱনৰ সকলো দুঃখ যন্ত্ৰণাৰ পৰা অব্যাহতি পোৱাৰ মানসেৰে যেতিয়া কোনো অলৌকিক শক্তিৰ আশ্ৰয় লাভ কৰিছে, তেতিয়া তেওঁলোকে সেই শক্তিক আহ্বান কৰাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিবলৈ লৈছে দুৰ্ভেদ্য শব্দ সম্ভাৰৰ। কালক্ৰমত এই প্ৰহেলিকাময় শব্দবোৰেই ৰূপ লৈছে মন্ত্ৰৰ।[৪৩]

কোচ-ৰাজবংশী লোক সাহিত্যৰ মাজতো তন্ত্ৰ-মন্ত্ৰৰ এক বিশেষ স্থান আছে। এই জনগোষ্ঠীৰ দেউসী বা দেউৰী, কবিৰাজ, গাঁৱৰ বয়সীয়াল বুঢ়া-বুঢ়ীৰ মাজত মন্ত্ৰ চৰ্চা কৰা পৰিলক্ষিত হয়। নিজস্ব লোক দেৱতাক পূজা অৰ্চনা, ৰোগ নিৰাময়, মাঙ্গলিক কাৰ্য ইত্যাদিৰ ক্ষেত্ৰত এই জনগোষ্ঠীৰ

লোকৰ মাজত মন্ত্ৰৰ ব্যৱহাৰ দেখা যায়। লগতে বিশ্বাস, অন্ধবিশ্বাসৰ মাজত আত্মৰক্ষা আৰু শত্ৰুপক্ষক বধ বা আনৰ ক্ষতি কৰিবলৈ এই জনগোষ্ঠীৰ লোকসকলৰ মাজত প্ৰচলিত ‘ক’লা যাদু’ৰ ক্ষেত্ৰটো মন্ত্ৰৰ ব্যৱহাৰ ব্যাপক। সেইহেতু আজিৰ তাৰিখতো ডায়েনা আৰু ডাইনী অপবাদৰপৰা এইজনগোষ্ঠী মুক্ত নহয়। আমি আগতে উল্লেখ কৰিছো কোচ নৃ-গোষ্ঠীয়ে এক বিশেষ সামাজিক প্ৰেক্ষাপটতৰ মাজেদি পিছলৈ নিজকে ৰাজবংশী বুলি পৰিচয় দিবলৈ ধৰে। নিজকে ৰাজবংশী বুলি কৈ গৌৰৱ কৰা কোচৰ সংখ্যা আছিল সৰ্বাধিক। সমসাময়িকভাৱে এই গোষ্ঠীৰ লোকসকলে বৃহৎ সংগঠিত ধৰ্মীয় ব্যৱস্থাৰ আওতাৰ মাজত সোমাই পৰে। সেয়ে কিছু বৈদিক পূজা অৰ্চনাত উচ্চবৰ্ণ হিন্দু ব্ৰাহ্মণৰ ব্যৱহাৰৰ বাহিৰে সকলোতে দেউসীয়ে নিজস্ব মন্ত্ৰ উচ্চাৰণেৰে পূজা অৰ্চনা কৰা পৰিলক্ষিত হয়। তলত ‘বিষ হৰি’ পূজাত ব্যৱহৃত মন্ত্ৰৰ কিছু অংশৰ উদাহৰণৰ ৰূপত দাঙি ধৰা হ’ল-

শুদ্ধ হৈল মাৰাইৰ ঘৰ উয়া পয়া এ পঞ্চমাড়োল,
সাৰোক ছুচকুনী দুই চালেৰ ছাউনি উয়া এ পঞ্চমাড়োল।
শুদ্ধ হইল বাসকি আৰ গঙ্গা জল
তিন কন পৃথিৱী শুদ্ধ শুদ্ধ মহিস্তল।[৪৪]

**২.২.৪ সাধুকথা—**

পৃথিৱীৰ সকলো লোক সাহিত্যৰে এক অন্যতম ভাগ হৈছে সাধুকথা। সাধুকথাসমূহ হৈছে আদিম মানুহৰ সঞ্চিত অভিজ্ঞতাৰ থূপ। পৰ্যায়ক্ৰমে মানুহৰ বিৱৰ্তন, পৰিপাৰ্শ্বিক পৰিৱেশৰ লগত সংঘটিত বিভিন্ন ঘটনা, কল্পনা প্ৰৱণতা, ভৌতিক সংস্কৃতি, অনাক্ষৰ মানুহৰ বিজ্ঞান, অতিপ্ৰাকৃত ঘটনা, খেতি-বাতি আৰু সমাজকেন্দ্ৰিক আচাৰ তথা লোক-বিশ্বাসৰ মাজেদি প্ৰকাশিত সুখ-দুখ, হৰ্ষ-বিষাদ, আশা-আকংক্ষাক সামৰি বৰ্ণিত হোৱা পৰম্পৰাগত মৌখিক কাহিনীক সাধুকথা বুলি ক’ব পাৰি। পূৰ্বতে মনোৰঞ্জনৰ কাৰণে অনাক্ষৰ মানুহৰ মাজত ৰচিত আৰু প্ৰচাৰিত এনে সাধুকথাসমূহ বৰ্তমান সময়ছোৱাত কোনো এটা জাতিৰ আদিম ইতিবৃত্ত লগতে নৃতাত্ত্বিক আৰু সমাজতাত্ত্বিকৰ দৰে তত্ত্বগত অধ্যয়নৰ অন্যতম বিষয় হৈ পৰে। চহা গাঁৱলীয়া জীৱনৰ সহজ-সৰল ভাষা হৈছে সাধুকথাসমূহৰ অন্যতম বৈশিষ্ট্য। এই সাধুকথাসমূহ কোনো এখন ৰাষ্ট্ৰৰ ৰাজনৈতিক আৰু ভৌগোলিক পৰিসীমাৰ মাজত আবদ্ধ কৰি ৰখা সম্ভৱপৰ নহয়। মৌখিক পৰিভ্ৰমী এনে সাধুকথাসমূহৰ দ্বাৰা আদিম মানুহৰ প্ৰব্ৰজনৰ ইতিহাস অধ্যয়নৰ বাট মুকুলি কৰে। সাধুকথাসমূহ মূলতঃ কল্পনাৰ ওপৰত প্ৰতিষ্ঠিত যদিও ইয়াৰ বাস্তৱ মূল্য নথকা নহয়। কিয়নো কল্পনাৰ পৰিকাঠামো

গঢ় লৈ উঠে কোনো এখন সমাজৰ বাস্তৱতাক ভিত্তি কৰি। কিছু অৱচেতন মনৰ বহিঃপ্ৰকাশ সাধুকথাসমূহত পৰিলক্ষিত হয়। ৰজা-ৰাণী-ৰাজকুমাৰ বা বুঢ়া-বুঢ়ী হালক লৈ আৰম্ভ হোৱা সাধুৰ কাহিনীয়ে খেতি-বাতি, ৰাক্ষস, পৰী, চোৰ-ডকাইত, নদ-নদী, পাহাৰ-পৰ্বত, জীৱ-জন্তু, চৰাই-চিৰিকটি, ভূমিকম্প, বতাহ-বৰষুণ ইত্যাদি বিষয়সমূহ সামৰি এক ধনাত্মক সামৰণিৰফালে গতি কৰে। জনসাধাৰণৰ মুখে মুখে প্ৰচলিত সাধুকথাসমূহৰ বিদ্যায়তনিক গুৰুত্বৰ বিষয়ে পোন প্ৰথমতে সম্ভেদ দিয়ে জাৰ্মানদেশৰ গ্ৰীম (Grimm) ভাতৃদ্বয়ে। জেকব গ্ৰীম আৰু ভিলহেল্ম গ্ৰীমে ভাষাতত্ত্বৰ সমল বিচাৰি গৈ কাটেৰিণা নামৰ আদহীয়া মহিলা এগৰাকীৰপৰা সাধু সংগ্ৰহ, গুৰুত্ব আৰু বিশ্লেষণৰ দ্বাৰা ইমান দিনে অৱহেলিতভাৱে থকা বিশ্বৰ সাধুকথাসমূহৰ অধ্যয়নৰ নতুন দুৱাৰ মুকুলি কৰে। দৰাচলতে গ্ৰীম ভাতৃদ্বয়ে সাধুকথাসমূহৰ প্ৰকৃত ৰূপ আৰু উৎসৰ অন্বেষণত গুৰুত্ব প্ৰদান কৰিছিল। সাধাৰণতে সাধুকথাসমূহক কোনো এক সংজ্ঞাৰদ্বাৰা সঠিকভাৱে সংজ্ঞাৱদ্ধ কৰাটো এক জটিল কাম। বহুতে প্ৰজন্মৰ পিছত প্ৰজন্ম মৌখিকভাৱে প্ৰচলিত কাহিনীকে সাধুকথা বুলিব খোজে। আপাততঃ এইটো সাধুকথা সংজ্ঞাৰদ্ধৰ প্ৰাথমিক স্তৰ বুলি ধৰিব পাৰি। এডউইন চিডনী হাৰ্টলেণ্ড (Edwin Sidney Hartland)- এ ৰূপকথা বা ইংৰাজী Fairy Tale ৰ সম্পৰ্কত নিজৰ 'The Science of Fairy Tales' নামৰ গ্ৰন্থখনত কৈছে —

> পৰম্পৰাগত বৰ্ণনাবোৰ তেওঁলোকৰ বৰ্তমানৰ ৰূপত
> ঐশ্বৰিক হিচাপে ধৰি ৰখা সত্তাৰ সৈতে সম্পৰ্কিত নহয
> বা মহাজাগতিক বা জাতীয় ঘটনাৰ সৈতে সম্পৰ্কিত নহয়,
> কিন্তু অতিপ্ৰাকৃতিকে ইয়াত এক অপৰিহাৰ্য ভূমিকা পালন কৰিছে।[৪৫]

প্ৰফেচাৰ থমছনৰ মতে সাধুকথাবোৰ হৈছে—

> কিছু দৈৰ্ঘৰ কাহিনী য'ত কাহিনী এটা অনুক্ৰমত ৰূপাঙ্গ বা
> খণ্ডসমূহ জড়িত আছে। ই নিদিষ্ট এলেকা বা নিদিষ্ট চৰিত্ৰ
> অবিহনে এক অবাস্তৱ পৃথিৱীত গতি কৰে তথা বিস্ময়কৰ
> কথা-বতৰাৰে ভৰি আছে। কেতিয়াবা নম্ৰ নায়কসকলে
> বিৰোধীসকলক হত্যা কৰে, সফল হয় আৰু ৰাজকুমাৰীক বিয়া পাতে।[৪৬]

অৰ্থাৎ সাধুকথাসমূহ হৈছে অতিপ্ৰাকৃত বা বিস্ময়কৰ কথা বা ঘটনাৰ সমষ্টি। যিয়ে মানুহৰ বৰ্তমানৰ কথা নক'লেও, মানৰ প্ৰজাতিৰ ইতিহাস বা সংগ্ৰহিত অভিজ্ঞতাক বহন কৰে। লক্ষ্মীনাথ বেজবৰুৱাই 'সাধু' কথাক 'সজ কথা বা সন্ত-সাধুৰ বাক্য' বুলি অভিহিত কৰিছিল। 'সাধুকথা'ৰ

সম্পৰ্কত বেজবৰুৱাই অতি সুন্দৰ মন্তব্য কৰি থৈ গৈছে— “কোনো এটা জাতিৰ ভিতৰুৱা শিক্ষিত-অশিক্ষিত, সভ্য-অসভ্য, জ্ঞানী-অজ্ঞানী সকলো মানুহৰে চৰণৰ চাপ যেনেকৈ সেই জাতিৰ নিজা ভাষাত মচ নোখোৱাকৈ থাকি যায়, জাতীয় পুৰণিকলীয়া সাধুকথাবিলাকতো সেইদৰে সেই জাতিৰ ভিতৰুৱা সকলো শ্ৰেণীৰ মানুহৰ পুৰণি আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, চিন্তা-কল্পনা আদি সাঁচ মচ নোখোৱাকৈ থাকি যায়। সেইদেখি মানুহৰ জাতীয় জীৱনত অলিখিত পুৰণি বুৰঞ্জী জানিবৰ নিমিত্তে ‘ফাইল’লজি’ অৰ্থাৎ ভাষাতত্ত্ব আৰু মাইথল’জি অৰ্থাৎ পুৰাণতত্ত্ব যেনেকুৱা লাগতিয়াল, ফ’কল’ৰ অৰ্থাৎ সাধুকথাতত্ত্বও তেনেকুৱা লাগতিয়াল।”[৪৭] বেজবৰুৱাৰ সাধুকথাৰ সম্পৰ্কত এনে মন্তব্যৰদ্বাৰা সাধুকথাক বুজি পোৱাত আমাৰ অতি সহজ হৈ উঠিব বা বিষয়টোৰ সম্পৰ্কত আমি আৰু অধিক কাষ চাপিব পাৰিম। প্ৰফুল্লদত্ত গোস্বামীয়ে নিজৰ 'Ballads and Tales of Assam: A Study of the Folklore of Assam' শীৰ্ষক গ্ৰন্থখনত সাধুকথা সম্পৰ্কত কৈছে— ‘মৌখিক কাহিনীসমূহক অসমীয়াত কোৱা হয় সাধুকথা। সাধাৰণতে সংস্কৃত সাধু শব্দৰপৰা আহিছে; ইয়ে এজন বণিকক বুজাইছে। অৰ্থাৎ সাধুকথাসমূহ এজন বিচৰণকাৰী বণিকৰ দ্বাৰা কোৱা কাহিনী। ই এটা সাধাৰণ পৰিভাষা, যিয়ে পুৰাকথাৰপৰা এটা উপকথালৈকে যিকোনো কথাকে বুজায়।’[৪৮] ইয়াৰদ্বাৰা প্ৰফুল্লদত্ত গোস্বামীয়ে সাধুকথাসমূহক সাউদ বা বণিকে কোৱা কথা বুলি অভিহিত কৰিছে। কিন্তু সাধুকথা কেৱল বণিকে কয়, এই কথাটো ইমান গ্ৰহণযোগ্য বুলি বিবেচিত নহ’ব। সাধুকথাসমূহ সকলো স্তৰৰ মানুহৰে মৌখিক সাহিত্য। ঠিক একেদৰে সাধুসমূহৰ উৎপত্তি স্থল হিচাপে আমি হোজা গাঁৱলীয়া জনজীৱনকে পাওঁ। কিন্তু এটা কথা ঠিক যে এটা সময়ত বণিকসকলে বাণিজ্যৰ কাৰণে দূৰ-দূৰণিৰ দেশলৈ যাতায়ত কৰিছিল। এনে বণিকৰ যাত্ৰা আৰু সাধুকথাৰ কথনে এখন ঠাইৰপৰা আন এখন ঠাইলৈ সাধুকথাসমূহক প্ৰসাৰিত কৰিছিল। গতিকে, মৌখিক সাহিত্যৰ প্ৰতিনিধিত্বৰ ৰূপত গোস্বামীয়ে ‘সাধুকথা’ক বণিক বা সাউদৰ কথা বুলি অভিহিত কৰিব পাৰে।

সাধুকথাসমূহৰ বিভাজন এক জটিল বিষয়। কিয়নো এটা সাধুকথাই দুই বা ততোধিক সাধুকথাৰ শ্ৰেণীক একে লগে প্ৰতিনিধিত্ব কৰিব পাৰে। ‘লক্ষ্মীনাথ বেজবৰুৱাই সাধুকথাক প্ৰধানত দুটা ভাগত ভাগ কৰিছে— ১. উপদেশমূলক, আৰু ২. কাল্পনিক’।[৪৯] ঠিক একেদৰে থম্‌ছনেও সাধুকথাক দুটা ভাগত ভাগ কৰিছে— ১. ব্যাখ্যামূলক বা উৎপত্তিমূলক (Saga বা Legend) আৰু কাল্পনিক (Merchen)।[৫০] প্ৰফুল্ল দত্ত গোস্বামীয়ে থম্‌ছনৰ কাল্পনিক সাধু (Merchen)ক কেইবাটাও ভাগত ভাগ কৰি আলোচনা কৰা দেখা যায়[৫১]—

১. জন্তুকেন্দ্ৰিক সাধু (Animals Tales)

২. অলৌকিক সাধু (Supernatural Tales)

৩. ধেমেলীয়া সাধু (Jokes)

৪. দুষ্টালি প্ৰধান সাধু (Trickster Tales)

৫. সমষ্টি প্ৰধান সাধু (Cumulative Tales)

ইয়াৰ বিপৰীতে সাধুকথাৰ আন্তঃৰ্জাতিক বিভাজনলৈ লক্ষ্য কৰিলে ইয়াক ছয়টা ভাগত বিভক্ত কৰা দেখা যায়[৫২]—

(১) ৰূপকথা (Fairy Tale)

(২) জীৱ-জন্তুৰ কথা (Animal Tale)

(৩) ধৰ্মীয় কথা (Religious Tale)

(৪) পুৰাকথা (Myth)

(৫) কিংবদন্তি (Legend)

(৬) নীতিকথা (Fables)

সাধুকথাৰ এই সকলো ভাগে নিৰ্দিষ্ট কিছুমান বৈশিষ্ট্য ধাৰণ কৰা দেখা যায়। এনে বৈশিষ্ট্যসমূহক মিলনকান্তি বিশ্বাসে সৌগত চট্টোপাধ্যায়ৰ দ্বাৰা সম্পাদিত গ্ৰন্থ ‘লোককথাৰ বৰ্ণমালা’ শীৰ্ষক গ্ৰন্থখনত বিস্তাৰ ৰূপত আলোচনা কৰা পৰিলক্ষিত হৈছে। কোচ-ৰাজবংশী সাধুকথাসমূহৰ আলোচনাৰ সুবিধাৰ্থে তলত তেনে কিছু বৈশিষ্ট্য দাঙি ধৰা হ’ল[৫৩]—

১. ৰূপকথাৰ বৈশিষ্ট্য—

(ক) আফ্ৰিকাৰ ৰূপকথাৰ বাহিৰে পৃথিৱীৰ সকলো ৰূপকথাৰ আৰম্ভ হয়, নাম বিহীন ৰজা-ৰাণীৰ কথাৰ দ্বাৰা। যেনে— এজন ৰজা আছিল, তাৰ তিনিজনী ঘৈণীয়েক আছিল.....

(খ) এটা অভাৱক কেন্দ্ৰ কৰি পৃথিৱীৰ সকলো ৰূপকথাৰ আৰম্ভণি হোৱা দেখা যায়। যেনে— ৰাজ্যৰ ৰজাৰ একো অভাৱ নাই। কিন্তু ৰজাজন নিঃসন্তান। এই অভাৱ দূৰ কৰিবলৈ গৈয়ে ৰূপকথাৰ কাহিনী আগবাঢ়ি যায়।

(গ) ৰূপকথাবোৰত ৰজাৰ পুত্ৰ ৰোমাঞ্চকৰ যাত্ৰা বা ভ্ৰমণলৈ ওলাই যায়। যাৰ সৈতে সহযোগী হিচাপে যায় মন্ত্ৰীৰ পুত্ৰ।

(ঘ) ৰূপকথাসমূহৰ গাঁথনিক শিথিলতা পৰিলক্ষিত হয়। সেই বাবে সাধু কওঁতাই ইচ্ছা অনুসৰি ৰূপকথাসমূহক দীঘল বা চুটি কৰিব পাৰে।

(ঙ) ৰূপকথাত যাদুমন্ত্ৰৰ ব্যৱহাৰ ব্যাপক ৰূপত দেখা যায়।

(চ) ৰূপকথাৰ চৰিত্ৰত কোনো বিৰ্ৱতন লক্ষ্য কৰা নাযায়। ৰূপকথাত যি চৰিত্ৰ নিষ্ঠুৰ, সি

প্ৰথমৰপৰাই নিষ্ঠুৰ আৰু যি চৰিত্ৰ দয়ালু, সেই চৰিত্ৰ শেষলৈ দয়ালু।

(ছ) ৰূপকথাৰ কাহিনীৰ মাজত ঘটনাৰ পুনৰায় ঘটা দেখা যায়। যেনে— চম্পাৱতী, কণ আৰু মন আদি সাধুৰ কথা ক'ব পাৰি।

(জ) ৰূপকথাৰ কাহিনী বিন্যাসৰ মাজত 'Toboo' অৰ্থাৎ কিছু সামাজিক বাধা নিষেধ, সীমাৱদ্ধতাৰ কথা থাকে।

(ঝ) ৰূপকথাত বুঢ়া-বুঢ়ী চৰিত্ৰৰ পয়োভৰ অধিক।

(ঞ) ৰূপকথাৰ কাহিনী বিন্যাসৰ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল 'ভাগ্য বিপৰ্যয়'।

২. জীৱ-জন্তুৰ সাধু—

(ক) এই শ্ৰেণীৰ সাধুত জীৱ-জন্তুৰ ওপৰত মানৱত্ব গুণ আৰোপ কৰা হয়।

(খ) জীৱ-জন্তুৰ মাজত ৰূপক ধৰা পৰে। যি ৰূপকসমূহ লোকজীৱনৰপৰা তুলি ধৰা হয়।

(গ) সমাজতাত্ত্বিক দৃষ্টিকোণৰপৰা এই শ্ৰেণীৰ সাধুক যোগাযোগৰ মাধ্যম হিচাপে দেখা যায়। ইয়াৰ অন্তৰালত গোষ্ঠীচেতনা বিষয়টোৱে ক্ৰিয়া কৰি আছে বুলি স্বীকাৰ কৰা হয়।

(ঘ) পৃথিৱীৰ বিভিন্ন দেশত জীৱ-জন্তুসমূহক বিভিন্ন ধাৰণাৰ প্ৰতীক ৰূপত ধৰা হয়। যেনে- ৰাছিয়াৰ শৌৰ্য-বীৰ্যৰ প্ৰতীক ৰূপত ভালুক আৰু ভাৰতত সিংহক ধৰা হয়।

(ঙ) জীৱ-জন্তু সাধুৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হ'ল নীতিকথা। ঈসপৰ সাধু, পঞ্চতন্ত্ৰ, জাতক কথা ইত্যাদি এনে বৈশিষ্ট্যৰ অন্যতম উদাহৰণ।

(চ) চাৰিত্ৰিক বৈশিষ্ট্যৰ ফালৰপৰা জীৱ-জন্তুসমূহ সম্পূৰ্ণৰূপে আঞ্চলিক। যেনে— শিয়াল ধূৰ্ত, কাউৰী চতুৰ, বাঘ মূৰ্খ ইত্যাদি।

৩. ধৰ্মীয় কথা—

(ক) ধৰ্মীয় সাধুবোৰত দুইধৰণৰ দেৱতা লক্ষ্য কৰা যায়- শান্তশিষ্ট আৰু ৰুষ্ট।

(খ) ধৰ্মীয় সাধুকথাৰ চৰিত্ৰসমূহ বৈচিত্ৰহীন। এনে সাধুৰ মাজেদি পাৰিবাৰিক তথা সামাজিক আশা-আকাংক্ষা প্ৰকাশিত হোৱা দেখা যায়।

(ঘ) ধৰ্মীয় সাধুকথাৰ মাজেদি কেৱল ঐতিহাসিক উপাদানেই নহয়, প্ৰাক ঐতিহাসিক অথবা আদিম সমাজৰে বহুবিধ উপকৰণ ৰক্ষিত হৈ আছে। যেনে— নৰবলি, ঐন্দ্ৰজালিক শক্তি, বিশ্বাস আদি।

(ঙ) ধৰ্মীয় সাধুকথাসমূহৰ এটা অন্যতম বৈশিষ্ট্য হৈছে- ই অপৰিৱৰ্তনীয়।

(চ) ধৰ্মীয় সাধুকথাসমূহৰ মাজেদি লোক সমাজৰ জীৱনবোধৰ অভিব্যক্তিৰ প্ৰকাশ লক্ষণীয়।

৪. পুৰাকথা—

(ক) পুৰাকথাসমূহ হ'ল সৃষ্টিমূলক লৌকিক আখ্যান।

(খ) পুৰাকথাসমূহত জন্ম বা সৃষ্টিকেন্দ্ৰিক প্ৰসঙ্গবোৰ সৰ্বাধিক ৰূপত পৰিলক্ষিত হয়। নদ-নদী, পাহাৰ-পৰ্বত ইত্যাদিৰ জন্মৰ কাহিনী এনে পুৰাকথাসমূহে সামৰি লয়।

(গ) পুৰাকথাসমূহ হ'ল দেৱতা নিৰ্ভৰশীল অলৌকিক আৰু বহু ক্ষেত্ৰত ৰূপকআশ্ৰিত কাহিনী।

(ঘ) পুৰাকথাৰ চৰিত্ৰসমূহ সাধাৰণ মানৱীয় নহয়। অলৌকিক চৰিত্ৰই এনে সাধুসমূহৰ নায়ক-নায়িকা।

৫. কিংবদন্তি—

(ক) কিংবদন্তিসমূহ হৈছে এনে লোক কাহিনী, যিটো সঁচাকৈয়ে এদিন নিৰ্দিষ্ট অঞ্চলত সংঘটিত হৈছিল বুলি জনমানসত বিশ্বাস কৰে।

(খ) কিংবদন্তিসমূহ পৰম্পৰাগতভাৱে লোকমুখে পৰিৱৰ্তিত হৈ থাকে।

(গ) কিংবদন্তি বিশ্লেষণ কৰিলে লোক মানসিক প্ৰৱণতা বুজা যায়।

(ঘ) কিংবদন্তি চৰিত্ৰসমূহৰ এক নিজস্ব পৰিচয় থাকে।

৬. নীতিকথা—

(ক) উপৰক্ত সাধুকথাৰ সকলো শ্ৰেণীৰ মাজেদিয়ে নীতি শিক্ষা প্ৰকাশ পোৱা দেখা যায়। কিন্তু পাৰ্থক্য ইয়াতে যে নীতিকথামূলক সাধুৰ মূল কথা খিনি পৰ্দাৰ আঁৰত লুকাই নাথাকে, ই পৰোক্ষভাৱে শ্ৰোতাৰ কাষ চাপে। উদাহৰণ স্বৰূপে পঞ্চতন্ত্ৰ গল্পৰ মূল উদ্দেশ্য আছিল লোকশিক্ষা।

**২.৩ কোচ-ৰাজবংশী সাধুকথা**—

অসমৰ ঐতিহ্যমণ্ডিত জনগোষ্ঠী কোচ-ৰাজবংশীসকলৰ লোক সাহিত্যসমূহৰ ভিতৰত 'সাধুকথা'ই এক অন্যতম স্থান অধিকাৰ কৰি আছে। 'সাধুকথা' এই জনগোষ্ঠীৰ মানুহৰ মাজত 'কেচ্চা' নামেৰে পৰিচিত। আদিতে এই জনগোষ্ঠীৰ মানুহৰ মাজতো অৱসৰ বিনোদন আৰু মনোৰঞ্জনৰ কাৰণে সাধুকথা কোৱা আৰু শুনাৰ প্ৰৱণতা গঢ় লৈ উঠিছিল। জীৱ-জন্তুৰ সাধু, সৃষ্টিমূলক সাধু, পৰীদেশৰ সাধু, ব্ৰতকথা বা ধৰ্মীয় সাধু, কিংবদন্তি ইত্যাদি অলেখ সাধুৰ মাজত কাল্পনিক, আশ্চৰ্যজনক, বীৰত্বব্যঞ্জক, যাদুবিদ্যাৰ পয়োভৰ, ৰোমাঞ্চকৰ যাত্ৰা, পাৰিপাৰ্শ্বিক সচেতনতা, মানুহ আৰু প্ৰকৃতিৰ সম্পৰ্ক, সামাজিক নৈতিকতাবোধ ইত্যাদিক সামৰি কোচ-ৰাজবংশী মৌখিক সাহিত্য

এক মেটমৰা ভঁৰালত পৰিণত হৈছে। কোচ-ৰাজবংশী সাধুকথাসমূহৰ মাজত এই জনগোষ্ঠীৰ সাংস্কৃতিক স্বৰূপ, বিৱৰ্তন, ইতিহাস, অৰ্থনৈতিক আৰু ভৌগোলিক অৱস্থাৰো উমান পাব পাৰি। আমাৰ এই গৱেষণাৰ পৰিসৰ অবিভক্ত গোৱালপাৰা জিলাত ক্ষেত্ৰঅধ্যয়ন কৰোঁতে, আমি এনে কিছু সাধু সংগ্ৰহ কৰিছোঁ; যিবোৰ সাধু অসংগ্ৰহিত অৱস্থাত আছিল। লগতে এনে বহু সাধুৰ উমান পাইছিলো, যিবোৰ কথন আৰু শ্ৰৱণৰ অনুশীলনৰ অভাৱত মানুহৰ স্মৃতিৰপৰা নোহোৱা হৈ গৈছে। অৰ্থাৎ কোচ-ৰাজবংশী সাধুকথাৰ বিজ্ঞানসন্মত বা গৱেষণালব্ধ অধ্যয়নৰ পৰিসংখ্যা তেনেই নগণ্য। গতিকে বৰ্তমান সময়ছোৱাত কোচ-ৰাজবংশী জনগোষ্ঠীয় সাধুসমূহ সংগ্ৰহ আৰু সংৰক্ষণ এক অন্যতম গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে।

### ২.৩.১ কোচ-ৰাজবংশী সাধুকথাৰ শ্ৰেণীবিভাজন

সাধুকথাৰ শ্ৰেণীবিভাজন ইমান সহজ নহয়। কিয়নো এটা সাধুকথায়ে দুই বা ততোধিক শ্ৰেণীৰ সাধুক প্ৰতিনিধিত্ব কৰিব পাৰে। উদাহৰণ স্বৰূপে ‘ৰংফুল’ সাধুটো যিদৰে ৰূপকথা সাধুৰ শ্ৰেণীত ৰাখিব পাৰি, সমান্তৰালভাৱে ই এটা যাদুকেন্দ্ৰিক সাধুও। একেদৰে ‘পন্তা খাওৰা চোৰ’ সাধুৱে টেঙৰালি সাধুৰ লগতে বাস্তৱধৰ্মী সাধুকো প্ৰতিনিধিত্ব কৰে। সাধুকথাৰ শ্ৰেণীবিভাজন আৰু বৈশিষ্ট্যসমূহৰ বিষয়ত আলোচনাৰ অন্তত, কোচ ৰাজবংশী সাধুকথা বা কেচ্চাক তলত দিয়া ধৰণে বিভাজন কৰিব পাৰি ঃ-

| | | |
|---|---|---|
| (ক) জীৱ-জন্তুকেন্দ্ৰিক সাধু | (ঘ) টেঙৰালি সাধু | (ছ) কিংবদন্তি |
| (খ) অলৌকিক সাধু | (ঙ) ধৰ্মীয় সাধু | |
| (গ) সৃষ্টিমূলক সাধু | (চ) বাস্তৱধৰ্মী সাধু | |

#### (ক) জীৱ-জন্তুকেন্দ্ৰিক সাধু

জীৱ-জন্তুৰ সাধুসমূহ কোচ-ৰাজবংশী সাধুকথাত অলেখ। এনে সাধুসমূহত মানৱীয় আচৰণ আৰোপ কৰা হয়। সেয়ে সাধুকথাৰ জীৱ-জন্তু, চৰাই-চিৰিকটি ইত্যাদিবোৰে মানুহৰ দৰে কথা পাতে। এনে সাধুৰ মূল বৈশিষ্ট্যটো হৈছে চৰিত্ৰৰ আঞ্চলিক ৰূপ। এই দিশৰপৰা এনে সাধুৰ সমাজতাত্ত্বিক গুৰুত্ব সৰ্বাধিক। কোচ-ৰাজবংশী সাধুত ‘শিয়াল’ক সদায় ধূৰ্ত ৰূপত অংকন কৰা হৈছে। ‘ধূৰ্ত শিয়ালৰ গল্প’ সাধুত নিজৰ সন্তানক হাঁহৰ মাংস খুৱাবলৈ গৃহস্থৰ পোহনীয়া জন্তুবোৰক বৰ ভূমিকম্পৰ কথা উল্লেখ কৰি কিদৰে নিজৰ অনাকাংক্ষিত ইচ্ছা পূৰণ কৰিছিল তাৰ প্ৰমাণ পোৱা যায়। ঠিক একেদৰে ‘শিয়াল পণ্ডিত’ সাধুত নিজৰ ধূৰ্তালিৰে ঘঁৰিয়ালৰ সন্তানক খাই শেষ

কৰিছিল। দৰাচলতে ‘শিয়াল’ চৰিত্ৰটোৰ যোগেদি সমাজৰ এক শ্ৰেণীৰ চতুৰ ব্যক্তিক নিদৰ্শন কৰা হৈছে। ঠিক একেদৰে কোচ-ৰাজবংশী সাধুকথাত বাঘক মূৰ্খ, হাতীক অবিবেচক, কাউৰী চতুৰ, কেঁকোৰা বুধিয়ক ৰূপত ল’গ পাওঁ। ‘বাঘ আৰু শিয়াল’ শীৰ্ষক সাধুত বাঘে নিজৰ ভাগিন শিয়ালক সহায় কৰিবলৈ আহি নিজে লটি-ঘটি হ’ল আৰু নিজৰ ক্ষমতাৰ কথা উমান নাপাই শেষত মৃত্যু বৰণ কৰিলে। ‘গৰুড় চৰাই আৰু হাতী’ শীৰ্ষক সাধুত হাতী অবিবেচক হোৱাৰ বাবে বিপদৰ সময়ছোৱাত ফেঁচা এটাৰ সহায় ল’ব লগা হ’ল। দৰাচলতে এই সাধুত গৰুড়ৰ চৰাইক সমাজৰ উচ্চ আকাংক্ষিত ব্যক্তিৰ ৰূপত অংকন কৰাৰ বিপৰীতে হাতীক অংকন কৰা হৈছে সমাজৰ অসহায়, নিচলাৰ প্ৰতিনিধিত্বৰ ৰূপত। ঠিক একেদৰে ‘বড়ৰ সাথে কৰিয়া মেল’ সাধুত ‘কৰুয়া’ পখীক খাবলৈ আমন্ত্ৰণ কৰি ‘মাছৰাঙা’ পখীৰ যি দুৰৱস্থা হ’ল, তাৰ মাজেদি সমাজৰ অৰ্থনৈতিক শ্ৰেণীকৰণ বিষয়টো ফুটি উঠিছে। জীৱ-জন্তুৰ সাধুসমূহক বহুতে আদিমতম সাধু বুলি ক’ব খোজে। দৰাচলতে এনে সাধুৰ দ্বাৰা সমাজ বা অঞ্চল একোটাৰ সামগ্ৰিক মনস্তাত্বিক দিশটো স্পষ্ট ৰূপত ফুটি উঠে। তলত জীৱ-জন্তুকেন্দ্ৰিক সাধুসমূহ দাঙি ধৰা হ’ল—

### এজন চিকাৰী আৰু চাৰি বন্ধু

এসময়ত এখন অৰণ্যত হৰিণ, কাউৰী আৰু এন্দুৰ— এই তিনি বন্ধুৱে অতি আনন্দ মনেৰে বসবাস কৰিছিল। এদিন এটা দুৰাই সিহঁত তিনিওটাৰ লগত বন্ধুত্ব স্থাপন কৰিবলৈ প্ৰস্তাৱ আগবঢ়ায়। অৰণ্যৰ মাজত চাৰিওটাই কথা পাতি থাকোঁতে হঠাৎ এজন চিকাৰী আহি তাত উপস্থিত হয়। হৰিণ, কাউৰী আৰু এন্দুৰে মুহূৰ্ততে তাৰপৰা পলাই পত্ৰ ং দিলে যদিও দুৰাটো পলাব নোৱাৰি চিকাৰীৰ হাতত বন্দী হয়। এতিয়া দুৰাটো চিকাৰীৰ হাতত পৰাত বাকী তিনিজন বন্ধয়ে মনত বহুত দুখ পালে আৰু চিকাৰীৰ হাতৰপৰা দুৰাক উদ্ধাৰ কৰিবলৈ পাং পাতে আৰু শেষত উদ্ধাৰ কৰে।[৫৪]

### জলপৰী আৰু হৰিণ

আলমগঞ্জ পাহাৰৰ কাষত এখন ডাঙৰ হাবি আছিল। তাত বিভিন্ন ধৰণৰ জীৱ-জন্তু আছিল। হাবিৰ ওচৰত জনবসতি আছিল আৰু দুয়োটাৰে মাজত আছিল ব্ৰহ্মপুত্ৰ নদীৰ এটা সুঁতি। তাত এটা কালী মন্দিৰ আছিল আৰু মানুহৰ লগতে জীৱ-জন্তুবোৰেও মন্দিৰত সেৱা আগবঢ়াইছিল। সুঁতিত সদায় এজাক হাতী গা ধুই উঠি মন্দিৰত সেৱা জনায়। এদিন সেই হাবিৰ হৰিণৰ জাকটোৱে সুঁতিত গা ধুবলৈ নমাত এগৰাকী জলপৰীয়ে বাধা দি ক’লে- তোমালোক অতি সৰল প্ৰাণী, সুঁতিৰ সোঁতে উটুৱাই নিব। ঠিক একেদৰে অন্য জীৱ-জন্তুৰপৰাও হৰিণৰ জাকটোক সাৱধানে থকাৰ

পৰামৰ্শ দিলে। ইয়াৰ পিছত এটা শিয়ালে হৰিণৰ জাকটোক বিভ্ৰান্ত কৰি সিহঁতৰ মাংস খাবলৈ বিচৰাত জলপৰীয়ে আহি বিপদৰপৰা উদ্ধাৰ কৰিলে।[৫৫]

**গৰুড় চৰাই আৰু হাতী**

এবাৰ এটা গৰুড়ৰ চৰাইয়ে সপোনত হাতী এটাক ভক্ষণ কৰি থাকোঁতে সপোন ভাঙি যোৱাত হাতীটোক বাস্তৱত খাবলৈ হিমালয় পৰ্বতত বিচাৰি যায়। ইফালে হাতী এজনীয়ে গৰুড় চৰাই বহি থকা তিনিআলিৰ কাষেৰে পাৰ হৈ যাওঁতে চৰাইটোৰ চকুত পৰে। তেতিয়া গৰুড় চৰাইটোৱে ভাবিলৈ ধৰে যে সপোনত ভক্ষণ কৰা হাতীজনী এইটোয়ে, এতিয়া ই মোক দেখি পলাইছে। চৰাইটোৱে হাতীজনীক মাতি পঠিয়ালে আৰু সপোনৰ কথাখিনি কৈ হাতীজনীক খাবলৈ বিচাৰিলে। গৰুড় চৰাইৰ কথা শুনি হাতীজনী মহা বিপদত পৰিল। হাতীজনীয়ে নিজক বচাবৰ চেষ্টা কৰিও কোনো মতে গৰুড়ৰ চৰাইৰপৰা মুক্তিৰ পথ বিচাৰি নোপোৱাত সাত দিনৰ সময় বিচাৰিলে। অৰ্থাৎ সাত দিনৰ পিছত গৰুড়ৰ চৰাইয়ে হাতীজনীক ভক্ষণ কৰিব। এই দেখি হাতীজনী দুখমনেৰে উভতি আহোঁতে ফেঁচা এটাক লগ পায় আৰু পৰিশেষত ফেঁচাটোৰ সহায়ত বিপদৰপৰা উদ্ধাৰ পায়।

**(খ) অলৌকিক সাধু**

কোচ-ৰাজবংশী সাধুকথাসমূহৰ বিশ্লেষণ কৰাৰ পিছত, এক ব্যাপক ৰূপত তন্ত্ৰ-মন্ত্ৰ বা যাদুবিদ্যাৰ দৰে অলৌকিক ঘটনা পৰিলক্ষিত হ'ল। 'শ্ৰীবাশ্ব ৰজাৰ কাহিনী', 'যাদুকৰী ৰাণী', 'ৰংফুল', 'কড়া-কড়ি পূজাৰ কেচ্চা', 'জোক আৰু বেদেলাং সৃষ্টিৰ কাহিনী', 'খৰিকটীয়াৰ দুই পুত্ৰ' 'হস্তীৰ কন্যা' ইত্যাদি বহুতো সাধুত যাদুৰ ব্যৱহাৰ মনকৰিবলগীয়া। সমান্তৰালভাৱে হাতী এটাই উৰি যোৱা, বাঘিনী এজনীয়ে মানুহৰ কেঁচুৱা এটাক ডাঙৰ দীঘল কৰা, মানুহ এজনীয়ে মাখুন্দী হাতী এজনীলৈ ৰূপান্তৰিত হোৱা, সাধুৰ নায়কে কাঠৰ খৰম এযোৰৰ সহায়ত উৰিব পৰা ইত্যাদি ধৰণৰ অলৌকিক ঘটনা কোচ-ৰাজবংশী সাধুকথাত দেখা যায়। সামগ্ৰীকভাৱে সাধুত যাদুবিদ্যাৰ প্ৰসংগটো বিচাৰ কৰি চালে প্ৰাকৃতিক শক্তি কাবু কৰা, ব্যক্তি স্বাৰ্থজনিত বিষয়, চিকিৎসা, শত্ৰুক দমন আৰু আত্মৰক্ষা ইত্যাদিৰ ক্ষেত্ৰত যাদু বা অলৌকিক শক্তিৰ ব্যৱহাৰ পৰিলক্ষিত হয়। যাদুবিদ্যাৰ ব্যৱহাৰৰ ক্ষেত্ৰত এনেবোৰ কাৰকে কোচ-ৰাজবংশী সাধুকথাতো ক্ৰিয়া কৰা পৰিলক্ষিত হৈছে। 'যাদুকৰী ৰাণী' শীৰ্ষক সাধুত ৰাণীৰ অবৈধ প্ৰেম সাৰ্থক কৰিবলৈ যাদু বিদ্যাৰ সহায় লৈছে আৰু নিজ স্বামীক অৰ্ধশিল আৰু অৰ্ধমানৰলৈ ৰূপান্তৰিত কৰিছে। 'ৰংফুল' সাধুত স্বৰ্গৰ ৰংফুলৰ কাৰণে ৰজাৰ সৰু ৰাণীয়ে ৰোহ ঘৰত সোমোৱাত, ৰজাৰ আদেশত সাধুৰ নায়কে বিভিন্ন ঘাট-প্ৰতিঘাত অতিক্ৰম

কৰি স্বৰ্গৰপৰা ৰংফুল লৈ আহে। সৰু ৰাণীৰ কাৰণে ৰংফুল বিচাৰি যি যাত্ৰা, এই যাত্ৰাত যাদুৰ সহায়ত সাধুৰ নায়কে বিভিন্ন ৰাক্ষসক বধ কৰিবলগীয়া হয়। ঠিক একেদৰে 'খৰিকটীয়াৰ দুই পুত্ৰ' শীৰ্ষক সাধুত এটা ৰাক্ষস আৰু ৰাক্ষসীক বধ কৰি ৰাজ্য উদ্ধাৰ কৰা পৰিলক্ষিত হয়। কেচ্চা বা সাধুকথাৰ এই ৰাক্ষস, ডাইনী, দানৱ ইত্যাদিবোৰ হৈছে লোক সমাজৰ অৱচেতন মনত ক্ৰিয়া কৰি থকা প্ৰাকৃতিক দুৰ্যোগ, মৃত্যুৰ অভিজ্ঞতা, বিশ্বাস, অন্ধবিশ্বাস ইত্যাদি; যাক নিঃশেষ কৰি লোক সমাজে সকলো ধৰণৰ ভয়, ভীতিৰপৰা মুক্ত হ'ব বিচাৰে। সেইহেতু সাধুৰ নায়কসকলক অলৌকিক শক্তিৰদ্বাৰা শক্তিশালী ৰূপত নিৰ্মাণ কৰা হয়। কিন্তু কোচ-ৰাজবংশী সাধুত যাদুৰ পয়োভৰ ব্যাপক কিয় ? সম্ভৱতঃ ইয়াৰ কাৰণ হিচাপে আমি ক'ব পাৰোঁ, বৃহৎ সংগঠিত ধৰ্মীয় ব্যৱস্থাত লীন যোৱাৰ আগতে কোচ নৃ-গোষ্ঠীয়ে নিজস্ব লোকধৰ্ম পালন কৰিছিল। সম্ভৱতঃ ষোড়শ শতিকাৰ পিছৰ পৰাহে ক্ৰমান্বয়ে এই নৃ-গোষ্ঠীটোৱে হিন্দু ধৰ্মীয় ব্যৱস্থত লীন হ'বলৈ আৰম্ভ কৰে। গতিকে কোচ লোকধৰ্মৰ উপাস্য শক্তিসমূহ আছিল জীৱ-জন্তু, চৰাই, গছ, নদ-নদী, জলাশয়ত বসবাস কৰা কিছুমান অপদেৱতা। এই শক্তিসমূহক সন্তুষ্ট কৰিবলৈ এই গোষ্ঠীৰ লোকসকলে বলি-বিধান, নৃত্য-গীতৰ লগতে আশ্ৰয় লৈছিল কিছুমান যাদু মন্ত্ৰৰ। সম্ভৱতঃ লোক ধৰ্মীয় ভয়-ভীতিৰ মনস্তাত্বিক ক্ৰিয়াই কোচ-ৰাজবংশী সাধুকথাক বাৰুকৈয়ে প্ৰভাৱিত কৰিলে। উল্লিখনীয় কথাটো হৈছে কোচ-ৰাজবংশী কেচ্চাত যাদুবিদ্যাত ব্যৱহৃত বস্তু (Tools) সমূহ প্ৰকৃতি বা লোক জীৱনৰপৰাই তুলি ধৰা হৈছে। বিশেষকৈ গছৰ ফল, খৰম, মোনা, উড়াল-মাৰি। ঠিক একেদৰে যাদুৰ সহায়ত সৃষ্টি কৰা হৈছে মাছ, নদী, ৰাজহাঁহ, বিল ইত্যাদি। নিৰ্বাচিত অলৌকিক সাধুকথাসমূহ —

## সাত সতিনী

মেছপুৰ নামৰ এখন ৰাজ্যত, এজন ৰজাই সাতখন ৰাজ্যৰ অধিপতি হৈ পৰিছিল। কিন্তু ৰজাৰ আছিল নিঃসন্তান। এজনী দুজনীকৈ ছয়জনী পত্নীৰ পাণিগ্ৰহণৰ পিছতো ৰজাৰ কপালত উত্তৰাধিকাৰী নাছিল। ৰজাৰ এনে দুঃসময়ত, ৰাজমন্ত্ৰীয়ে আহি ৰজাক সেই দেশৰ এজন গণকৰদ্বাৰা এই সম্পৰ্কত চাই ল'বলৈ উপদেশ দিলে। মন্ত্ৰীৰ উপদেশ মৰ্মে ৰজাই সেই গণকজনক ৰাজসভালৈ মাতি পঠিয়ালে। গণকে ৰজাৰ ভৱিষ্যত চাই ক'লে যে বৰিহাট নগৰৰ ৰজা চৈয়দৰ একমাত্ৰ কন্যা গুণডুৰাক বিয়া পাতিলে ৰজাৰ ভাগ্যত দুটা ল'ৰা সন্তান উপজিব, যাৰ নাম হ'ব ৰহিম আৰু কৰিম। কথামতে ৰজাই গুণডুৰাক বিয়া পাতিলে। ইফালে ছয়জনী ঘৈণীয়েকক নোকোৱাকৈ ৰজাই পুনৰ বিয়া পতাত বাকী ৰাণীবোৰ ক্ষুন্ন হৈ গুণডুৰাক কষ্ট দিব ধৰিলে।

সাতজনীকৈ ৰাণী বিয়া পতাৰ পিছতো কিন্তু ৰজাই সন্তান লাভ নকৰাত, ৰজাই নিজে

কিবা পাপ বা গুৰুত্বৰ দোষ কৰিছে বুলি মনতে ভাবি ভগৱানক লগ কৰিবলৈ ওলাই গ'ল। ৰজাই বাটত এজন ৰোগগ্ৰস্ত ভিক্ষাৰীক ল'গ পালে। বিভিন্ন কথা বৰ্তাৰ পিছত ভিক্ষাৰীজনে ৰজাক ৰম্ভা ফল (কল) দি সাত ৰাণীক খাবলৈ উপদেশ দিলে। ৰজাই ঘৰলৈ উভতি আহি ডাঙৰ ৰাণীক দি ভিক্ষাৰীজনে কোৱাৰ দৰে সকলোকে ভগাই খাবলৈ ক'লে। যিহেতু ছয় ৰাণীয়ে সৰু ৰাণীক হিংসা কৰিছিল, সেয়ে সৰু ৰাণীক ভাগ নিদিয়াকৈ ছয়জনী ৰাণীয়ে মিলি ৰম্ভা ফল খাই শেষ কৰিলে। উপায়ন্তৰ হৈ সৰু ৰাণীয়ে ৰম্ভাফলৰ বাকলিটো হে খাব লগাত পৰিল। কিন্তু ছয়ৰাণীৰ পৰিৱৰ্তে সৰুৰাণীৰ হে দুটা ল'ৰা সন্তান উপজিল। এই কথা সহ্য কৰিব নোৱাৰি ছয় ৰাণীয়ে নৱজাতক দুজনক মাটিৰ পাত্ৰত ভৰাই নৈত উটুৱাই দিলে আৰু ৰজাক এইবুলি অভিযোগ দিলে যে সৰু ৰাণী কুলক্ষণী, সেয়ে মানুহৰ পৰিৱৰ্তে সৰু ৰাণীয়ে কুকুৰৰ পোৱালী জন্ম দিছে। ৰজাই এই অভিযোগ সঁচা বুলি ভাবি সৰু ৰাণীক সাতশ বাঘে বসবাস কৰা অটব্য-অৰণ্যৰ বৃহৎ গছ এডালত বান্ধি থৈ আহিল। ঘটনাক্ৰমে পিছত ৰাজ মন্ত্ৰীৰদ্বাৰা উটুৱাই দিয়া দেৱশিশু দুজনক আৰু অৰণ্যত বান্ধি থৈ অহা সৰু ৰাণীক উদ্ধাৰ কৰা হয়। আনফালে ছয়জনী ৰাণীৰ কুটিল চক্ৰান্তৰ কথা জানি ৰজাই তেওঁলোকক জীয়াই জীয়াই পুতি থলে। সেইদিনাৰপৰা ৰজাৰ দুখ গুছিল আৰু গুণডুৰা ৰাণী আৰু দুই পুত্ৰৰ সৈতে সুখেৰে জীৱন যাপন কৰিবলৈ ধৰিলে।

(তথ্যদাতা- সুনীল চন্দ্ৰ শীল, বয়স- ৬০, ধুবুৰী)

**ধাৰ্মিক বামুণ**

বহুদিনৰ আগতে এজন ধাৰ্মিক বামুণ আছিল। ধাৰ্মিক বুলিলে মানুহজনে কেতিয়াও মিছা কথা নকয়। বিনা কাৰণত কাৰোপৰা এক অনা পইচাও গ্ৰহণ নকৰে। এবাৰ বামুণজনে মন্দিৰত পূজা কৰাৰ কাৰণে সাত দিন উপবাসে আছিল। এদিন ৰাতিপুৱা বামুণজনে নদীত গা ধুই থাকোঁতে নদীৰ সোঁতত ভাহি অহা অমৃতৰ ফল ভুলবশতঃ মুখত দিয়াত নিজৰ মাজতে এক পাপবোধৰ উপলব্ধি কৰিলে আৰু ফলটো ভাহি অহা দিশত উজাই যাব ধৰিলে। উজাই গৈ এটা সময়ত বামুণজনে য'ৰপৰা অমৃতৰ ফলটো ভাহি আহিছিল তাত গৈ উপস্থিত হ'ল। দৰাচলতে সেইখন ৰজাৰ বাগিছা আছিল। ৰজাই বহুদিনৰপৰাই নিজৰ জীয়েকৰ কাৰণে পাত্ৰৰ সন্ধানত আছিল। গতিকে এনেহেন ধাৰ্মিক বামুণক পাই চৰ্ত সাপেক্ষে নিজৰ জীয়েকক বামুণলৈ বিয়া দিলে। বহুদিন পিছত বামুণে ৰজাৰপৰা বিদায় লৈ গৰ্ভৱতী পত্নীৰ সৈতে নিজ ঠাইলৈ আহিবলৈ ওলাল। ৰজাই বহু সোণ ৰূপ দি জী-জোঁৱায়েক বিদায় দিলে। আহি আহি বামুণে নদীৰ পাৰত এটা জুপুৰি ঘৰ বনাই গৰ্ভৱতী পত্নীক তাতে থৈ মন্দিৰলৈ পূজা কৰিবলৈ গৈ আৰু উভতি নাহিল। সেই দিনা ৰাতি এদল চোৰে সোণ ৰূপবোৰ চুৰ কৰিবলৈ আহিছিল। উপায়ন্তৰ হৈ বামুণৰ পত্নীয়ে ভগৱানক স্মৰণ

কৰিবলৈ ধৰিলে। স্মৰণ কৰাৰ ফলত দুটা প্ৰকাণ্ড সিংহ আহি বামুণৰ পত্নীক বেৰি ধৰিলে। সিংহৰ ভয়ত চোৰৰ দল পলাই পত্ৰং দিলে। কিন্তু ইয়াৰ পিছতো বামুণৰ পত্নীক বিপদে এৰা নিদিলে। সেইদিনা ৰাতি নদীৰ বাঢ়ি অহা পানীয়ে বানপানীৰ সৃষ্টি কৰিলে। জুপুৰি ঘৰ উতুৱাই নিলে। উপায়ন্তৰ হৈ বামুণৰ পত্নীয়ে ভাহি অহা ভুঁৰ এটাত উঠিল আৰু দেৱ শিশু এটা জন্ম দি মৰি থাকিল। ঘটনাক্ৰমে এজনী বাঘিনীয়ে শিশুটিক দেখি লগত লৈ যায় আৰু নিজৰ পোৱালী কেইটাৰ লগত নিজৰ দুগ্ধ পান কৰাই শিশুটিক ডাঙৰ দীঘল কৰে। কিন্তু এদিন খৰিকটীয়া এজনে অটব্য হাবিৰ মাজত বাঘৰ সৈতে মানুহক দেখাত, গাঁওৰ মাজত বিষয়টো জনাজাত হৈ যায়। ইফালে সেইদিনা ৰাতিয়ে বাঘিনীয়ে মনে মনে আহি ল'ৰাটোক খৰিকটীয়াৰ ঘৰত থৈ যায়।

(তথ্যদাতা- সুনীল চন্দ্ৰ শীল, বয়স- ৬০, ধুবুৰী)

**খৰিকটীয়াৰ জীয়েক**

বহুবছৰ আগতে এখন গাঁওত এজন খৰিকটীয়া নিজৰ একমাত্ৰ জীয়েকৰ সৈতে বসবাস কৰিছিল। খৰিকটীয়াই গোটেই দিন ধৰি হাবি-জংঘল, পাহাৰ পৰ্বতৰপৰা সংগ্ৰহ কৰা খৰি বজাৰত বিক্ৰী কৰি লাভ কৰা ধনেৰে জীয়েকৰ সৈতে দুবেলা দুমুঠি খাই জীয়াই আছিল। ডাঙৰ হৈ অহাত খৰিকটীয়াৰ জীয়েক দেখাত সাইলাখ লক্ষ্মীৰ দৰে হৈ পৰিল। এনেতে সেই দেশৰ ৰজাই খৰিকটীয়াৰ লক্ষ্মীহেন ছোৱালীজনীক দেখা পালে আৰু তাইক বিয়াৰ প্ৰস্তাৱ দিলে। ইফালে ৰজাৰ চাৰিগৰাকীকৈ ৰাণী থকাৰ পিছতো সন্তান নাই। পঞ্চমগৰাকী পত্নী হিচাপে খৰিকটীয়াৰ জীয়েকক ৰজাই বিয়া পতাত বাকী চাৰি ৰাণীয়ে ঈৰ্ষাত দিন ৰাতি পাৰ কৰিবলৈ ধৰিলে। সময়ত সৰু ৰাণী গৰ্ভৱতী হ'ল আৰু দেৱশিশু এটি জন্ম দিলে। কিন্তু চাৰি ৰাণীয়ে এই কথাটো হজম কৰিব নোৱাৰি ধাই মাকৰ সহায়ত মাটিৰ পাত্ৰত ভৰাই পাহাৰৰ এখন ওখ ঠাইত থৈ আহিল। এই ঘটনাটো মাইকী কুকুৰ এটাই লক্ষ্য কৰি আছিল। গতিকে মাইকী কুকুৰজনীয়ে গৈ মাটিৰ পাত্ৰত দেৱশিশুক দেখি মাতৃ হৃদয়ৰ আকুলতা উথলি উঠিল আৰু নিজ দুগ্ধপান কৰাই দেৱশিশুটিক ডাঙৰ কৰিবলৈ ধৰিলে। কুকুৰৰ এই কথাটো চাৰি ৰাণীয়ে গম পোৱাত কুকুৰে ৰজাৰ ঘোঁৰাশালৰ মাইকী ঘোঁৰা এজনীক সকলো কথা আঁতি-গুৰি কৈ শিশুটিক ডাঙৰ কৰাৰ দায়িত্ব তাইক দিলে। তাৰ পিছতে ঘোঁৰাজনীয়ে দেৱশিশুটিক সেই পাহাৰৰ পৰা অন্য এখন পাহাৰলৈ লৈ গ'ল আৰু ডাঙৰ দীঘল কৰিবলৈ ধৰিলে। ঘটনাক্ৰমে এই সকলোবোৰ কথা ৰজাই এদিন গম পাই সৰু ৰাণীক গ্ৰহণ কৰিলে আৰু কু-চক্ৰান্তকাৰী চাৰি ৰাণীক শাস্তি বিহিলে।

(তথ্যদাতা- চিন্তু ৰায়, বয়স- ৬৫ বছৰ, গাইখোৱা, ধুব্ৰুৰী)

## শ্ৰীবাশ্ব ৰজাৰ কাহিনী

এবাৰ শনি দেৱতাৰ অভিশাপৰ ফলত শ্ৰীবাশ্ব ৰজাই সকলো হেৰুৱাই সৰ্বস্বান্ত হ'ল। গতিকে ৰজাই নিজৰ ৰাজপ্ৰসাদ এৰি ৰাণীৰ সৈতে বনবাসত ওলাই গ'ল। ৰজাৰ এই দুখৰ সমছোৱাতো কিন্তু শনি দেৱতায়ে তাক অসুবিধা আৰু দুখ দিয়েই থাকিল। কেতিয়াবা ৰজা আৰু ৰাণীৰ যাত্ৰাৰ মাজতে শনিদেৱে অলৌকিক শক্তিৰ সহায়ত এখন নদী সৃষ্টি কৰি বাধা প্ৰদান কৰে। কেতিয়াবা পোৰা মাছ হাতৰপৰা কাঢ়ি লৈ যায়। তাৰ পিছত ৰজা আৰু ৰাণীয়ে এখন গাঁৱত উপস্থিত হৈ আশ্ৰয় বিচৰাত গাঁওৰ মানুহে আশ্ৰয় দিয়ে। ৰজাই সাধাৰণ মানুহৰ দৰে গাঁওবাসীৰ সৈতে খৰিকাটিবলৈ যায়। এনে সময়তে শনি দেৱতাই বুঢ়া পুৰোহিতৰ বেশলৈ ৰাণীক অপহৰণ কৰি লৈ যোৱা কাৰ্যত দুষ্ট সদাগৰক সহায় কৰে। ৰাণীক বিচাৰি গৈ ৰজাই অন্য এজন পুৰোহিতৰ আশ্ৰমত নিজৰ দুখৰ কথা খুলি কোৱাত, সেই আশ্ৰমৰ পুৰোহিতজনে ৰজাক তাতে থাকিবলৈ দিহা কৰি দিয়ে। ৰজাই তাতে থাকি স্বৰ্ণ গাই এজনীৰ ৰখীয়াল হয়। যি স্বৰ্ণগাইয়ে গাখীৰৰ লগতে সোণো দিয়ে। এদিন ৰজাই তাৰপৰা বিদায় লৈ পুনৰ ৰাণীক বিচাৰি ওলাই যায়। নদীৰ পাৰে পাৰে গৈ থকা ৰজাক বিভ্ৰান্ত কৰি এইবাৰো শনি দেৱতাই ৰজাৰপৰা ধন সোণখিনি লৈ যায়। ঘটনাক্ৰমে ৰজাই অন্য ৰাজ্যত প্ৰৱেশ কৰে আৰু তাৰ ৰাজকন্যাক বিয়া পাতি, নদীৰ পাৰত এটা জুপুৰি ঘৰ সাজি তাত বসবাস কৰিবলৈ ধৰে। এদিন সেই বাটেৰে দুষ্ট সদাগৰে তেওঁৰ পূৰ্বৰ ৰাণীক লৈ আহোঁতে ৰজাৰ চকুত পৰে আৰু ৰাণীক উদ্ধাৰ কৰি নিজ দেশলৈ উভতি আহে।

(তথ্য দাতা- গণেশ ৰায়, বয়স-৬৩ বছৰ, গাইখোৱা, ধুবুৰী)

## কেশমতী কন্যা

এসময়ত এখন ৰাজ্যত এজন ধনী খেতিয়ক আছিল। খেতিয়কজনৰ পাঁচজন ল'ৰাৰ ভিতৰত এজন ল'ৰা বৰ বলী আছিল। খেতিয়কৰ ল'ৰাজন বলী আছিল, যদিও ঘৰৰ একো কাম বন কৰা নাছিল। তেওঁ দিনৰ বেছি ভাগ সময় চিকাৰ, যুঁজ বাগৰ কৰি আৰু আহাৰ গ্ৰহণত পাৰ কৰিছিল। খেতিয়কজনে পুত্ৰৰ এইবোৰ কাণ্ড বহু দিনলৈ লক্ষ্য কৰি আছিল। এনে আচৰণৰ কাৰণে ধনী খেতিয়জনে বাকী চাৰিজন পুত্ৰৰ সৈতে মিলি এদিন নিজৰ বলী পুত্ৰজনক ঘৰৰপৰা উলিয়াই দিলে। বলী ল'ৰাজনে ঘৰৰপৰা ওলাই গৈ, অন্য এখন দেশৰ নৈৰ পাৰত আন এজন বলী মানুহক লগ পালে। এই বলী মানুহজন আছিল অঘৰী। এইবাৰ দুই বলী বন্ধুৱে নৈৰ পাৰে পাৰে গৈ এজোপা প্ৰকাণ্ড গছৰ তলত জিৰণি ল'লে। ঘটনাক্ৰমে অঘৰী বলী মানুহজনে জুই বিচাৰি হাবিৰ

মাজত বসবাস কৰা বুঢ়ী এজনীৰ নাতিনীয়েক কেশমতীক বিয়া পাতে। আকৌ খেতিয়কৰ ল'ৰাই অন্য দেশৰ ৰাক্ষসক এটাক বধ কৰি, সেই ৰাজ্যৰ অৰ্দ্ধেক অংশ লাভ কৰে আৰু ৰজা হৈ সুখেৰে দিন কটায়।

(তথ্য দাতা- নিতানন্দ ৰায়, বয়স- ৮০ বছৰ, শগুনবাহী, গোৱালপাৰা)

## উৰিৰ উড়াল

বহুদিন আগতে এখন গাঁৱত এহাল বুঢ়া-বুঢ়ী বসবাস কৰিছিল। এবাৰ বুঢ়াৰ লহ্‌পহ্‌কৈ বাঢ়ি অহা মাকৈৰ খেতি ডৰা ইন্দ্ৰ ৰজাৰ হাতীয়ে খাই তহিলং কৰিলে। বুঢ়াই এই কথা ধৰিব নোৱাৰি চিন্তাত পৰিল। দুই তিনিদিনমান এইদৰে বুঢ়াৰ মাকৈ হাতীয়ে খাই শেষ কৰাত বুঢ়াই এদিন খাপ পিটি থাকিল। ঠিক হাতীয়ে আহি মাকৈ খাবলৈ আৰম্ভ কৰোঁতে বুঢ়াই গৈ হাতীৰ নেজত ধৰিলে। হাতী উৰি উৰি ইন্দ্ৰ ৰজাৰ ৰাজদৰবাৰ পালেগৈ। তেতিয়া বুঢ়াই সকলো বুজি পালে। ইন্দ্ৰৰজাই ক্ষতি পূৰণ হিচাপে বুঢ়াক সোণৰ বাটি দিলে। পিছদিনা এই খবৰ কাণ বাগৰি গাঁৱৰ ৰাইজে জানিলে। বুঢ়াৰ ভাগিনে এই কথা গম পাই ইন্দ্ৰ ৰজাক চোৱাৰ নিমিত্তে বুঢ়াক খাটনি ধৰিবলৈ ধৰিলে। বুঢ়া উপায়ন্তৰ হৈ এইবাৰ ভাগিনক ইন্দ্ৰ ৰজাৰ ওচৰলৈ নিবলৈ ঠিৰাং কৰিলে। আগৰ দৰে হাতী আহিল। হাতীৰ নেজত বুঢ়া আৰু বুঢ়াৰ কঁকালত ভাগিনে ধৰি গৈ থাকিল। ইন্দ্ৰ স্বৰ্গৰ ৰাজ্য পোৱাৰ ঠিক আগতে বুঢ়াই সোণৰ বাটিৰ আকাৰ দেখুৱাবলৈ গৈ হাতীৰ নেজডাল এৰি দিলে, ফলত বুঢ়া আৰু ভাগিন আকাশৰপৰা সৰি মৰি থাকিল।

(তথ্যদাতা- ছানো বালা ৰায়, বয়স-৮০ বছৰ, দঃডিমল গাঁও, কোকৰাঝাৰ)

## যাদুকৰী ৰাণী

এখন ঠাইত এজন বৰ ধাৰ্মিক মাছমৰীয়া আছিল। দিনত তিনিবাৰতকৈ অধিক তেওঁ জাল পেলোৱা নাছিল। এদিন মাছমৰীয়াজনে মাছ মাৰি থাকোঁতে এটা ৰাক্ষসৰ সন্মুখীন হ'ল আৰু ৰাক্ষসে তেওঁক এখন বিলৰ কথা ক'লে, য'ত মাছ মাৰিলে চাৰিটা বিভিন্ন ৰঙৰ মাছ পাব আৰু সেই মাছ ৰজাৰ ঘৰত বিক্ৰী কৰি মাছমৰীয়াই টকা ঘটিব পাৰিব। ৰাক্ষসে কোৱাৰ দৰে মাছমৰীয়াই বিলত মাছ মাৰি সেই মাছ ৰজাৰ তাত বিক্ৰী কৰি ধন ঘটে। ইফালে সেই মাছ ৰজাই খাবলৈ নাপায়, অৰ্থাৎ কেৰাহীত দিয়া মাত্ৰই মাছ অদৃশ্য হৈ যায়। এই লৈ ৰজাই মাছমৰীয়াক মাতি অনাত সেই বিলখনৰ কথা গম পালে। এদিন ৰজাই সেই বিলখনত কি আছে বুলি ৰাতি চাবলৈ যোৱাত অন্য এজন ৰজাক লগ পায়, যাৰ শৰীৰ অৰ্ধ শিল আৰু অৰ্ধ মানুহ। তেতিয়া ৰজাই গম পালে যে

সেই ৰজাজনৰ ৰাণী গৰাকী যাদুবিদ্যাত পাৰ্গত আৰু নিজৰ পৰকীয়া প্ৰেমৰ কাৰণে নিজ স্বামীক তেনে অৱস্থা কৰি ৰাখিছে। পিছত ৰজাই সকলো কথা গম পাই, যাদুকৰী ৰাণীক হত্যা কৰি তাইৰ স্বামীক উদ্ধাৰ কৰে।

(তথ্যদাতা- অহিল্যা ৰায়, বয়স-৪৫, কাশীটাৰি, কোকৰাঝাৰ)

**বামুণ বামুণী আৰু ৰাক্ষসনী**

এখন গাঁওত এহাল বামুণ আৰু বামুণী আছিল। সিঁহতৰ কোনো সতি-সন্ততি নাছিল। সেইবাবে গাঁওৰ ৰাইজে দুয়োকে কুলাঙ্গাৰ বুলি ভাৱি গাঁৰৰপৰা খেদি দিলে। মনৰ বেজাৰত বামুণ বামুণীয়ে গাঁও এৰিলে। সিঁহতে বিভিন্ন পাহাৰ পৰ্বত, হাবি-জংঘল, নদ-নদী পাৰ হৈ যাবলৈ ধৰিলে। এনেকৈ গৈ গৈ বামুণ বামুণীয়ে এখন সোণৰ পাহাৰ পালে। সোণৰ পাহাৰ পাই সিঁহতে তাতে থাকিবলৈ মনস্থ কৰিলে। কিন্তু তাত এজনী ৰাক্ষসীয়ে বসবাস কৰিছিল। বামুণ বামুণীৰ সম্ভেদ পাই ৰাক্ষসীয়ে ধুনীয়া ছোৱালীৰ ৰূপ ধাৰণ কৰি, এই সংসাৰত তাইৰ কোনো নাই বুলি দুখ প্ৰকাশ কৰিবলৈ ধৰিলে। গতিকে বামুণে তাইক দ্বিতীয় পত্নী হিচাপে গ্ৰহণ কৰিলে আৰু সিহঁতে একেলগে থাকিবলৈ ল'লে। পিছলৈ গৰ্ভৱতী হোৱা বামুণৰ দুই পত্নীৰ ফালৰপৰা চাহাৰা আৰু চাম্পা নামৰ দুজন ল'ৰা সন্তান উপজিল। এদিন বামুণৰ ৰাক্ষসী পত্নীজনীৰ মাংস খাবলৈ মন যোৱাত বামুণে চিকাৰলৈ গ'ল আৰু পহু লৈ উভতি আহিল। ইফালে ৰাক্ষসী পত্নীয়ে পহুৰ মাংস পাই কেঁচাই খাবলৈ আৰম্ভ কৰে। এইদেখি বামুণৰ আৰু বুজিবলৈ বাকী নাথাকিল যে, তেওঁৰ দ্বিতীয় পত্নী ৰাক্ষসী। ঘটনাক্ৰমে ৰাক্ষসীয়ে বামুণ আৰু বামুণীক মাৰি মাংস ভক্ষণ কৰে। ইফালে চাহাৰাই ৰাক্ষসীজনীক হত্যা কৰে আৰু অন্য দেশলৈ পলাই যায়। সেই দেশতো অত্যাচাৰী ৰাক্ষস এটাক হত্যা কৰি অৰ্ধেক ৰাজ্য লাভ কৰে আৰু ৰজা হৈ সুখেৰে জীৱন যাপন কৰে।

(তথ্যদাতা- দৰিন্দ্ৰ ৰায়, বয়স-৮০ বছৰ, গাঁও- বিজিলিবাৰী, চন্দ্ৰপাৰা, কোকৰাঝাৰ)

**জোক আৰু বেদেলাং সৃষ্টিৰ কাহিনী**

বহুদিন আগৰ কথা, এখন গাঁৰত এহাল বুঢ়া বুঢ়ী আছিল। ছোৱালী সন্তান বিচাৰি সাতজনকৈ ল'ৰা সন্তান জন্ম হোৱাৰ পিছতো কিন্তু ছোৱালী সন্তান নাপালে। এইদেখি বুঢ়া -বুঢ়ীৰ দুখ। এদিন বুঢ়া-বুঢ়ীয়ে হাবিত খৰি কাটিবলৈ যাওঁতে এজনী ধুনীয়া ছোৱালী হাবিৰ মাজত দেখা পালে। বুঢ়া-বুঢ়ীয়ে সেই ছোৱালীজনীক দেৱী বুলি ভাবি নিজৰ দুখৰ কথা ক'লে আৰু পৰিত্ৰাণৰ উপায় বিচাৰিলে। এইফালে সেই ছোৱালীজনী দৰাচলতে দেৱী নাছিল। কাৰ্যতঃ তাই এজনী ৰাক্ষসী

আছিল আৰু হাবিৰ জীৱ-জন্তু খাই শেষ কৰিছিল। বুঢ়া-বুঢ়ীৰ এনে দুখৰ কথা শুনি ছোৱালীজনীয়ে এডাল গছ দেখুৱাই তাত লাগি থকা ঔটেঙা দুটা খালে বুঢ়া-বুঢ়ীৰ মনোকামনা পূৰণ হ'ব বুলি ক'লে। ঔটেঙা খোৱাৰ পিছত সেই ৰাক্ষসীজনীয়ে বুঢ়া-বুঢ়ীৰ ছোৱালী হৈ জন্ম লাভ কৰিলে। ছোৱালীজনী ডাঙৰ হৈ অহাত এদিন হাতী খোৱা অৱস্থাত বুঢ়াৰ সৰু পুতেকে দেখা পায়। এই কথা বুঢ়া-বুঢ়ীক কোৱাত বুঢ়া-বুঢ়ীয়ে সৰু পুতেককহে ঘৰপৰা খেদি দিয়ে। ঘটনাক্রমে ৰাক্ষসীয়ে বুঢ়া-বুঢ়ীকে আদি কৰি গাঁৱৰ সকলো জীৱ-জন্তু, মানুহ ইত্যাদিক খাই শেষ কৰি দিয়ে। পৰৱৰ্তী সময়ত সৰু পুতেক ঘৰলৈ ঘূৰি আহি সকলো কথা গম পায় আৰু ৰাক্ষসীক কুঠাৰেৰে কাটি দুছোৱা কৰে। ৰাক্ষসীজনীৰ খণ্ডিত শৰীৰৰ এটা টুকুৰা পানীত পৰাত তাৰপৰা বেদেলাং (পানী জোক) আৰু আনটো টুকুৰা মাটিত পৰাত তাৰপৰা জোক সৃষ্টি হ'ল। ৰাক্ষসীৰ মৃত্যুৰ পিছত গাঁওৰ সকলো মানুহ পুনৰ জীয়াই উঠে।

(তথ্যদাতা- চক্রপাণি ৰায়, বয়স-৫৫ বছৰ, ডিমলগাঁও, কোকৰাঝাৰ)

**যম ৰজাৰ গৰখীয়া**

এবাৰ এজন বুঢ়া মানুহক সপোনতে যম ৰজাৰ দূতে বাটৰপৰা তুলি স্বৰ্গলৈ লৈ যায়। পিছত যম ৰজাই এই কথাটো গম পায়। কিন্তু তাৰ পিছতো যম ৰজাই বুঢ়াজনক মৰতলৈ থ'বলৈ নাহি নিজৰ গৰুবোৰ চাবলৈ গৰখীয়া হিচাপে ৰাখিবলৈ মনস্থ কৰে। যমপুৰী যিহেতু চাৰিওফালে ৰাক্ষসেৰে ভৰপূৰ, গতিকে বুঢ়া মানুহজনক তাৰপৰা ৰক্ষা পাবলৈ যমৰজাই এজনী কপিলী গাই দিয়ে। গাইজনী অলৌকিক শক্তিৰ অধিকাৰী আছিল। বুঢ়া মানুহজনৰ ভোক লাগিলে গাইজনীৰ গাখীৰ খাইছিল আৰু ৰাক্ষসে আক্ৰমণ কৰিলে গাইজনীৰ গাত হাত দিয়াৰ লগে লগে সকলো বিপদ নোহোৱা হৈছিল। সম্পূৰ্ণ তিনিবছৰৰ মূৰত বুঢ়া মানুহজনক যম ৰজাই মৰতত থৈ আহিবলৈ দূতক আদেশ দিলে। এনে সময়ত সুযোগ বুজি বুঢ়ায়ে নিজৰ পাপৰ পৰিমাণ জানিবলৈ যম ৰজাক প্ৰশ্ন কৰিলে; তেতিয়া যম ৰজাই উত্তৰ দি ক'লে যে, বুঢ়া মানুহজনৰ যিমান পাপ আছিল, সেই পাপ তিনিবছৰ ধৰি গৰখীয়া হিচাপে কাম কৰাৰ বাবে খণ্ডন হৈছে। যদি বুঢ়ায়ে পাপ কৰিব নিবিচাৰে তেতিয়া হ'লে মৰতৰ সকলো জীৱ-জন্তু, গছ-গছনিক বুঢ়াই ক্ষতি সাধন কৰাৰপৰা বিৰত থাকিব লাগিব। ইয়াৰ পিছতে বুঢ়াই সপোনৰপৰা সাৰ পায়।

(তথ্য দাতা- হেম ৰায়, বয়স-৬৫ বছৰ, ধাউলিগুৰী, কোকৰাঝাৰ)

## হীৰা আৰু হীৰাণী

এবাৰ এহাল দম্পতি বণিজলৈ গৈ থকা অৱস্থাত বাটতে ছোৱালী সন্তান জন্ম গ্ৰহণ কৰে। ছোৱালী সন্তান হোৱাৰ বাবে কেঁচুৱাটোক পাঁচি এটাত শুৱাই নদীত উটুৱাই দিয়ে। এহাল চিলনীয়ে ওপৰৰ পৰা কেঁচুৱাটোক দেখি লৈ আহে আৰু গছ এডালৰ ওপৰতে তুলি-তালি ডাঙৰ-দীঘল কৰিবলৈ ধৰে। এবাৰ এজন চহকী ব্যক্তিয়ে সেইফালে দি গৈ থকা অৱস্থাত ছোৱালীজনীক দেখা পায় আৰু ছোৱালীজনীৰ সৌন্দৰ্যত মুগ্ধ হৈ বিয়াৰ প্ৰস্তাৱ আগবঢ়ায়। বিয়াৰ পিছত ঘৰৰ কাম-বন একো নজনা ছোৱালীজনীক শাহু মাকে কষ্ট দিবলৈ ধৰে। এনে অৱস্থাত উপায়হীন হৈ ছোৱালীজনীয়ে চিলনী মাকক মাতে আৰু মাকে ভাত, আঞ্জা, কাপোৰ বোৱা ইত্যাদিৰ দিহা দিয়ে। ইফালে শাহুমাকে এই কথা জানিব পাৰি, এদিন ষড়যন্ত্ৰ কৰি চিলনীক হত্যা কৰে। কিন্তু ইয়াৰ পিছতো মাক চিলনীয়ে শিকাই থৈ যোৱা কামখিনি সৰোগত কৰি ছোৱালীজনীয়ে ঘৰ-সংসাৰখন চলাই লৈ যায়।

(তথ্য দাতা- নিতানন্দ ৰায়, বয়স- ৮০ বছৰ, শগুনবাহী, গোৱালপাৰা)

## শগুণ আৰু বিধৱা মহিলা

এবাৰ নৱ বিবাহিত দম্পতিৰ পুৰুষজন বিবাহৰ এমাহ মানৰ পিছতে মৃত্যু হ'ল। মৃত্যুৰ পিছত অসহায় মহিলাগৰাকী নিজৰ মৃত স্বামীৰ ঘৰ এৰি নিজৰ মাকৰ ঘৰলৈ খোজ ল'লে। ফাগুনৰ শুকান পথাৰৰ মাজেদি কেইবা মাইল খোজ কাঢ়ি গৈ পথাৰৰ মাজতে এজাক শগুণে এটা গৰুৰ মৰাশক আৱৰি ৰৈ থকা দেখা পালে। দৰাচলতে গৰুৰ মৰাশটো অশুচি ঠাইত আছিল। সেয়ে কোনো শগুণেও ভক্ষণ কৰিব পৰা নাছিল। শগুণৰ ৰজাই মহিলাগৰাকীক পথাৰৰ মাজত লগ পাই গৰুৰ মৰাশটো অলপ মান আঁতৰাই দি শুচি ঠাই পোৱাকে থবলৈ ক'লে। এই কামৰ বাবদ শগুণৰ ৰজাই মহিলাগৰাকীক দৈব্য শক্তিৰ আৰ্শীবাদ দিব বুলিও ক'লে। মহিলাগৰাকী গৰুৰ মৰাশটো অলপ লৰাই দিয়াৰ পিছতে শগুণৰ জাকটোয়ে গৰুৰ মৰাশটো খাব পৰা হ'ল। পিছত কথামতে শগুণৰ ৰজাই মহিলাগৰাকীক কি আৰ্শীবাদ লাগে বুলি সোধাত মহিলাগৰাকীয়ে মানুহৰ মৃত্যু হ'লে ক'ত কিদৰে যায় তাক চাব পৰা আৰ্শীবাদ বিচাৰিলে। আৰ্শীবাদত পোৱা দৈব্য শক্তিৰদ্বাৰা পিছলৈ মহিলাগৰাকী নিজৰ স্বামীক কিদৰে লৈ গৈছিল, অন্য কোনো মানুহ মৰিলে কেনেদৰে লৈ যায়, ভাল মানুহক যিদৰে লৈ যায়, সেইটো দেখি মহিলাগৰাকী সুখী হয় আৰু বেয়া মানুহক হানি-খুচি লৈ যোৱা দেখি মহিলাগৰাকী দুখী হ'ব ধৰিলে।

(তথ্য দাতা- হেম ৰায়, বয়স-৬৫ বছৰ, ধাউলিগুৰী, কোকৰাঝাৰ)

## সাহসী ৰাজপুত্ৰ

বহুদিনৰ আগৰ কথা, ৰংপুৰত গজী নাৰায়ণ নামে এজন পৰাক্ৰমী ৰজা আছিল। ৰজা আছিল মহাজ্ঞানী, প্ৰজাৰৎসল, পৰমগুণী আৰু সত্যবাদী। ৰজাৰ তিনিজনী সুন্দৰী ৰাণী আছিল যদিও ৰজা আছিল নিঃসন্তান। এই লৈ ৰজাৰ বৰ দুখ। ৰজাই এজন সন্ন্যাসীৰ পৰামৰ্শ মতে পুত্ৰ সন্তানৰ বাবে এক ডাঙৰ যজ্ঞৰ আয়োজন কৰিলে। ইয়াৰ পিছতে ৰজাই শ্ৰীকান্ত নামেৰে এজন পুত্ৰ সন্তান লাভ কৰিলে। ৰাজকুমাৰ শ্ৰীকান্ত চিকাৰ প্ৰিয় আছিল। এবাৰ শ্ৰীকান্তই সৈন্যসামন্ত লৈ চিকাৰলৈ যাওঁতে অৰণ্যৰ মাজত দিশহাৰা হৈ সৈন্য সামন্তৰপৰা বিছিন্ন হৈ পৰিল। এনে বিপদৰ সময়ত শ্ৰীকান্তই পিয়াহ গুচাবলৈ এটা সৰোৱৰত নামি হেঁপাহ পলুৱাই পানী খালে। সেই সৰোবৰত কাল্নেমী আৰু গুল্নেমী নামৰ ৰাক্ষস দুটায়ে দেৱগ্ৰাম ৰাজ্যৰ ৰাজকন্যাক বন্দী কৰি আনি থৈছিল। দুই ৰাক্ষসে ৰাজকন্যাক বিয়া পাতিবলৈ নিজৰ মাজতে কাজিয়া কৰি আছিল। এই কাজিয়াৰপৰা শ্ৰীকান্তই গম পালে যে কাল্নেমীৰ জিউটো সৰোবৰৰ পানীৰ তলত এটা পাত্ৰত আছে আৰু গুল্নেমীৰ জিউটো 'হিঞ্জল গছৰ গুহাত শুই থকা 'বাওয়াই' পখীৰ লগত আছে। শেষত সুযোগ বুজি ৰাজকুমাৰ শ্ৰীকান্তই ৰাক্ষস দুটাক হত্যা কৰি ৰাজকন্যাক নিজৰ কৰে।[৬৮]

## হস্তীৰ কন্যা

বহুদিন আগতে গদাধৰ নদীৰ পাৰত এহাল দুখীয়া বামুণ-বামুণীয়ে বসবাস কৰিছিল। এবাৰ সেইদেশৰ ৰজাই মহাযজ্ঞৰ আয়োজন কৰিছিল আৰু বিভিন্ন ঠাইৰ পুৰোহিতসকলক আমন্ত্ৰণ কৰিছিল। যথাসময়ত মহাযজ্ঞৰ অনুষ্ঠান শেষ হোৱাৰ পিছত দেখাত ধুনীয়া আৰু সুঠাম বামুণক দেখি ৰজায়ে নিজ কন্যাক বামুণলৈ বিয়া দিবলৈ ইচ্ছা প্ৰকাশ কৰে। সেইমতে বামুণে ৰজাৰ কন্যাক বিয়া পাতি কেইদিনমানৰ পিছত ঘৰলৈ ঘূৰি আহে। ইয়াৰ পিছত বামুণ আৰু ৰজাৰ কন্যায়ে প্ৰায় বামুণীক ঘৰুৱা কাম-বন আদিত কষ্ট দিবলৈ ধৰে। বামুণীয়ে দুখত সদায় গদাধৰ নৈৰ পাৰত গৈ চকুপানী টুকে। ইফালে সদায় গদাধৰ নদীলৈ পানী খাবলৈ অহা এহাল বনৰীয়া হাতীয়ে বামুণীৰ দুখৰ কথা এদিন গম পাই বামুণীক লগত লৈ যায়, পৰৱৰ্ত্তী সময়ত বামুণী প্ৰকাণ্ড মাখুন্দী হাতীলৈ ৰূপান্তৰিত হয় আৰু হাতীজাকৰ ৰাণী হৈ জীৱনকাল কটাব ধৰে।

(তথ্য দাতা- গণেশ ৰায়, বয়স-৬৩ বছৰ, গাইখোৱা, ধুবুৰী)

## ৰংফুল

এদিন ফণিয়ে মাছ মাৰি থাকোঁতে মাছৰ সলনি স্বৰ্গৰ 'ৰংফুল' পালে। এই ফুল ৰজাৰ ডাঙৰ ৰাণীয়ে খোপাত গুজি লোৱাত, তাইক দেখিবলৈ অপেশ্বৰী যেন লাগিল। এইদেখি সৰু ৰাণীয়ে 'ৰংফুল' নোপোৱাত ৰোহ ঘৰত গৈ সোমাল। তেতিয়া ৰজাই ফণিক ৰংফুল আনিবলৈ আদেশ দিলে আৰু যদি আনিব নোৱাৰে ফণিক শূলত দিয়া হ'ব বুলি ক'লে। ফণিয়ে ৰংফুল বিচাৰি প্ৰথমতে দেশে দেশে ঘুৰি ফুৰি জিৰণি লোৱাত এটা সপোন দেখা পালে, য'ত তেওঁক কোৱা হ'ল যে পুখুৰীত গা ধুবলৈ অহা ৰাজহাঁহ এটাক যদি ধৰিব পাৰে, তেতিয়া ৰংফুল পোৱাটো সম্ভৱপৰ হ'ব। ঘটনাক্ৰমে ফণিয়ে ৰাজহাঁহৰ যোগেদি স্বৰ্গ ৰাজ্য গৈ পালে আৰু ৰাক্ষসসমূহক বধ কৰি ৰংফুল আৰু ৰজাৰপৰা অৰ্ধেক ৰাজ্য লাভ কৰে।

(তথ্য দাতা- নিতানন্দ ৰায়, বয়স- ৮০ বছৰ, শগুনবাহী, গোৱালপাৰা)

## ৰজা আৰু মন্ত্ৰীৰ পুত্ৰ

এবাৰ এজন গুৰুয়ে নিজৰ শিষ্যক লৈ দেশ ভ্ৰমণ কৰিবলৈ ওলাল। দুয়োগৰাকী গুৰু-শিষ্যয়ে দেশ-বিদেশ ঘুৰি বিভিন্ন জ্ঞান আৰ্জন কৰিলে। এনেকৈ ঘুৰি ফুৰোঁতে এবাৰ দুয়োজনে এখন বজাৰত গৈ উপস্থিত হ'ল। শিষ্যজনে লক্ষ্য কৰিলে যে বজাৰৰ প্ৰৱেশদ্বাৰত এটা ছাগলী বান্ধি ৰখা আছে আৰু বজাৰত প্ৰৱেশ কৰা প্ৰতিজন ব্যক্তিয়ে ছাগলীজনীক কিল শোধাই প্ৰৱেশ কৰিছে। এই দৃশ্যই শিষ্যৰ মনত কৌতূহলৰ সৃষ্টি কৰিলে আৰু গুৰুক তাৰ কাৰণ সুধিলে। তেতিয়া গুৰুৱে ক'ব ধৰিলে—এবাৰ এজন ৰজাই নিজৰ পুত্ৰ আৰু মন্ত্ৰীৰ পুত্ৰক যাদু বিদ্যা শিক্ষা লাভৰ উদ্দেশ্যে অন্য ৰাজ্যলৈ পঠিয়াই দিলে। যাদু বিদ্যা সাং কৰি দুই গৰাকীয়ে উভতি আহোঁতে অৰ্জন কৰা যাদুবিদ্যা আধা বাটতে পৰীক্ষা কৰি চাবলৈ মনস্থ কৰিলে। মন্ত্ৰীৰ পুত্ৰৰ কথা মতে ৰজাৰ পুত্ৰই অৰ্জন কৰা যাদুবিদ্যা প্ৰয়োগ কৰি নিজৰ শৰীৰটো ত্যাগ কৰি, গছ এডালত বহি থকা চৰাইৰ দেহত গৈ সোমাল। ইফালে এই চেগতে মন্ত্ৰীৰ পুত্ৰই ৰজাৰ পুত্ৰৰ শৰীৰত প্ৰৱেশ কৰি নিজ ৰাজ্যলৈ ঢাপলি মেলিলে। ইফালে প্ৰকৃত ৰজাৰ পুত্ৰই চৰাই হৈ অলৌ-টলৌ কৈ ঘুৰি ফুৰিবলৈ ধৰিলে। ঘটনাক্ৰমে চৰাই হৈ ঘুৰি ফুৰা ৰজাৰ পুত্ৰই সেই দেশৰ ৰজাপ্ৰসাদত সোমাল আৰু কেইদিনমান পিছতে ৰজাই সকলো কথা গম পালে। তেতিয়া ৰজাই নিজ কন্যাৰ সৈতে লগ হৈ চৰাই হৈ থকা ৰজাৰ পুত্ৰক উদ্ধাৰ কৰিলে। আনহাতে কু-চক্ৰান্তকাৰী মন্ত্ৰীৰ পুত্ৰক ছাগলী লৈ ৰূপান্তৰিত কৰি শাস্তি স্বৰূপে বজাৰৰ প্ৰৱেশ দ্বাৰত বান্ধি ৰখা হ'ল। তেতিয়াৰপৰাই এইখন বজাৰত যিয়ে প্ৰৱেশ

কৰে সিয়ে এটা কিল শোধাই যাব লাগে।

(তথ্যদাতা- অহিল্যা ৰায়, বয়স-৪৫, কাশীটাৰি, কোকৰাঝাৰ)

### খৰিকটীয়াৰ দুই পুত্ৰ

এজন দুখীয়া খৰিকটীয়াৰ দুজন ল'ৰা আছিল। ল'ৰা দুজনৰ নাম আছিল দুলাল আৰু চুলাল। এদিনাখন হাবিত খৰি কাটিবলৈ গৈ খৰিকটীয়াই নিজৰ দুই ল'ৰাক হাবিত হেৰুৱাই পেলালে। পিছদিনা সেইদেশৰ ৰজাই দুলাল আৰু চুলালক লগত লৈ ৰাজপ্ৰসাদলৈ আহে। ৰজা নিঃসন্তান আছিল গতিকে দুলাল আৰু চুলালকে নিজৰ ল'ৰাৰ দৰে ভাবি সৰ্ববিদ্যাত পাৰ্গত কৰি তুলিলে। বিদ্যা শিক্ষা লাভ কৰি দুই ভাইয়ে দেশ ভ্ৰমণ কৰিবলৈ মনস্থ কৰি ওলাই গ'ল। দুলালে গৈ এনে এখন ৰাজ্য পালে য'ত মানুহ-দুনুহ কোনো নাই। দৰাচলতে সেইদেশত এটা ৰাক্ষসে মানুহবোৰ খাই নোহোৱা কৰিছে আৰু সেইদেশৰ ৰজাই সৰ্ববল প্ৰয়োগ কৰাৰ পিছতো ৰাক্ষসটোক বধ কৰিব পৰা নাছিল। গতিকে দুলালে ৰাক্ষসটোক বধ কৰে আৰু পুৰুস্কাৰ হিচাপে অৰ্ধেক ৰাজ্য লাভ কৰে। এদিন দুলালে নিজদেশ চোৱাৰ নিমিত্তে ওলাই যায় আৰু এগৰাকী মায়াৱী ৰাক্ষসীৰদ্বাৰা শিললৈ পৰিণত হয়। পিছত চুলালে নিজ ককায়েকক উদ্ধাৰ কৰে আৰু সেইদিনাৰপৰা শান্তিৰে দেশ চলাই যাবলৈ ধৰে।

(তথ্য দাতা- নিতানন্দ ৰায়, বয়স- ৮০ বছৰ, শগুনবাহী, গোৱালপাৰা)

### ঢেসে ফুলে

সৃষ্টিকৰ্তা ব্ৰহ্মাই পৃথিৱীত জীৱৰ সৃষ্টি কৰাৰ সময়ত জীৱৰ খাবৰ বাবে একো সৃষ্টি কৰা নাছিল। গতিকে পৃথিৱীৰ জীৱসমূহে বহু দিন অনাহাৰে থাকিব লগাত পৰিল। এই পৰিস্থিতি দেখি নাৰদৰ মনত বেজাৰ লাগিল। সেয়েহে এই কথা গৈ তেওঁ সৃষ্টিকৰ্তা ব্ৰহ্মাৰ কাণত পেলালে গৈ। তেতিয়া ব্ৰহ্মাই পৃথিৱীত জীৱই খাব পৰাকৈ বিভিন্ন গছ গছনি আদিৰ ব্যৱস্থা কৰিবলৈ লক্ষ্মীক দায়িত্ব দিলে। লক্ষ্মী পৃথিৱীলৈ নামি অহাৰ সময়ত সৰস্বতীও পৃথিৱীত জ্ঞান বিলোৱাৰ নিমিত্তে নামি আহিল। দুয়ো নামি আহি এজন ৰজাক পৃথিৱীত খেতি আৰু জ্ঞান বিলোৱাৰ দায়িত্ব দিলে। লাহে লাহে পৃথিৱীৰ জীৱই খাব পৰাকৈ সকলো হ'ল। এবাৰ এজন বামুণে ধানখিনি খোৱাৰ উপযুক্ত নোহোৱাৰ আগতে মুখত দিয়াত লক্ষ্মীয়ে তেওঁক অভিশাপ দিলে যে বামুণে আৰু খেতি কৰিব নোৱাৰিব। কিন্তু এনে অভিশাপৰ মাজতো এজন ব্ৰাহ্মণ ক্ষত্ৰিয়ৰ সহায়ত ধনী হৈ পৰিছিল। ব্ৰাহ্মণীয়ে আকৌ খেতিপথাৰৰ ধান যাতে পোক, পৰুৱাই অনিষ্ট কৰিব নোৱাৰে তাৰ কাৰণে প্ৰতি

বছৰে 'ফাৰাল' পূজা কৰিছিল। ব্ৰাহ্মণীক এনে পূজা কৰা দেখি এবাৰ ক্ষত্ৰিয় জনে মনে মনে খেতিপথাৰত চাবলৈ গ'ল। ব্ৰাহ্মণীয়ে ফাৰাল পূজা কৰি উঠি লক্ষ্মীৰ উদ্দেশ্যে ক'ব ধৰিলে- ক্ষত্ৰিয়জন যেন তেওঁৰ ঘৰ এৰি নাযায়। কাৰণ খেতিপথাৰত কাম কৰিবলৈ মানুহ পোৱা টান। এই কথা ক্ষত্ৰিয়জনে শুনি বামুণ আৰু বামুণীক এশিকনি দিবলৈ মনতে ঠিৰাং কৰিলে। ঘটনাক্ৰমে বামুণ দুখীয়া হৈ পৰিল আৰু ক্ষত্ৰিয়ৰ প্ৰয়োজনীয় সা-সুবিধা দিব নোৱাৰাত ক্ষত্ৰিয় বামুণৰ ঘৰ এৰি গুছি গ'ল।

(তথ্যদাতা- হেম ৰায়, বয়স-৬৫ বছৰ, ধাউলিগুৰী, কোকৰাঝাৰ)

### (গ) সৃষ্টিমূলক সাধু

কোচ-ৰাজবংশীৰ উৎপত্তিমূলক সাধুত পুৰাকথা আৰু কিংবদন্তিমূলক সাধুকথাক সামৰিব পাৰি। সৃষ্টিৰ কথা আধাৰিত পুৰাকথাসমূহে কোচ-ৰাজবংশী সাধুকথাক চহকী কৰি তুলিছে। জগত সৃষ্টিৰ কামসমূহ যিহেতু মানুহৰদ্বাৰা সম্ভৱপৰ নহয়। গতিকে এনে পুৰাকথাৰ নায়ক বা নায়িকাসমূহ হৈছে দেৱ বা দেৱী। প্ৰধানতঃ মানুহ, জীৱ-জন্তু, নদ-নদীৰ উৎপত্তি, গ্ৰহ-নক্ষত্ৰ, দিন-ৰাতি, জন্ম-মৃত্যু ইত্যাদি সৃষ্টিজনিত ঘটনাক লৈ পূৰাকথাসমূহ বৰ্ণিত হৈছে। পৃথিৱীৰ আন আন জাতি জনগোষ্ঠীসমূহৰ পুৰাকথাসমূহ লক্ষ্য কৰিলে, জগত সৃষ্টিৰ আঁৰত যে একেখিনি বিশ্বাসে ক্ৰিয়া কৰি আছে তাক অনুমান কৰিব পাৰি। সমান্তৰালভাৱে পুৰাকথাসমূহে এক আন্তৰ্জাতিক মানসিক স্থিতিৰ কথা দাঙি ধৰা পৰিলক্ষিত হয়। শামুকৰ জন্ম, সাপৰ এটা চকু আৰু কাণ, ধান গছত চাউল হোৱা, আকাশখন ওখ হোৱা, ঢোঁৰা সাপৰ বিষ নোহোৱা ইত্যাদি পুৰাকথাসমূহৰদ্বাৰা কোচ-ৰাজবংশী মৌখিক সাহিত্য টনকীয়াল। তলত নিৰ্বাচিত পুৰাকথাসমূহ দাঙি ধৰা হ'ল—

#### দেওয়াখান উচাত যাওৱা

আগতে আকাশখন একেবাৰে ওচৰত ঢুকি পোৱাকৈ আছিল। এদিন এজনী মহিলাই উড়ালত ধান খুন্দি থাকোঁতে উড়ালৰ মাৰি ডাল (গাহিম) বাৰে বাৰে আকাশত লগাত তাই জোৰকৈ গাহিম ডাল আকাশত খুন্দিয়াই দিলে। তেতিয়াৰপৰাই আকাশখন দূৰলৈ গুচি গ'ল।[৫৬]

#### শামুকৰ জন্ম

প্ৰাচীন কালত ৰজা হৰিশ্চন্দ্ৰই বিশ্বামিত্ৰ মুনিৰ দান দক্ষিণা দিবলৈ গৈ নিজে ডোমৰ ঘৰত বিক্ৰী হৈ গাহৰি ৰখীয়া হ'বলগীয়া হয়। ৰাতি দিন গাহৰিৰ মল পৰিষ্কাৰ কৰোঁতে তাৰ অসুবিধা

হোৱাত ধৰ্ম ঠাকুৰক এই বিষয়ে অনুৰোধ জনায়। পিছদিনা হৰিচন্দ্ৰই দেখিলে যে গাহৰিৰ মলবোৰ শামুকৰ ৰূপ ধৰি গাহৰি ৰখা গৰালৰ পৰা বেৰৰ ফাঁকেৰে আপোনা আপুনি ওলাই গৈ আছে। তেতিয়াৰপৰা সৰু শামুকৰ জন্ম হয়।[৫৭]

### কেৰ্কেটুৱাৰ গাত ডোৰাডুৰি দাগ

ৰামচন্দ্ৰই যেতিয়া সীতাক উদ্ধাৰ কৰিবলৈ সমুদ্ৰৰ পাৰত উপস্থিত হয়, সমুদ্ৰ পাৰ হৈ লঙ্কা আক্ৰমণ কৰাৰ কথা চিন্তা কৰি থাকোঁতে কেৰ্কেটুৱায়ে সমুদ্ৰত গা ধুই বালি পেলাই সমুদ্ৰত সেতু বন্ধা দেখা যায়। এনে দৃশ্য দেখি শ্ৰীৰামচন্দ্ৰই সাহস পাই হনুমান, বান্দৰসকল আৰু সুগ্ৰীবৰ সহায়ত সীতা উদ্ধাৰৰ বাবে সাগৰত সেতু বান্ধে। শ্ৰীৰামচন্দ্ৰই সেতু বন্ধাৰ পিছত কেৰ্কেটুৱায়ে সাগৰত সেতু বন্ধাৰ বাবে প্ৰেৰণা দিয়াত তাৰ গাত হাত বুলাই আৰ্শীবাদ কৰে যে "তুমি যিমানে ওখ ঠাইৰ পৰা নপৰা কিয় তোমাৰ মৰণ কেতিয়াও নহয়।" তেতিয়াৰপৰা কেৰ্কেটুৱায়ে ওখ গছৰপৰা সৰি পৰিলেও তাৰ মৃত্যু নহয় আৰু ৰামচন্দ্ৰই গাত হাত বুলোৱাত 'ডোৰাডুৰি দাগ' হয়।[৫৮]

### ধানৰ গছত চাউল হোৱা

সত্য যুগত ধানৰ গছত ধান হোৱা নাছিল চাউল হৈছিল। এদিন এজন লোকে চাউলৰ পথাৰত বহি মল ত্যাগ কৰিছিল আৰু চাউল চিঙি খাইছিল। তেতিয়া ভগৱানে খং কৰি মানুহক অভিশাপ দিয়ে যে তোমালোকে চাউলৰ পবিত্ৰতা নষ্ট কৰিছা সেয়ে সাতগুণ পৰিশ্ৰম কৰি তোমালোকে চাউল খাব পাৰিবা তাৰ বাহিৰে নোৱাৰিবা। সেয়ে তেতিয়াৰপৰা ধান কাটি মৰণা মৰা, বতাহ দি ধান পৰিষ্কাৰ কৰা, সিদ্ধ কৰা, শুকোৱা, ঢেঁকী বা উৰালত খুন্দি বাকলি গুছোৱা আৰু কুলাত জাৰি পৰিষ্কাৰ কৰি ৰন্ধাৰ বাবে উপযোগী কৰা হয়।[৫৯]

### সাপৰ এটা চকু আৰু কাণ নথকা

মা মনসাই যেতিয়া সাপবোৰক বিষ দি পৃথিৱীত এৰি দিয়ে তেতিয়া সাপবোৰে মানুহবোৰক দংশন কৰি মাৰি পেলাবলৈ ধৰিলে। তেতিয়া মানুহবোৰে মহাদেৱৰ শৰণাপন্ন হৈ সাপৰ অত্যাচাৰৰ কথা বিৰৰি ক'লে। তাৰ পিছত মহাদেৱে সাপবোৰক অভিশাপ দি এটা চকু কণা কৰি দিলে আৰু কাণ নোহোৱা কৰিলে, যাতে সাপবোৰে মানুহৰ কোনো শব্দ শুনিব নোৱাৰে আৰু পৃথিৱীৰ এটা ফাল দেখিব নোৱাৰে। তেতিয়াৰপৰা সাপৰ অত্যাচাৰ কম হয় আৰু এটা চকু কণা হয়।[৬০]

## সৃষ্টিৰ কথা

ক্ষিতি, অপ, তেজ, মৰুত ব্যোম আদি যেতিয়া একোৱে সৃষ্টি হোৱা নাছিল, তেতিয়া ব্ৰহ্মা, বিষ্ণু মহেশ্বৰে মাটি সৃষ্টি কৰি পানীত পেলাই দিয়ে। তাৰ পিছত শক্তি আৰু প্ৰভূ ৰতিক্ৰীয়াত মিলিত হোৱাত সেই বীৰ্যৰ পৰা ব্ৰহ্মাৰ বাওঁঅঙ্গত কন্যা জন্ম গ্ৰহণ কৰে। তাৰ পিছত সেই কন্যাবোৰক কোশ্বৰৰ লগত বিয়া দিয়াত ইন্দ্ৰ, শশী, চন্দ্ৰ, পৱন, বৰুণ আদিৰ জন্ম হয়। তাৰ পিছত লাহে লাহে মানুহৰ সৃষ্টি হয়।[৬১]

## সাপৰ দুখন জিভা

ভগৱানে মোহিনী ৰূপ ধৰি দেৱতাসকলক অমৃত খুউৱাৰ সময়ত গৰুড়ে অমৃতৰ ভাণ্ড লুকাই ৰাখিবৰ বাবে কালিন্দীৰ পাৰত থকা কদম গছত পৰিছিল। সেই সময়ত ভাণ্ডৰ পৰা তলত থকা কহুৱা বনত অমৃত পৰা বুলি ভাবি এডাল সাপে বিৰিণাৰ পাত চেলেকাৰ বাবে তাৰ জিভা কটা গৈ দুখন হয়। তেতিয়াৰ পৰা সাপৰ জিভা দুখন বুলি বিশ্বাস প্ৰচলিত আছে।[৬২]

## ঢোঁৰা সাপৰ বিষ নোহোৱা হোৱা

এদিন মনসাই সাপবোৰক মাতি আনি বিষ প্ৰদান কৰিছিল। সকলোতকৈ বেছি বিষ দিছিল ঢোঁৰা সাপক। বিষ দিয়াৰ পিছত তাক লক্ষীন্দৰক দংশন কৰাৰ বাবে নিৰ্দেশ দিয়া হৈছিল। নিৰ্দেশ পোৱাৰ পিছত বাটত নৈ পাৰ হোৱাৰ সময়ত নৈৰ পাৰত কচুৰ পাতত বিষ ৰাখি মাছ খোৱাৰ লোভেৰে নৈত নামে। ইফালে কচুৰ পাতত ৰাখি থোৱা বিষবোৰ পৰুৱা,শিঙিমাছ, কেকোঁৰা আদিয়ে খাই পেলায়। ঢোঁৰা সাপ উভতি আহি আৰু সেই বিষ নাপায়। তেতিয়াৰ পৰা ঢোঁৰা সাপে বিষ হেৰুৱাই বিষহীন সাপত পৰিণত হয়। মনসাই তাক অভিশাপ দিছিল যে সকলো লোকে তাক সহজে মাৰিব পাৰিব আৰু কচুপাতত ৰখা বিষবোৰ পৰুৱা, শিঙিমাছ, কেকোঁৰা আদিয়ে খোৱাত তেওঁলোকৰ কঁটাত উক্ত বিষ থাকিব।[৬৩]

## (ঘ) টেঙৰালি সাধু

কোচ-ৰাজবংশী সাধুত টেঙৰালি সাধু যথেষ্ট দেখা যায়। জীৱ-জন্তু বা মানুহৰ ক্ষেত্ৰত এনে সাধু অধিক, যিয়ে শ্ৰোতাক আমোদ দিয়ে। 'বামুণ আৰু বামুণী', 'শিয়াল পণ্ডিত', 'ধূৰ্ত শিয়ালেৰ গল্প', 'তাৰ পাছত কি?', 'চোগা দেখিয়া শিপলা', 'এহাল বুঢ়া বুঢ়ী', 'পন্তা খাওৱা চোৰ', 'শিলিখা বুঢ়া' ইত্যাদি বহু কোচ-ৰাজবংশী সাধুক টেঙৰালি সাধুৰ ভিতৰত ধৰিব পাৰি। টেঙৰালি

সাধুবোৰ দৰাচলতে বুদ্ধিমত্তাৰ পৰিচায়ক। এনেধৰণৰ কোচ-ৰাজবংশী সাধুত দেখা যায় কিদৰে বুদ্ধিমত্তাৰে গাঁৱৰ সাধাৰণ যুৱকে উপযুক্ত পাত্ৰ বিচৰা ৰাণীৰ কঠিন প্ৰশ্নৰ উত্তৰ দিব পাৰিছে আৰু ৰাজভোগ কৰিছে। ঠিক একেদৰে ধূৰ্ত চোৰক ধৰিবলৈ গৃহস্থই চতুৰতাৰ পৰিচয় দিছে। 'বামুণ আৰু বামুণী' সাধুত দেখা যায় এহাল দম্পতিয়ে বৃদ্ধ বয়সত এজন ল'ৰা সন্তান লাভ কৰে। যি সন্তানজন শাৰীৰিক অৱয়বত আছিল হাতৰ কনিষ্ঠা আঙুলিৰ সমান। কাহিনী অনুসাৰে চাৰ্কাছৰ দল এটায়ে সন্তানজনক দম্পতি হালৰপৰা বলপূৰ্বক লৈ যায় যদিও, সন্তানজন নিজৰ বুদ্ধিৰ বলত পুনৰ বামুণ বামুণীৰ মাজত আহি উপস্থিত হয়। 'পন্তা খাওৱা চোৰ' সাধুত ভিক্ষাৰী বুঢ়ী এজনীয়ে ৰাতিপুৱা পন্তা ভাত (পইতা ভাত) খাবলৈ ৰাতি ভাত কেইটামান সযতনে ৰাখে। চোৰ এটাই এইকথা গম পাই প্ৰতিদিনে আহি বুঢ়ীৰ পইতাভাত খাই শেষ কৰি দিয়ে। ইয়াতে টেঙৰ হৈ বুঢ়ীয়ে চোৰ ধৰাৰ বুদ্ধি পাঙে আৰু বুঢ়ীৰ বুদ্ধিৰ বলত শেষত চোৰ ধৰা পৰে। ঠিক একেদৰে 'চোগা দেখিয়া শিপলা' সাধুত বিবাহ উপযুক্ত ৰাজকুমাৰীয়ে ক'লে যে যিয়ে শাস্ত্ৰত ৰাজকুমাৰীক পৰাস্ত কৰিব পাৰিব, তাকে ৰাজকুমাৰীয়ে স্বামীৰ ৰূপত গ্ৰহণ কৰিব। বহু ৰজা, মহাৰজা অহাৰ পিছতো ৰাজকুমাৰীক শাস্ত্ৰজ্ঞানত পৰাস্ত কৰিব নোৱাৰিলে। শেষত এজন সাধাৰণ যুৱকে ৰাজপ্ৰসাদলৈ আহি থাকোতে বাটত বুটলি অহা অভিজ্ঞতাৰে উপস্থিত বুদ্ধিৰ বলত শ্লোক বনাই ৰাজকুমাৰীক পৰাস্ত কৰে আৰু ৰাজ্যৰ ৰজা হয়। দৰাচলতে টেঙৰালি সাধুয়ে ব্যক্তিৰ বুদ্ধিমত্তাৰ বিকাশ ঘটায়। কিন্তু অত্যন্ত টেঙৰালিক লোক সমাজে গ্ৰহণ কৰা দেখা নাযায়। নিৰ্বাচিত টেঙৰালি সাধু কেইটামান তলত দাঙি ধৰা হ'ল—

### শিলিখা বুঢ়া

বহুদিন আগতে এখন গাঁৱত এহাল বুঢ়া-বুঢ়ী বসবাস কৰিছিল। বুঢ়া আছিল এলেহুৱা, সেইবাবে বুঢ়াৰ ঘৰত অভাৱৰ অন্ত নাই। এই লৈ বুঢ়াবুঢ়ীৰ মাজত প্ৰায় কেটেৰা-জেৰেঙা লাগি থাকে। এবাৰ গাঁৱত এজন মানুহৰ গাই এজনী হেৰোৱাত বুঢ়াই তিনিটা শিলিখা খাবলৈ উপদেশ দিয়াত, মানুহজনে হেৰোৱা গাইজনীক বিচাৰি পালে। ঠিক একেদৰে গাঁৱৰে গাভৰু ছোৱালী এজনী হেৰোৱাত, ছোৱালীৰ দেউতাকক বুঢ়ায়ে তিনিটা শিলিখা খাবলৈ দিহা দিলে। বুঢ়াৰ দিহা মতে ছোৱালীজনীকো বিচাৰি পালে। কেইদিনমানৰ ভিতৰতে বুঢ়ায়ে সেই অঞ্চলত শিলিখা বুঢ়া বুলি জনাজাত হৈ পৰিল। সেইদেখি এবাৰ বুঢ়াৰ ৰাজ্যৰ লগত অন্য দেশৰ ৰাজ্যৰ ৰজায়ে যুদ্ধ ঘোষণা কৰি দিলে। এই লৈ বুঢ়াৰ ৰাজ্যৰ ৰজাৰ মহা চিন্তাত পৰিল, কাৰণ ৰজাৰ ৰাজ্যখন সৰু আৰু নগণ্য সংখ্যক সৈন্য-সামন্ত হে আছে। পিছলৈ শিলিখা বুঢ়াৰ দিহা অনুসৰি ৰজায়ে যুদ্ধ জয়

কৰে আৰু বুঢ়াক বহু ধন-সোণ উপহাৰ দিয়ে।

(তথ্যদাতা- চক্ৰপাণি ৰায়, বয়স- ৫৫ বছৰ, ডিমল গাঁও, কোকৰাঝাৰ)

### (ঙ) ধৰ্মীয় সাধু

ধৰ্মীয় সাধুকথাসমূহ সমাজতাত্ত্বিক আৰু নৃতাত্ত্বিকভাৱে যথেষ্ট গুৰুত্বপূৰ্ণ। এনে সাধুৰ মাজেদি লোক সামাজিক আশা-আকাংক্ষা তথা ঐতিহাসিক বা প্ৰাক ঐতিহাসিক যুগৰ আদিম মানৱ সমাজৰ ৰীতি-নীতি, আচৰণ ইত্যাদি ৰক্ষিত হৈ আছে। সমান্তৰালভাৱে উপাসক দেৱতা, নৰবলি, অলৌকিক শক্তি ইত্যাদিৰ কথাও জানিব পাৰি। ধৰ্মীয় সাধুৰ মূল দিশটো হৈছে- কোনো অজ্ঞাত শক্তিৰ প্ৰতি আস্থা স্থাপন কৰা, য'ত আত্মৰক্ষা আৰু লোক বিশ্বাস জড়িত হৈ থাকে। ধৰ্মীয় সাধুকথাসমূহত মূলতঃ দুই ধৰণৰ দেৱতা দেখা যায় - শান্ত শিষ্ট আৰু ৰুষ্ট দেৱতা। ৰুষ্ট দেৱতায়ে ভক্তৰদ্বাৰা অৱহেলিত হ'লে নানা অপায়-অমঙ্গল দেখৱায়। কিন্তু এনে দেৱতা সন্তুষ্ট হ'লে ভক্তক ধন সোণেৰে উপচাই দিয়ে। 'দুই সখী', 'কড়া-কড়ি পূজাৰ কেচ্চা', 'সাইটল পূজাৰ ব্ৰত কথা' ইত্যাদি বহুতো ধৰ্মীয় সাধু কোচ-ৰাজবংশী জনগোষ্ঠীৰ মাজত প্ৰচলিত আছে। 'শ্ৰীবাশ্ব ৰজাৰ কাহিনী' শীৰ্ষক সাধুত শনি দেৱতা অসন্তুষ্ট হোৱাৰ ফলত ৰজা শ্ৰীবাশ্ব অভিশপ্ত হ'ল আৰু ১২ বছৰ নিজ ৰাজ্য এৰি বনবাস সদৃশ কষ্টকৰ দিন পাৰ কৰিবলগীয়াত পৰিল। ঠিক একেদৰে কড়া-কড়ি পূজা কৰাৰ ফলত ব্ৰাহ্মণৰ দুই ছোৱালীৰ সকলো বিপদ নোহোৱা হ'ল। কিন্তু ডাঙৰজনী ৰজাৰ লগত বিয়া হৈ কড়া-কড়ি দেৱীলৈ পিঠি দিয়াত ৰজাৰ ধন-সোণ উদং হয় আৰু কুষ্ঠ বেমাৰত পৰে। নিৰ্বাচিত ধৰ্মীয় সাধুসমূহ তলত দাঙি ধৰা হ'ল—

### দুই সখী

এখন গাঁৱত মাঝিনী আৰু গোৱালনী নামেৰে দুজনী সখী বসবাস কৰিছিল। পৰিস্থিতিৰ পাকচক্ৰত পৰি জীয়াই থাকিবৰ কাৰণে, তেওঁলোকে ব্যৱসায় কৰিবলৈ মন মেলিলে। সাতদিন সাতৰাতি যোৱাৰ পিছত দুই সখীয়ে প্ৰতাপগঞ্জ বজাৰত উপস্থিত হ'ল। বজাৰত তজবজীয়া পুঠি, মাগুৰ, শোল, পাহাৰৰপৰা নামি অহা মানুহৰ খমখমীয়া ম'হৰ বাথানৰ দৈ উভয়নদী হৈ পৰিছে। তাৰ মাজৰপৰা মাঝিনী বুঢ়ীয়ে এক কুৰি দি পুঠি মাছৰ পাচি আৰু গোৱালনী বুঢ়ীয়ে এক কুৰি টকাৰ দৈৰ টেকেলি কিনি ঘৰলৈ উভতি আহিল। যিদিনা দুই সখী বজাৰৰপৰা উভতিল তাৰ পিছদিনাৰ পৰাই ধাৰাসাৰ ধুমুহা বৰষুণ আহিবলৈ ধৰিলে। ধুমুহা বৰষুণ ইমান বেছি আহিল যে ঘৰৰপৰা ওলোৱাটো অসম্ভৱ হৈ পৰিল। দুই সখী পুনৰ বিপাঙত পৰিল। কাৰণ সময়ত যদি মাছ

আৰু দৈ বজাৰত বিক্রি কৰিব নোৱাৰে তেন্তে নষ্ট হৈ যাব। সাতদিন সাতৰাতি ধাৰাসাৰ বতাহ বৰষুণত উপায়ন্তৰ হৈ দুই সখীয়ে এযোৰ পাণ তামোল লৈ দেবী সুবচনীক মানস কৰিলে। মানস কৰাৰ পিছদিনাখনে বতাহ, বৰষুণ এৰি আকাশত সূৰ্য্য দেখা দিলে। গতিকে মাছ আৰু দৈৰ ভাৰ লৈ মাঝিনী আৰু গোৱালনী বুঢ়ীয়ে বজাৰলৈ ঢাপলি মেলিলে। ঘটনাক্রমে ঢেঁকীয়াৰ ফুলো তেওঁলোকে লৈ গ'ল। কোচ-ৰাজবংশীসকলে বিশ্বাস কৰে যে ঢেঁকীয়াৰ ফুলত হেনো সাত ৰজাৰ ধন থাকে। গতিকে এনে সৌভাগ্যৰ বলত আলমগঞ্জ বজাৰত তেওঁলোকৰ পাচিৰ মাজ আৰু হাৰিৰ দৈ শেষে নহয়। গতিকে এন্ধাৰ নামি অহাত তেওঁলোক উভতি আহি, ৰজাৰ পুখুৰীৰ পাৰত স্নান কৰি তাতে সুবচনী পূজা কৰিবলৈ মনস্থ কৰিলে। পুখুৰীৰ পাৰতে দুই বুঢ়ীৰ ৰজাৰ সৈতে কিছু মনোমালিন্য হয় আৰু পিছত দুইগৰাকী বুঢ়ীৰ সৈতে ৰজাও সুবচনীলৈ পূজা আগবঢ়ায়।

(তথ্যদাতা- নুদ বালা ৰায়, বয়স-৬০ বছৰ, বণিয়ামাৰী, ধুবুৰী)

## সাইটল পূজাৰ ব্ৰত কথা

আয়ধন সাধু নামে এজন মানুহৰ ল'ৰা মনিহাৰৰ বিয়া হয় পাংয়া ৰজাৰ কন্যা নীলাৱতীৰ লগত। বিয়াৰ পিছত নীলাৱতীৰ সন্তান জন্ম নোহোৱাত শাহু, দুজনী জাক, ভাই শহুৰ আনকি স্বামী মনিহাৰেও তাইৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰে। এই অত্যাচাৰ সহিব নোৱাৰি নীলাৱতী হাবিলৈ গৈ হাহাকাৰ কৰে। অৱশেষত সাইটল দেৱীৰ আৰ্শীবাদত নীলাৱতীয়ে ধনাই আৰু মনাই নামৰ দুটা সন্তানৰ মাতৃ হয়। কিন্তু শাহু আৰু জাক কেইজনী মিলি মাটিৰ পাত্ৰত দুই সন্তানক নদীত উটুৱাই দিয়ে আৰু কুকুৰ জন্ম হোৱা বুলি সকলোকে জনায়। নীলাৱতীৰ পুনৰ দুখে আৱৰি ধৰে। ঘটনাক্রমে ধনাই আৰু মনাইক এজন কুঁহিলাৰ শিল্পীয়ে উদ্ধাৰ কৰি ডাঙৰ দীঘল কৰে। পিছলৈ মনিহাৰে সপোনত প্ৰকৃত ঘটনাটো গম পাই নীলাৱতী আৰু ল'ৰা সন্তান দুটাক উদ্ধাৰ কৰি মাকক আৰু বৌয়েকক গাঁত খান্দি মাটিত পুতি থয়।[৬৪]

## কঢ়া-কড়ি পূজাৰ কেচ্চা

এজন ভিক্ষাৰী ব্ৰাহ্মণৰ দুজনী ছোৱালী আছিল। পোহপাল দিব নোৱাৰাত এদিনাখন ব্ৰাহ্মণে ছোৱালী দুজনীক হাবি-বননিত বাঘ-ভালুকে খাওক বুলি ভাবি সিঁহতক এডাল গছৰ তলত এৰি থৈ আহিল। নিৰাশ্ৰয় ছোৱালী দুজনীক সেই ৰাতি গছ এডালে আশ্ৰয় দিলে। পিছদিনাখন ছোৱালী দুজনী হাবিৰপৰা ওলাই নিজৰ ইচ্ছা মতে গৈ থাকিল। এনেতে এঘৰত পকা আম দেখি ভোকত খাবলৈ যোৱাত, গছজোপাত জুই লাগিল। গৰাকীয়ে সিহঁতক খেদি পঠিয়ালে। ইয়াৰ

পিছত ঢেঁকীয়া শাকনিত সোমাল, তাতো জুই লাগিল, ধাননিৰ মাজেদি দৌৰিল তাতো জুই লাগিল। তাৰ পিছত কুমাৰগাঁওত সোমাল তাতো মাটিৰ পাত্ৰ ভাঙি গুৰি হ'ল। নদীত পানী খাবলৈ যাওঁতে মাছমৰীয়াসকলে সিহঁতক খেদিলে। মনৰ বেজাৰত সিহঁতে কিছুদূৰ গৈ বিৰিণাৰ থোপাত শুই পৰিল। ইফালে সেইদেশৰ ৰাণীয়ে সাতজনী গাভৰুৰ সৈতে কড়া-কড়ি পূজা কৰিবলৈ আহিছিল। সিহঁত দুজনীয়ে ৰাণীৰ লগত কড়া-কড়ী পূজা কৰিলে আৰু বৰ লৈ উভতি আহিল। আহোঁতে সিহঁতৰ সংস্পৰ্শত ধ্বংস হোৱা সকলো বস্তু পুনৰাই জীয়াই উঠিল। কড়া-কড়ীৰ পূজাৰ বলতে ডাঙৰজনী ৰজাৰ লগত আৰু সৰুজনী খৰিকটীয়াৰ লগত বিয়া হ'ল। পিছলৈ ডাঙৰজনীয়ে কড়া-কড়ী পূজালৈ পিঠি দিয়াত ৰজাৰ ধন উদং হয়, ৰজাৰ কুষ্ঠ বেমাৰ হয় আৰু পুনৰ কড়া-কড়ী পূজা আগবঢ়োৱাত বিপদ-বিঘিনি আঁতৰ হয়।[৬৫]

## (চ) বাস্তৱধৰ্মী সাধু

'এক ঘটি দৈ', 'পন্তা খাওৱা চোৰ', 'বুঢ়া আৰু ভাটৌ,' 'আমাৰ দেশত বাঘৰ ভয়', 'সাদা বুঢ়ী' আৰু 'চাল্লাকি বুঢ়ী' ইত্যাদি বহু বাস্তৱধৰ্মী কেচ্চা বা সাধুকথা কোচ-ৰাজবংশী লোককথাত দেখা যায়। এনে সাধুসমূহৰ ঘটনাবোৰ আমাৰ চাৰিওফালে বাস্তৱ জীৱনত ঘটি থকা ঘটনা যেন লাগে; অৰ্থাৎ সাধাৰণ গাঁৱলীয়া হোজা মানুহৰ সমসাময়িক জীৱনবোধৰ লগত এনে সাধু বেছি ওচৰ চপা। 'এক ঘটি দৈ' সাধুত মাউৰীয়া ল'ৰা এটা ধনী হোৱাৰ আশাত বহু সপোন দেখিছে, কিন্তু বজাৰলৈ দৈ লৈ গৈ থাকোঁতে হঠাৎ পৰি দৈৰ টেকেলি ভাঙি যায়, লগতে মাউৰা ল'ৰাজনৰো সপোন ভাঙে। ঠিক একেদৰে 'আমাৰ দেশত বাঘৰ ভয়' সাধুত পাণ বিক্ৰি কৰিবলৈ যোৱা এজন ব্যক্তিৰ বুদ্ধিমত্তাৰ পৰিচয় দাঙি ধৰিছে। সাধুটোৰ ঘটনাৱলী চুবুৰীয়া কাৰোবাৰ লগত ঘটা যেন অনুভৱ হয়। তলত নিৰ্বাচিত বাস্তৱধৰ্মী সাধুৰ উদাহৰণ দিয়া হ'ল—

### বুঢ়া আৰু ভাটৌ

বহুদিন আগতে এখন গাঁৱত এহাল বুঢ়া-বুঢ়ীয়ে বসবাস কৰিছিল। বুঢ়ীয়ে হাঁহ, কুকুৰা, পাৰ চৰাই, ছাগলী পালন কৰিছিল। কিন্তু বুঢ়াক এইবোৰ কেতিয়াও খাবলৈ দিয়া নাছিল। কাৰণ বুঢ়ীয়ে হাঁহ কুকুৰাবোৰ বজাৰত বিক্ৰি কৰি ধন ঘটিছিল। বুঢ়াই হাঁহ, কুকুৰাবোৰ খাবলৈ নোপোৱাত, এটা ভাটৌ চৰাইৰ গৈনালৈ সেইবোৰ খাবলৈ বুদ্ধি পাঙে যদিও শেষত ধৰা পৰে আৰু বুঢ়ীৰো উপলব্ধি হয়।

(তথ্যদাতা- নিৰঞ্জন ৰায়, বয়স-৫৯ বছৰ, গোৱালপাৰা)

## (ছ) কিংবদন্তি

আনহাতে কিংবদন্তি সাধুসমূহ প্ৰায় সত্যকথাৰ ওপৰত আধাৰিত। দৰাচলতে কিংবদন্তিসমূহ পূৰ্বতে কোনো এটা অঞ্চলত সংঘটিত হোৱা ঘটনা আৰু তাৰ সত্যৰ ওপৰত আধাৰিত কাহিনী। সেয়ে সামাজিক নৃ-বিজ্ঞানীসকলে কিংবদন্তিৰ মাজত ইতিহাসৰ সম্ভেদ পোৱা যায় বুলি মত দাঙি ধৰে। কোচ-ৰাজবংশীসকলৰ মাজতো এনে বহু কিংবদন্তি সিঁচৰিত হৈ আছে। কোচৰাজ্যৰ উৎপত্তিস্থল চিকনাঝাৰ, বিশ্বসিংহৰ জন্ম, ভাৰুৱাকাটা পাহাৰ, ভূমীশ্বৰ পাহাৰ, ডিবলাই বিল, তামৰঙা বিল ইত্যাদিৰ সৈতে বহুতো কিংবদন্তি জড়িত হৈ আছে। তলত নিৰ্বাচিত কিংবদন্তি কেইটামান দাঙি ধৰা হ'ল—

### ভেক বামুণ আৰু টুনী

বহু পুৰণি দিনৰ আগৰ কথা ভেক বামুণ নামৰ এজন বামুণ আছিল। সংসাৰ বুলিবলৈ ভেক বামুণৰ সতি-সন্ততি আৰু পত্নী। ভেক বামুণ খুব ধাৰ্মিক আৰু নীতি পৰায়ণ আছিল। এবাৰ স্বৰ্গৰ অপেশ্বৰী টুনী, গঙ্গা সৰস্বতী, কৰতোৱা, যমুনা আদিকে ধৰি সাতজনী বাই ভনী মৰতলৈ নামি আহি পৃথিৱীৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশ উপভোগ কৰি থাকোঁতে টুনীৰ বুঢ়া আঙুলিৰ নখত তিল এটা সোমাল। জনগোষ্ঠীয় বিশ্বাস মতে তিল ভৰিত লাগিলে মহা পাপ হয়, যাৰপৰা পৰিত্ৰাণ পোৱাৰ একমাত্ৰ উপায় হ'ল তিলনীডৰাৰ গৰাকীৰ ঘৰত বাৰ বছৰ কাল সেৱা শুশ্ৰূষা কৰা। ঘটনাক্ৰমে টুনীয়ে সাধাৰণ ছোৱালীৰ দৰে বাৰ বছৰকাল সেৱা শুশ্ৰূষা কৰাৰ মাজতে তীৰ্থ ভ্ৰমণলৈ যোৱা ভেক বামুণে টুনীৰ আচল পৰিচয় গম পায়। টুনীৰ বাৰ বছৰ সম্পূৰ্ণ হোৱাত এদিন বামুণক নজনোৱাকৈ তাই ঘৰৰপৰা ওলাই যায়। ইফালে বামুণে তাইৰ প্ৰকৃত পৰিচয় জনাৰ বাবে পিছে পিছে যাবলৈ ধৰিলে। অৱশেষত টুনীয়ে নিজৰ প্ৰকৃত পৰিচয় বামুণক দি গুচি যায়। ইফালে বামুণে উভতি চাই দেখে যে যি পথেৰে টুনীক অনুসৰণ কৰিছিল, সেই পথটো নদীলৈ ৰূপান্তৰিত হৈছে।

(তথ্যদাতা- কান্তেশ্বৰ ৰায়, বয়স-৮০ বছৰ, কোকৰাঝাৰ)

### মহাৰাজ বিশ্বসিংহৰ জন্ম

হাজো নামেৰে কোচবংশীয় বীৰ পুৰুষ এজনে কামৰূপৰ ওচৰত এখন ক্ষুদ্ৰৰাজ্য প্ৰতিষ্ঠা কৰে। হাজো কীৰ্তিমান লোক আছিল, কামাখ্যা মন্দিৰৰ কিছুদূৰত তাৰ এটি মন্দিৰ এতিয়াও

আছে। হীৰা আৰু জীৰা নামৰ হাজোৰ দুজনী ছোৱালী আছিল। মেচ জাতিৰ হাৰিয়া নামৰ এজন প্ৰধান দলপতিৰ লগত উক্ত কন্যা দুজনীৰ বিয়া হয়। জীৰা জ্যেষ্ঠা আছিল। তাইৰ গৰ্ভত হাৰিয়াৰ ঔৰসত চন্দন আৰু মদন নামেৰে দুজন পুত্ৰ জন্মে। হীৰা কনিষ্ঠা তাইৰ গৰ্ভত কোনো সন্তান আদি হোৱা নাই। কথিত আছে যোগী বেশধাৰী মহাদেৱৰ ঔৰসত শিষ্যসিংহ আৰু বিশ্বসিংহ নামে হীৰাৰ দুজন পুত্ৰ জন্মে। মহাদেৱে প্ৰসন্ন হৈ বিশ্বসিংহক হনুমান দণ্ড প্ৰদান কৰিছিল। চ'ত মাহৰ সংক্ৰান্তিত অৰ্থাৎ বেষমা সংক্ৰান্তিত বিশ্বসিংহৰ জন্ম হৈছিল কাৰণে তাৰ আন এটি নাম বিশু।[৬৬]

## কেটলেঙৰ কেচ্চা

বহুবছৰ আগতে কোকৰাঝাৰ ধাউলীগুৰী নামৰ গাঁৱত এজনী বুঢ়ীয়ে বসবাস কৰিছিল। বুঢ়ীগৰাকীৰ সাতজনী জীয়ৰী আছিল। বুঢ়ীগৰাকী গাঁওৰ আন আন মহিলাৰ সৈতে কেটলেঙ নামৰ ঠাইত এৰাসুঁতি এটাত সদায় জাকৈ খালৈৰে মাছ মাৰিব যায়, কিন্তু মাছ এটাও নাপায়। ইফালে গাঁওৰ বাকী মহিলাবোৰে খালৈ ভৰি মাছ পায়। এইলৈ বুঢ়ীৰ মন বেয়া। এদিন ৰাতি সপোনত এৰা সুঁতিটোৱে বুঢ়ীক কয় যে তাইৰ সৰু ছোৱালীজনীক তালৈ বিয়া দিলে বুঢ়ীৰ জাকৈত বহুত মাছ উঠিব। কিন্তু বুঢ়ীয়ে এৰাসুঁতিৰ প্ৰস্তাৱত মান্তি নহ'ল আৰু সৰুজনীৰ পৰিৱৰ্তে বাকী ছয়জনীৰ এজনীক বিয়া পাতিব ক'লে। কাৰণ বুঢ়ীৰ সৰু ছোৱালীজনী আছিল দেখাত ধুনীয়া। বুঢ়ী অমান্তি হোৱাৰ পিছতো কিন্তু এৰাসুঁতিটো বেণ্ড-পাৰ্টিৰ সৈতে নাচি-বাগি আহি সৰু জীয়ৰীজনীক বিয়া পাতি লৈ যায়।

(তথ্যদাতা- তুলিকা ৰায়, বয়স- ৫৫ বছৰ, ধাউলীগুৰী, কোকৰাঝাৰ)

## দেউসী আৰু দীপলাই বিলৰ কাহিনী

বহুদিন আগতে দীপলাই বিলৰ কাষৰীয়া ঠাইত এজন কোচ দেউসীয়ে বসবাস কৰিছিল। দেউসীজন আছিল যাদু মন্ত্ৰত পাৰ্গত। এবাৰ তেওঁৰ জীয়েকৰ বিয়াৰ দিন তাৰিখ ঠিক হোৱাত দীপলাই বিলৰপৰা তাৰ সকলোতকৈ ডাঙৰ মাছটো বিচাৰিলে। পিছে এই প্ৰস্তাৱত দীপলাই মান্তি নহ'ল। দীপলাইৰ এনে উত্তৰ সহ্য কৰিব নোৱাৰি, অপমানৰ প্ৰতিশোধ হিচাপে দেউসীজনে শুকান লাওৰ টোকৰা[৬৭] এটাত যাদুৰে দীপলাই বিলৰ সকলো পানী ভৰাই তাৰ সকলোতকৈ ডাঙৰ মাছটো সৰু জীয়েকৰ বিয়াত ব্যৱহাৰ কৰিলে। এইকথাত অগ্নিশৰ্মা হৈ দীপলাইয়ে দেউসী জীয়েকৰ সতি-সন্ততি নোহোৱাৰ অভিশাপ দিলে।

(তথ্যদাতা- চানো বালা ৰায়, বয়স- ৭০ বছৰ, দংডিমল গাঁও, কোকৰাঝাৰ)

### ভূমীশ্বৰৰ কাহিনী

বঙ্গাইগাঁও জিলাৰ ভূমীশ্বৰ পাহাৰ, ভাৰুৱাকাটা পাহাৰ আৰু নাককাটি পাহাৰক লৈ বিভিন্ন কিংবদন্তি প্ৰচলিত হৈ আহিছে। লোকশ্ৰুতিৰ মতে ভূমীশ্বৰ এসময়ত ৰজা আছিল, তেওঁৰ ৰাজপ্ৰসাদত ভাৰুৱা আছিল বনকৰা ল'ৰা। এই ভাৰুৱাৰ ৰাণী সোণাময়ীৰ লগত অবৈধ সম্পৰ্ক আছিল। এইকথা গমপাই ৰজা ভূমীশ্বৰে ভাৰুৱাক খেদি গ'ল আৰু চিৎকাগাঁওৰ ওচৰত ভাৰুৱাক কাটি তিনিখণ্ড কৰিলে আৰু তাৰপৰাই সৃষ্টি হ'ল ভাৰুৱাকাটা পাহাৰ। ঠিক একেদৰে নীচকুলৰ ল'ৰাৰ লগত প্ৰণয়ত লিপ্ত হোৱাৰ বাবে ৰজায়ে নিজ ৰাণী সোণাময়ীৰ নাক কাটি দিলে আৰু তাৰপৰাই নাককাটি পাহাৰ প্ৰসিদ্ধ হ'ল। ইয়াৰ পিছতো ৰজা ভূমীশ্বৰৰ খং মাৰ নোযোৱাত শাহুআই 'ঝুনে বুঢ়ী'ক ৰাজপ্ৰসাদৰপৰা উলিয়াই দিলে। এই অপমান সহ্য নোহোৱাত ঝুনে বুঢ়ীয়ে নিজ জোঁৱায়েকক উৰালৰ মাৰিৰে পিঠিত মাৰি দিলে। সেয়ে ভূমীশ্বৰ পাহাৰৰ মাজ ভাগত ভাজ পৰিলক্ষিত হয়।[৬৭]

### বুঢ়া আৰু বাঘৰ ৰজা

বহুদিন আগতে এখন গাঁৱত এহাল বুঢ়া-বুঢ়ী আছিল। গাঁৱৰ আন আন মানুহৰ দৰে বুঢ়া-বুঢ়ী হালো খেতি-বাতি আৰু পোহনীয়া জীৱ-জন্তুক ভৰসা কৰি জীৱন নিৰ্বাহ কৰিছিল। গাঁৱখন চাৰিওফালে হাবি-বননিয়ে আৱৰা আছিল। গতিকে হাবিত থকা বাঘে সদায় গাঁৱৰ মানুহৰ গৰু আদি পোহনীয়া জীৱ-জন্তুসমূহক খাই গাঁওবাসীৰ ক্ষতি সাধন কৰিছিল। বুঢ়াৰ লগতে গাঁৱৰ মানুহবোৰে বিভিন্ন চেষ্টা কৰাৰ পিছতো বাঘে কৰা ক্ষতিসাধনৰপৰা ৰক্ষা পোৱা নাছিল। এদিন ৰাতি বুঢ়ায়ে সপোনত বাঘৰ ৰজাক দেখা পালে, সপোনত বাঘৰ ৰজায়ে গাঁওবাসীক পূজা আগবঢ়াবলৈ ক'লে। সপোনৰ কথামতে গাঁওবাসীয়ে বাঘৰ ৰজাক পূজা কৰিবলৈ আৰম্ভ কৰিলে আৰু তেতিয়াৰপৰা গাঁওবাসীয়ে বাঘে কৰা ক্ষয়-ক্ষতিৰপৰা ৰক্ষা পৰিল। পিছলৈ বাঘৰ ৰজাক কৰা এই পূজায়ে কোচ-ৰাজবংশী জনগোষ্ঠীৰ মাজত 'সোণাৰায়' পূজা নামেৰে জনাজাত হয়।

(তথ্যদাতা- ভন্টি বালা ৰায়, বয়স- ৭৫, দঃডিমল গাঁও, কোকৰাঝাৰ)

### ২.৩.২ কোচ-ৰাজবংশী সাধুকথাৰ বিশেষত্ব বিচাৰ

পশ্চিম অসমৰ এক বিশেষ সামাজিক, ৰাজনৈতিক আৰু ভাষিক প্ৰেক্ষাপটত গঢ় লৈ উঠা কোচ-ৰাজবংশী লোক-সাহিত্য এক স্বকীয় বৈশিষ্ট্যৰে বিৰাজমান। সমান্তৰালভাৱে তেনে স্বকীয়তা আমি কোচ-ৰাজবংশী সাধুকথাসমূহৰ মাজতো দেখা পাওঁ। তলত কোচ-ৰাজবংশী সাধুকথাৰ

কিছু বিশেষত্ব দাঙি ধৰা হ'ল—

(ক) কোচ-ৰাজবংশী সাধুকথাৰ ভাষা আৰু কথনশৈলীৰ বিভিন্নতা মনকৰিবলগীয়া।

(খ) কোচ-ৰাজবংশী সাধুকথাসমূহে প্ৰৱহমাণ কালৰেপৰা এই জনগোষ্ঠীটোৰ সংস্কৃতি, ইতিহাস, সামাজিক-অৰ্থনৈতিক স্থিতিৰ ছবিখন বহন কৰি আহিছে।

(গ) সাধাৰণতে উপাস্য দেৱতাক পূজাৰ অৰ্থে মন্ত্ৰৰ ব্যৱহাৰ কৰা হয়। কিন্তু কোচ-ৰাজবংশীসকলৰ এনে কিছু উপাস্য দেৱতা আছে, যাৰ উপাসনাৰ বাবে সাধুকথা বা কেচ্চা কোৱাৰ নিয়ম প্ৰচলিত হৈ আহিছে। সুবচনী, কড়া-কড়ি, সাইটল পূজা ইত্যাদি হৈছে এনে বিশেষত্বৰ উদাহৰণ, য'ত ধৰ্মীয় অনুশাসনৰ সমান্তৰালভাৱে নৈতিকতা আৰু ঈশ্বৰৰ মাহাত্ম্য প্ৰকাশ লাভ কৰে। ঠিক একেদৰে কাম কৰি থকাৰ সময়ত শ্ৰম লাঘবৰ অৰ্থেও কোচ-ৰাজবংশী লোকসকলৰ মাজত গীতৰ সমান্তৰালভাৱে সাধুকথা কোৱাৰ প্ৰথা প্ৰচলন আছে।

(ঘ) কোচ-ৰাজবংশী সাধুকথাসমূহত নৈতিকতাৰ প্ৰতিফলন ঘটা দেখা যায়। কিন্তু এই নৈতিকতা কেৱল শিশু বা ব্যক্তি এজনৰ জীৱন গঢ় দিয়া বা পৰিচালনা কৰাতে সীমাৱদ্ধ নহয়। বৰং ই পাৰিপাৰ্শ্বিক নৈতিকতাকো সামৰি লৈছে, য'ত মানুহে প্ৰকৃতি বা পৰিৱেশৰ প্ৰতি আৰু প্ৰকৃতিৰ উপাদানসমূহৰ মাজত পৰস্পৰে পৰস্পৰৰ প্ৰতি প্ৰয়োজনীয় নৈতিকতাৰ অনুশাসনসমূহ দাঙি ধৰা দেখা যায়।

(ঙ) কোচ-ৰাজবংশী সাধুকথাৰ মাজেদি সামাজিক দায়ৱদ্ধতাসমূহ প্ৰতিফলিত হোৱা দেখা যায়।

(চ) কোচ-ৰাজবংশী সাধুকথাত লোক-সাংস্কৃতিক উপাদানসমূহ ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে 'ৰংফুল' সাধুটোত মাছ মৰা সুঁজুলি 'থোচা', 'উৰিৰ উড়াল' সাধুত উড়াল, লগতে আন আন সাধুসমূহত চাং ঘৰ, গোহালী, নাঙল, নাও ইত্যাদি। সমান্তৰালভাৱে 'ফাৰাল', 'কড়া-কড়ি, 'সুবচনী', 'সাইটল পূজা' ইত্যাদিয়ে লোকাচাৰ আৰু ৰীতি-নীতিসমূহকো দাঙি ধৰা দেখা যায়।

(ছ) কোচ-ৰাজবংশী সাধুকথা বা কেচ্চাসমূহৰ পৰিণতি সদায় যোগাত্মক হোৱা দেখা যায়।

(জ) কোচ-ৰাজবংশী সাধুকথাত যাদুবিদ্যাৰ প্ৰয়োগ তথা অলৌকিক ঘটনাৰ সমাহাৰ দেখা যায়।

### ২.৩.৩ বিষয়বস্তু

কোচ-ৰাজবংশী সাধুকথাৰ বিষয়বস্তুক দুটা দৃষ্টিকোণৰ পৰা চাব পাৰি- স্থানীয় আৰু চিৰন্তন প্ৰসংগ। কোচ-ৰাজবংশী সাধুকথাত প্ৰকাশ পোৱা ঠাইৰ নাম, নদ-নদীৰ নাম, লোক-ধৰ্মীয় বিশ্বাস, লোক-বিশ্বাস, লোক-ভাষাৰ প্ৰয়োগ, স্থানীয় ইতিহাস ইত্যাদিয়ে স্থানীয় প্ৰসংগক সামৰি

লৈছে। আনহাতে, কোচ-ৰাজবংশী সাধুকথাত প্ৰকাশ পোৱা চিৰন্তন প্ৰসংগসমূহ হৈছে - মানৱীয় আশা-আকাংক্ষা, অলৌকিক ঘটনা, সত্যৰ জয় আৰু অসত্যৰ পৰাজয়ৰ দৰে নীতি শিক্ষা, জীৱ-জন্তুৰ প্ৰসংগ, পাৰিপাৰ্শ্বিক সচেতনতা ইত্যাদি। মূলতঃ স্থানীয় প্ৰসংগসমূহে কোচ-ৰাজবংশী সাধুকথাৰ স্বকীয়তাক ধৰি ৰাখিছে। উদাহৰণ স্বৰূপে 'হস্তীৰ কন্যা', 'দুই সখী', 'সাত সতিনী' ইত্যাদি সাধুকথাসমূহত নদী আৰু ঠাইৰ প্ৰসংগই সাধুকথাটোক স্থায়ীত্ব প্ৰদান কৰাৰ সমান্তৰালভাৱে ভৌগোলিক স্থিতি আৰু সাধুৰ উৎপত্তিগত দিশক দাঙি ধৰিছে। 'হস্তীৰ কন্যা' শীৰ্ষক সাধুত পশ্চিম অসমৰ অন্যতম নদী 'গদাধৰ'ৰ নাম উল্লেখ আছে। এখন নদী দৰাচলতে সমাজ জীৱন আৰু সংস্কৃতিৰ প্ৰতীক; যাৰ জৰিয়তে গদাধৰ নদীৰ বিস্তীৰ্ণ দুই পাৰৰ ইতিহাস, সমাজ জীৱন আদিৰ বিষয়ে উমান পাব পাৰি। লগতে এই সাধুয়ে হিমালয়ৰ পাদদেশৰ পাৰিপাৰ্শ্বিক পৰিৱেশত মানুহ আৰু জীৱ-জন্তুৰ আন্তঃসম্পৰ্কক সামৰি লয়। ঠিক একেদৰে 'দুই সখী' সাধুকথাত 'প্ৰতাপগঞ্জ' আৰু 'আলমগঞ্জ' নামৰ দুখন ঠাইৰ নাম উল্লেখ পোৱা যায়। সাধুৰ কাহিনী অনুসৰি দুই সখীয়েকে প্ৰতাপগঞ্জ বজাৰৰপৰা দৈ আৰু মাছ কিনি আলমগঞ্জ বজাৰত বিক্ৰী কৰি টকা ঘটিছে। বৰ্তমান সময়ছোৱাত এই ঠাই দুখনৰ ভৌগোলিক স্থিতি বা দূৰত্ব হৈছে প্ৰায় ২৭ কিঃমিঃ। ভৌগোলিক দৃষ্টিকোণ আৰু জনবসতিৰ ফালৰপৰা চালে দেখা যায় প্ৰতাপগঞ্জ ঠাইখন প্ৰাকৃতিকভাৱে চহকী। সেইবাবে পাহাৰৰপৰা নামি অহা আদিবাসী, ৰাভা, কোচ, গাৰো ইত্যাদি জনজাতি লোকৰপৰা ম'হৰ দৈ আৰু স্থানীয় মাছ ক্ৰয় কৰি দুই সখীয়ে আলমগঞ্জ বজাৰত বিক্ৰি কৰিছে। গতিকে এনে সাধুৰপৰাই আমি কোনো এখন ঠাইৰ ভৌগোলিক স্থিতি, সংস্কৃতি, জনবসতি ইত্যাদিৰ সম্ভেদ পাওঁ।

আনহাতে, সাইটলপূজা, কড়া-কড়ি পূজা, যকা পূজা, সুবচনী পূজা ইত্যাদিৰ লগত জড়িত সাধুকথাসমূহে কোচ-ৰাজবংশী জনগোষ্ঠীৰ মাজত থকা লোক দেৱতা সম্পৰ্কীয় বিশ্বাস, ৰীতি-নীতি ইত্যাদিক দাঙি ধৰিছে। এনে সাধুকথাসমূহৰ মাজত এই জনগোষ্ঠীৰ প্ৰাক ঐতিহাসিক লোক-বিশ্বাস, বিৱৰ্তন আদি বিজড়িত হৈ থকা দেখা যায়। 'ঢেসে ফুলে' নামৰ সাধুকথাত কোচ-ৰাজবংশীসকলৰ খেতিৰ লগত সম্পৰ্কিত 'ফাৰাল' উৎসৱৰ কথা পোৱা যায়। এই উৎসৱ বৰ্তমান কোচ-ৰাজবংশী সমাজত লুপ্তপ্ৰায়। গতিকে, ক'ব পৰা যায় যে কোচ-ৰাজবংশী সাধুকথাৰ মাজত প্ৰকাশিত স্থানীয় বিষয়বস্তুসমূহে এই জনগোষ্ঠীয় সাধুকথাক অন্য লোক পাঠসমূহৰপৰা পৃথক কৰাৰ লগতে স্বকীয়তাও প্ৰদান কৰিছে।

স্থানীয় বিষয়ৰ লগতে কোচ-ৰাজবংশী সাধুকথাৰ বিষয়বস্তুত কিছু চিৰন্তন প্ৰসংগ পৰিলক্ষিত হয়। প্ৰধানতঃ মানৱীয় আশা আকাংক্ষা আন আন জনগোষ্ঠীয় সাধুকথাৰ দৰে কোচ-ৰাজবংশী

সাধুকথাৰ মাজতো পৰিলক্ষিত হয়। ‘সাত সতিনী’, ‘সাত দেশৰ ৰজা’, ‘ৰজা আৰু মন্ত্ৰীৰ পুত্ৰ’, ইত্যাদি সাধুসমূহত ৰজা নিঃসন্তান, ৰাণীৰ ঈৰ্ষাৰ দৰে মানৱীয় চিৰন্তন দিশসমূহ ফুটি উঠিছে। কেৱল কোচ-ৰাজবংশী সাধু কথাতে নহয়, আন আন সাধুৰ মাজতো এনে চিৰন্তন প্ৰসংগসমূহ দেখা যায়। সমান্তৰালভাৱে অলৌকিক বিষয়সমূহৰো কথা ক’ব পাৰোঁ। কোচ-ৰাজবংশী সাধুকথাত ব্যাপক ৰূপত ব্যৱহৃত ৰূপাঙ্গ হ’ল অলৌকিক পৰিঘটনাসমূহ। অলৌকিক ঘটনাসমূহৰ মূল কাৰণ হ’ল যাদুবিদ্যাত বিশ্বাস আৰু ব্যৱহাৰ। আত্মৰক্ষা, শত্ৰুক নিধন আৰু প্ৰাকৃতিক শক্তিসমূহক নিয়ন্ত্ৰণ কৰিবলৈ সাধুকথাত যাদুৰ ব্যৱহাৰ দেখা যায়। পুৰুষ নাৰীৰ যি চিৰন্তন সম্পৰ্ক তাৰ প্ৰতিফলনো এই জনগোষ্ঠীয় সাধুকথাসমূহৰ মাজত পোৱা গৈছে।

### ২.৩.৪ চৰিত্ৰ

কোচ-ৰাজবংশী সাধুকথাৰ চৰিত্ৰসমূহে ৰজাৰ ৰাজপ্ৰসাদৰ ৰাজকুমাৰ, ৰাজকুমাৰী, মন্ত্ৰী, সেনাপতি, ধাইমাক, ৰাণীৰপৰা আৰম্ভ কৰি ব্ৰাহ্মণ, নাপিত তথা হোজা গাঁৱলীয়া খেতিয়ক, খৰিকটীয়া ইত্যাদিক সামৰি লোৱা দেখা যায়। সমান্তৰালভাৱে জীৱ-জন্তুসমূহো এই জনগোষ্ঠীয় সাধুৰ অন্যতম চৰিত্ৰ হৈ পৰিছে। কোচ-ৰাজবংশী সাধুকথাসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে নায়কৰ চৰিত্ৰত কেৱল মাত্ৰ ৰজাকে প্ৰক্ষেপ কৰা নাই, সমান্তৰালভাৱে বহু সাধুত সাধাৰণ গাঁৱলীয়া চৰিত্ৰকো নায়কৰ শাৰীত উপস্থাপন কৰা হৈছে; অৰ্থাৎ ৰজাঘৰীয়া কাহিনীৰ সমান্তৰালভাৱে সাধাৰণ মানুহৰ কাহিনীও কোচ-ৰাজবংশী সাধুকথাত গুৰুত্বপূৰ্ণ হৈ উঠিছে। সংগ্ৰহিত সাধুকথাসমূহ অধ্যয়ন কৰাৰ পিছত দেখা গৈছে যে কোচ-ৰাজবংশী সাধুকথাসমূহৰ ৰজাৰ চৰিত্ৰই আৰম্ভণিতে এক চিৰন্তন অভাৱৰ মাজেদি শ্ৰোতাৰ আগত দেখা দিছে। এই চিৰন্তন অভাৱ দূৰ কৰিবলৈ ৰজাই কেতিয়াবা নিজে কাৰ্যত নামি পৰিছে আৰু কেতিয়াবা, মন্ত্ৰী নতুবা অন্য চৰিত্ৰৰ সহায়ত কাৰ্য সিদ্ধি কৰিছে। এনেক্ষেত্ৰত ৰজাৰ চৰিত্ৰটো কোচ-ৰাজবংশী সাধুকথাত বহু সময়ত নিষ্ক্ৰিয় আৰু বহু সময়ত সক্ৰিয় হৈ উঠা পৰিলক্ষিত হৈছে। উদাহৰণ স্বৰূপে ‘সাত সতিনী’ সাধুত পুত্ৰ সন্তানৰ অভাৱত দুখী হোৱা ৰজাই পুৰোহিতৰ বিধান মতে হৰিহাট নগৰৰ চৈয়দৰ একমাত্ৰ কন্যা গুণডুৰাক গৈ বিয়া পাতি আনিছে। ভিক্ষাৰীৰপৰা ৰম্ভা ফল আনি সাত ৰাণীক খুৱাইছে। এই সাধুকথাত সমস্যাৰ সমাধান বিচাৰি ৰজা সক্ৰিয় হৈ পৰিছে। আনহাতে ‘ৰংফুল’ সাধুত ৰংফুল বিচাৰি সৰু ৰাণী ৰোহ ঘৰত প্ৰৱেশ কৰাত, ৰজা নিজে ৰংফুল বিচাৰি যোৱাৰ পৰিৱৰ্ততে বনকৰা ল’ৰা ফণিক আদেশ দিছে। এই সাধুত ৰজাৰ মানসিক আৰু শাৰীৰিক দুয়ো দিশৰ নিষ্ক্ৰিয়তা স্পষ্ট ৰূপত ধৰা পৰিছে। ৰাণীৰ চৰিত্ৰটো ঈৰ্ষা পৰায়ণ, সহনশীল ৰূপত চিত্ৰিত কৰা হৈছে আৰু ই চিৰন্তন নাৰীৰ

ধাৰণাৰপৰা মুক্ত নহয়। 'সাত দেশৰ ৰজা', 'শ্ৰীবাশ্ব ৰজাৰ কাহিনী', আদি সাধুত ৰাণীয়ে যথাভাৱে বিপদৰ সময়ছোৱাত ৰজাক সহায় কৰা পৰিলক্ষিত হৈছে। সচৰাচৰ ধাই মাকসকলে ৰজাৰ ল'ৰা ছোৱালীক চোৱা-চিতা কৰাৰ সমান্তৰালভাৱে আচাৰ ব্যৱহাৰ আৰু নীতিসূচক শিক্ষাদান দিয়া পৰিলক্ষিত হয়। কিন্তু তেনে ধাৰণাৰে কোচ-ৰাজবংশী সাধুকথাৰ ধাইমাকক সাঙুৰিব নোৱাৰি। ৰাজ প্ৰাসাদত কাম কৰা ধাইমাক ইয়াত হৈ পৰিছে খলনায়িকা। ধন, সম্পতিৰ লোভ-মোহৰদ্বাৰা কোচ-ৰাজবংশী সাধুকথাৰ ধাই মাক জৰ্জৰিত। উদাহৰণ স্বৰূপে- 'সাত সতিনী' শীৰ্ষক সাধুৰ কথাকে ক'ব পাৰোঁ। ৰম্ভাফলৰ বাকলি খাই যেতিয়া সৰু ৰাণী গৰ্ভৱতী হ'ল আৰু তেতিয়া বাকী ৰাণীসকলে ঈৰ্ষাত জ্বলি ধাই মাকক মাতি আনি বিশ্বাসযোগ্যভাৱে ৰজাৰ আগত উপস্থাপন কৰিলে যে সৰু ৰাণীয়ে ল'ৰাৰ পৰিৱৰ্তে কুকুৰৰ পোৱালিহে জন্ম দিছে। ৰজাৰ বাকী ৰাণীসকলে নিৰ্ধাৰণ কৰা চক্ৰান্তত ধাইমাকে সম্পূৰ্ণ সহযোগিতা কৰা দেখা গ'ল। ইয়াৰ ফলত ধাইমাকে ধন, সম্পতি লাভ কৰিলে ঠিকে, কিন্তু পৰম্পৰাগত ধাই মাকৰ ধাৰণাৰ বিপৰীতে কোচ-ৰাজবংশী সাধুকথাৰ ধাই মাকক খলনায়িকাৰ শাৰীত পৰ্যৱেশিত কৰিলে। 'খৰিকটীয়াৰ জীয়ৰী' শীৰ্ষক সাধুৰ মাজতো আমি একেগৰাকী ধাই মাককে বিচাৰি পাওঁ। কোচ-ৰাজবংশী সাধুকথাত গণক আৰু বামুণৰ চৰিত্ৰটো অলৌকিক শক্তিৰ অধিকাৰী, কিন্তু অৱস্থাত দুখীয়া ৰূপত প্ৰতিষ্ঠা কৰা হৈছে। সাধু বা কেচ্চাত যেতিয়া ৰজা বিপদত পৰে, তেতিয়া এই গণক আৰু ব্ৰাহ্মণে বিপদৰপৰা উদ্ধাৰ হোৱাৰ উপদেশ ৰজাক দিয়ে। 'শিলিখা বুঢ়া' সাধুটোত ৰজাক যুদ্ধ জয় হোৱাৰ দিহা দি সৰ্বজান শিলিখা বুঢ়াই ৰাজ্যখনক উদ্ধাৰ কৰিছে। লগতে বুজন সংখ্যক ধন সম্পতি ৰজাৰপৰা লাভ কৰিছে। 'দুখীয়া বামুণ' সাধুকথাত বামুণীৰ কেটেৰা-জেৰেঙা শুনিব নোৱাৰি ৰজাৰ ওচৰলৈ যায় আৰু ৰজাক মন্ত্ৰ শুনায়, যি মন্ত্ৰই পিছলৈ ৰজাক মৃত্যু মুখৰপৰা ৰক্ষা কৰে। এই সাধু বামুণৰ উপস্থিত বুদ্ধিৰ পৰিচায়ক। শেষত বামুণে ৰজাৰ ৰাজ্যৰ অৰ্ধেক অংশ লাভ কৰে আৰু দুখীয়া বামুণে ৰজা হৈ ৰাজ্য চলাবলৈ ধৰে। কিন্তু ৰজাক সহায় কৰিবলৈ যাওঁতে বামুণে বহুসময়ত ৰজাৰ আগত মিছা কথাও ক'বলগীয়াত পৰিছে। 'নাৰু গোপালেৰ গল্প' শীৰ্ষক সাধুত ভূতৰ সৈতে মিলি ৰজাক বুৰ্বক সজাই ৰাজপাট ভোগ কৰিছে যদিও, এদিন বামুণৰ আচল পৰিচয় পোহৰলৈ অহাত শাস্তি হিচাপে গোটেই জীৱন ৰজাৰ ঘোঁৰাৰ ঘাঁহ কাটিব লগা হ'ল। গতিকে সামগ্ৰিকভাৱে কোচ-ৰাজবংশী সাধুকথাৰ বামুণৰ চৰিত্ৰটো চতুৰ বা বুধিয়কৰ ৰূপত প্ৰতিষ্ঠা লাভ কৰা পৰিলক্ষিত হৈছে। কোচ-ৰাজবংশী সাধুকথাত ৰাজকুমাৰৰ চৰিত্ৰটো যিদৰে শক্তিশালী, তদ্ৰুপ বিশেষ কিছু সাধুকথাত ৰাজকুমাৰীৰ চৰিত্ৰটো পৰম্পৰাগত নাৰীৰ প্ৰতি থকা ধাৰণাৰ বিপৰীতে ব্যতিক্ৰম যেন লাগে। কিয়নো 'চোগা দেখিয়া শিপলা' সাধুত বিয়া উপযুক্ত ৰাজকুমাৰীয়ে ঘোষণা কৰিছে যে, যিয়ে তাইক শাস্ত্ৰত পৰাস্ত কৰিব

পাৰিব তাৰ লগতে বিয়া হ'ব। লোকপাঠ একোটাত নাৰীৰ এনে স্থিতিয়ে, এই জনগোষ্ঠীটোৰ মাজত নাৰীৰ উচ্চস্থানৰ প্ৰসংগক প্ৰতিনিধিত্ব কৰিছে। বহু কোচ-ৰাজবংশী সাধুকথাত জীৱ-জন্তুক চৰিত্ৰ ৰূপ দিয়া হৈছে, যদিও এনে চৰিত্ৰৰ মাজেদি মূলতঃ মানৱীয় প্ৰমূল্যবোধক দাঙি ধৰি নৈতিক শিক্ষা দান দিয়াই প্ৰধান লক্ষ্য। সামগ্ৰিকভাৱে যদি চাব যাওঁ কোচ-ৰাজবংশী সাধুকথা বা কেচ্চাসমূহৰ চৰিত্ৰই এই জনগোষ্ঠীয় লোক সমাজৰ ভিন্ন মানসিক অৱস্থা, পৰিৱৰ্তন আৰু সামাজিক প্ৰেক্ষাপটৰ ছবিখন ফুটাই তুলিবলৈ সক্ষম হৈছে।

**২.৩.৫ ৰূপাঙ্গ**

ষ্টিথ থম্পচনক সাধুকথাৰ ৰূপাঙ্গ অধ্যয়নৰ বাটকটীয়া বুলিব পাৰি। তেওঁৰ মত অনুসৰি সাধুকথাৰ ৰূপাঙ্গ হ'বলৈ হ'লে, ই ঐতিহ্যক তুলি ধৰাৰ লগতে স্বাভাৱিকতে কিছু ব্যতিক্ৰম হ'ব লাগিব। উদাহৰণ স্বৰূপে কাউৰীয়ে কা কা কৰি কন্দাটো স্বাভাৱিক কথা। ই ৰূপাঙ্গ হ'ব নোৱাৰে। কিন্তু সাধুকথা একোটাত কাউৰীয়ে মানুহৰ দৰে কথা ক'লে, সেয়া সাধুটোৰ ৰূপাঙ্গলৈ পৰিণত হ'ব। ঠিক একেদৰে লোক সাহিত্যৰ ৰূপাঙ্গসমূহ প্ৰতীকাত্মক হয়। অৰ্থাৎ ৰূপাঙ্গসমূহৰ দ্বাৰা কোনো এটা জনগোষ্ঠীৰ সাংস্কৃতিক ঐতিহ্য, পৰম্পৰা, ৰীতি-নীতি ইত্যাদিৰ কথা জানিব পাৰি। কোচ-ৰাজবংশী সাধুকথাত প্ৰকাশিত ৰূপাঙ্গসমূহৰ দ্বাৰা  এই জনগোষ্ঠীৰ বিৱৰ্তন, লোক সমাজৰ আচৰণ, বিশ্বাস, অন্ধবিশ্বাস, উপাস্য দেৱতা আৰু ধৰ্মীয় ব্যৱস্থাৰ সম্পৰ্কে জানিব পাৰি। কোচ-ৰাজবংশী সাধুকথাত ব্যাপকভাৱে ব্যৱহৃত ৰূপাঙ্গটোৱে হৈছে, যাদুবিদ্যাৰ বা অলৌকিক শক্তিৰ ব্যৱহাৰ। উদাহৰণ স্বৰূপে- ফল ভক্ষণৰ পিছত ৰজাৰ সন্তান লাভ, ৰজাৰ পুত্ৰ চৰাইলৈ ৰূপান্তিত হোৱা ইত্যাদিৰ কথা ক'ব পাৰি। ঠিক সমান্তৰালভাৱে সৃষ্টিজনিত আৰু জীৱ-জন্তুকেন্দ্ৰিক ৰূপাঙ্গসমূহ যেনে- ধানৰ পৰা চাউল হোৱা, ঢোৰা সাপৰ বিষ নোহোৱা হোৱা, নদীৰ সৃষ্টি, সোণ দিয়া গাই গৰু ইত্যাদি ৰূপাঙ্গ এনে সাধুকথাত সৰহ ৰূপত পৰিলক্ষিত হয়। কোচ-ৰাজবংশী সাধুকথাৰ ৰূপাঙ্গৰ সম্পৰ্কে এই গৱেষণা কাৰ্যৰ পঞ্চম অধ্যায়ত বিতংভাৱে আলোচনা কৰা হ'ব।

**প্ৰসঙ্গটীকা ঃ—**

১.অৰূপজ্যোতি দাস। কামতেশ্বৰ বিশ্বসিংহ আৰু কোচৰ শেষ অভ্যুত্থান। কোচ ঐতিহাসিক পৰম্পৰা। পৃষ্ঠা- ৫২।

২. দ্বিজেন্দ্ৰনাথ ভকত। কোচ-ৰাজবংশী জনজাতিৰ নৃতাত্ত্বিক ইতিহাস। কোচ জনজাতি। পৃষ্ঠা-৩৫।

৩. শ্ৰীশিবেন্দ্ৰ নাৰায়ণ কোচ।কোচ জনগোষ্ঠীৰ অতীত সন্ধানত এটি খোজ।কোচ জাতিৰ বংশ নিৰ্ণয়। পৃষ্ঠা-৫০।

৪. H.H Risley.The Tribes and Castes of Bengal. Traditions of Origin. পৃষ্ঠা-৪৯১

৫. E.A. Gait. History of Assam. The Koch King. পৃষ্ঠা-৪৫

৬. শ্ৰীশিবেন্দ্ৰ নাৰায়ণ কোচ। কোচ জনগোষ্ঠীৰ অতীত সন্ধানত এটি খোজ। কোচ জাতিৰ বংশ নিৰ্ণয়। পৃষ্ঠা-৫৫।

৭. অৰূপজ্যোতি দাস। কামতেশ্বৰ বিশ্বসিংহ আৰু কোচৰ শেষ অভ্যুত্থান। কোচ পৰিচয়ঃ এটি আলোচনা। পৃষ্ঠা-৭৮-৭৯।

৮. R.G. Latham. Ethnology of India. The Kocch. Dhimal and Bodo. পৃষ্ঠা-৩৩

৯. অৰূপজ্যোতি দাস। কামতেশ্বৰ বিশ্বসিংহ আৰু কোচৰ শেষ অভ্যুত্থান। কোচ পৰিচয়ঃ এটি আলোচনা। পৃষ্ঠা-৮৫।

১০. পূৰ্বোক্ত গ্ৰন্থ।পৃষ্ঠা-৮৫।

১১. পূৰ্বোক্ত গ্ৰন্থ।পৃষ্ঠা-৮৮।

১২. Ram Krishna Biswas .Ethnic Identity Movement of Rajbongshi in Colonial State : Role of Panchanan Barma (1910-1935). URL- https://www.gsmp.in/uploads/journal/20210510061136.pdf

১৩. Charu Chandra Sanyal.The Rajbongshis of North Bengal. Antecedents of Rajbongshis. Census Figures. পৃষ্ঠা-১৮

১৪. হেমন্ত কুমাৰ শৰ্মা। অসমীয়া লোকগীতি সঞ্চয়ন। ভূমিকা। পৃষ্ঠা-৫।

১৫. দ্বিজেন্দ্ৰ নাথ ভকত। অসমৰ কোচ ৰাজবংশী জনজাতি, জাতি, বৃত্তিমূলক শ্ৰেণী আৰু কোচ ৰাজবংশী সকল। পৃষ্ঠা-৪৫।

১৬. R.M Dorson এ তেখেতৰ 'Folklore and Folk Life : An Introduction' গ্ৰন্থখনত লোক সাহিত্যক ছয়টা ভাগত ভাগ কৰিছে - পুৰাকথা, কিংবদন্তি, সাধুকথা, লোকগীত, প্ৰবাদ-প্ৰবচন আৰু সাঁথৰ।

• প্ৰফুল্ল দত্ত গোস্বামীয়ে লোক সাহিত্য বা জন সাহিত্যক এনেধৰণে ভাগ কৰিছে - (১) কল্পনাপ্ৰধান সাধুকথা, পুৰাকাহিনী, কিংবদন্তি, কৌতুক, আদি (২) গীত-মাত (ক) বৰ্ণনাত্মক মালিতা (খ) ধৰ্মীয় গীত (গ) প্ৰণয়সূচক গীত (ঘ) কৰ্মগীত (ঙ) নিচুকনি গীত, আদি (৩) সাঁথৰ (৪) পটন্তৰ বা বচন (৫) মন্ত্ৰ

• সত্যেন্দ্ৰনাথ শৰ্মায়ে 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত'ত লোক সাহিত্যক তিনিটা ভাগত ভাগ কৰিছে -- (ক) লোকগীত (খ) ফকৰা-যোজনা আৰু প্ৰৱচন (গ) সাধুকথা

১৭. তথ্যদাতা। চিন্তু ৰায়।বয়স- ৬৫। গাইখোৱা, ধুবুৰী।

১৮. তথ্যদাতা। মূলা ৰায়। বয়স-৬৭। গাইখোৱা। ধুবুৰী।

১৯. তথ্যদাতা। চানো বালা ৰায়। বয়স- ৭০। কোকৰাঝাৰ।

২০. গৌৰীমোহন ৰায়

গায়ত্ৰী শৰ্মা। সম্পাঃ। পশ্চিম অসমৰ লোক-সংস্কৃতিৰ আভাস। কাতি পূজাঃ এটি আভাস। পৃষ্ঠা- ৮৬।

২১. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা-৮৭।

২২. লাবণ্য ভকত। ৰাজবংশী লোক-সংস্কৃতি। ৰাজবংশী সকলৰ সোণাৰায় পূজা। পৃষ্ঠা-১০।

২৩. লাবণ্য ভকত। ৰাজবংশী সংস্কৃতিত নাৰী। ৰাজবংশী সমাজত পালিত নাৰী কেন্দ্ৰীক লোক উৎসৱ অনুষ্ঠান। পৃষ্ঠা-৬৫।

২৪. হেমন্ত কুমাৰ শৰ্মা। অসমীয়া লোকগীতি সঞ্চয়ন। গোৱালপৰীয়া লোকগীত। পৃষ্ঠা-২৮৫।

২৫. দ্বিজেন্দ্ৰ নাথ ভকত । ৰাজবংশী লোক সাহিত্য। ছাওয়াৰ গান বা শিশু সংগীত। পৃষ্ঠা-১৯৩।

২৬. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা-২০২।

২৭. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা-২০৩।

২৮. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা-২০৩-২০৪।

২৯. তথ্যদাতা। মূলা ৰায়। বয়স-৬৭। গাইখোৰা। ধুবুৰী।

৩০. দ্বিজেন্দ্ৰ নাথ।গোৱালপৰীয়া লোকগীত। দেহবিচাৰ-দেহতত্ত্বৰ গীত। পৃষ্ঠা-১৪৩।

৩১.পূৰ্বোক্ত গ্ৰন্থ।পৃষ্ঠা-৬০।

৩২. দ্বিজেন নাথ।গোৱালপৰীয়া ভাৱাইয়া গীতত দৃষ্টিপাত। আগলি বতৰা।

৩৩. ডেইজী ৰাণী ডেকা। মূঃসম্পাঃ। দীপশিখা। ভাওয়াইয়া গান আৰু এথনোমিউজিকোলজি। পৃষ্ঠা-৯

৩৪. দ্বিজেন নাথ।গোৱালপৰীয়া ভাৱাইয়া গীতত দৃষ্টিপাত। আগলি বতৰা।

৩৫. হেমন্ত কুমাৰ শৰ্মা। অসমীয়া লোকগীতি সঞ্চয়ন। গোৱালপৰীয়া লোকগীত। পৃষ্ঠা-২৭৩।

৩৬. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা-২৮৩।

৩৭. দ্বিজেন নাথ।গোৱালপৰীয়া ভাৱাইয়া গীতত দৃষ্টিপাত। আগলি বতৰা।

৩৮. দ্বিজেন্দ্ৰ নাথ ভকত। ৰাজবংশী লোক সাহিত্য, ৰাজবংশী প্ৰবাদ-প্ৰবচন। পৃষ্ঠা-৭।

৩৯. পূৰ্বোক্ত গ্ৰন্থ।পৃষ্ঠা-১৩-২১।

৪০. দ্বিজেন্দ্ৰ নাথ ভকত । ৰাজবংশী লোক সাহিত্য। ৰাজবংশী সাঁথৰ। পৃষ্ঠা- ৮৮।

৪১. তথ্যদাতা। চানো বালা ৰায়। বয়স- ৭০ বছৰ। দঃডিমল গাঁও। কোকৰাঝাৰ।

৪২. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা- ৮৯।

৪৩. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা- ১২৯।

৪৪. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা- ১৪১।

৪৫. Edwin Sidney Hartland.The Science of Fairy Tales. An Enquiry into Fairy Mythology. The Art of Storytelling. পৃষ্ঠা-৩-৪

৪৬. Stith Thomson. The Folktale. Nature and Forms of the Folktale.পৃষ্ঠা-৮

৪৭. হোমেন বৰগোহাঞি

অৰিন্দম বৰকটকী। সংকঃ। লক্ষ্মীনাথ বেজবৰুৱা সাধুকথা আৰু সজকথা। আমাৰ নিবেদন।

৪৮. Praphulladatta Goswami.Ballads and Tales of Assam: A Study of

the Folklore of Assam. The Marchen. পৃষ্ঠা- ৭৪
৪৯. শশী শৰ্মা। অসমৰ সাধু। সাধুকথাৰ বিভাজন। পৃষ্ঠা-৪২।
৫০ . পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা-৪২।
৫১. Prapulladatta Goswami. Ballads and Tales of Assam. পৃষ্ঠা-৭৭-৭৮।
৫২. সৌগত চট্টোপাধ্যায়। সম্পাঃ। লোক কথাৰ বৰ্ণমালা। লোককথাঃ শ্ৰেণীবিভাগ। পৃষ্ঠা-২০।
৫৩. সৌগত চট্টোপাধ্যায়। সম্পাঃ। লোক কথাৰ বৰ্ণমালা। লোককথাঃ শ্ৰেণীবিভাগ। পৃষ্ঠা- ২১-২৭।
৫৪. লাবণ্য ভকত। ৰাজবংশী কেচ্চা। পৃষ্ঠা - ৭৭।
৫৫. পূৰ্বোক্ত গ্ৰন্থ।পৃষ্ঠা- ৬৭।
৫৬. দ্বিজেন্দ্ৰনাথ ভকত। ৰাজবংশী লোক সাহিত্য। পৃষ্ঠা- ১৮৬।
৫৭. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা - ১৮৭।
৫৮. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা - ১৮৬।
৫৯. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা - ১৮৬।
৬০. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা - ১৮৮।
৬১. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা - ১৮৮।
৬২. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা - ১৮৭।
৬৩. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা - ১৮৫।
৬৪. ৰাজবংশী লোক-সংস্কৃতি। ৰাজবংশীসকলৰ সাইটল পূজা। পৃষ্ঠা-৪১-৪৩।
৬৫. পূৰ্বোক্ত গ্ৰন্থ। পৃষ্ঠা- ৬৮-৬৯।
৬৬. দ্বিজেন্দ্ৰনাথ ভকত। ৰাজবংশী লোক সাহিত্য। পৃষ্ঠা- ১৮৮।
৬৭. লাওটোকৰা হ'ল লাও এটাক শুকান কৰি তাৰ দ্বাৰা প্ৰস্তুত কৰা এক ধৰণৰ ব্যৱহাৰ যোগ্য পাত্ৰ। য'ত বিশেষকৈ কোচ-ৰাজবংশী জনগোষ্ঠীয়ে নিমখৰ লগতে খাদ্য সামগ্ৰী আৰু শস্যৰ বীজ সংৰক্ষণ কৰি ৰাখে।
৬৮. অশ্বিনী কুমাৰ সিংহ। ভূমীশ্বৰৰ কাহিনী, ভাৰুৰা। পৃষ্ঠা- ১২-১৩।